a) Whether it is fact that Government has proposed to evict the encroachers from the V.G.R and P.G.R: lin Nowgong District ?

b] If so, when the eviction will be started ?

c) The totel area of land in the V· G. R: and the P. G. R. encroached so far in the Nowgong District ?

Shri Padam Bahadur Chouhan, ( Minister of State, Revenue ) replied :

209 (a)— Govt. have not taken any decision :

(b)— Does not arise :

(c)— The total area of V.G.R: under encroachment is 7159৪ B-4K-7Ls and that of P.G.R: 26,630B-IK-14Ls.

## বিষয় ঃ চাৰ ট্ৰেজাৰী

শ্ৰীইছলাম হুছেইনে সুধিছে ঃ

* ২১০। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অসমৰ বৰ্ত্তমান বছৰত ছাব ট্ৰেজাৰী খোলাৰ প্ৰস্তাৱ আছে নে?

খ) যদি আছে, বৰপেটা জিলাৰ হাউলীত এটি নতুন ছাব ট্ৰেজাৰী খোলাৰ বিষয়টো চৰকাৰে বিবেচনা কৰিব নে?

শ্ৰীমহম্মদ ইদ্ৰিছ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২১০। ক)— হয়।

খ)— বিবেচনা কৰা হব।

## Re: FENCING COST PER PLANT

Shri Harendra Nath Talukdar asked:

*211. Will the Minister of State, Forest be pleased to state—

a) The fencing cost per plant in case of single plantation and in case of mass plantation? (Please furnish separately in case of Rural Areas and in case of Urban Areas stating the fencing meant for Goat proof and Cattle proof);

b) What is the fencing cost per plant in Gauhati Corporation?

c) The different spices of plants planted in Gauhati Corporation Areas ?

Shri Dinanath Rajkhowa ( Minister of State, Forest) replied :—

211. (a) (i) — In case of single plantation Rs. 48.00 with page wire fencing and wooden post. With the iron tree Guard with angle iron post or Tabular post and woven wire mesh is Rs. 169.00 to Rs. 330.00 each depending on height, size and material etc.

ii)— In case of mass plantation cost varies from Rs. 0.32 to Rs. 21.50 depending on type of protection needed and size and shape of plot available.

Fencing cost of per plant does not appreciably very from rural to urban areas, cost varies according to type of fencing and size and shape of planting site.

Cost of Goat proof fencing for mass plantation is Rs. 17.30 per plant.

Cost of Cattle proof fencing for mass plantation is as below :—

i)— Road side with 4 line B/W Rs. 11.00 per plant.

ii)— Block plantation Rs. 0.35 per plant on average.

b)— Same as (a) above.

c)— Saragmoni, Gold Mohar, Encalyptus Segun; Bilatisonaru, Sessoo, Titasapa, Simul, Arjun, Neem, Debadaru, Ashoka, Rain tree, Subabul, Am' Kathal, palas, Ajhar, Sonaru, Radhasura, Kanchan, etc etc.

## Re: DRAWAL OF PAY & ALLOWANCES OF TEACHERS

Shri Hemen Das asked:—

* 221. Will the Minister, Education be pleased to State

a) Whether Mrs. Nanda Prava Talukdar was appointed as Asstt. Teacher in the Byaskuchi M.E. School in the District of Barpeta in the month of February, 1983?

b) On which date She joined her duty in the siaid School?

c) Is it a fact that her pay and allowances were drawn from 1977?

d) If so, under what rules her pay and allowances were regularly drawn from 1977 though she was not in service till February, 1983?

Shri Mukut Sarma ( Minister Education ) replied

212. a)– Smti. Nanda Prova Talukdar was appointed as Asstt. Teacher in Byaskuchi M.E. school in the month of March 1983.

b)— On 22nd March 1983.

c)— Yes .

d)— Her pay and allowances were drawn from 1977 to 1983 ( 21st March 1983 ) irregularly for which necessary action against the persons at fault are being taken

SHORT NOTICE

Questions and Answers

Date :— 8th April, 1985

বিষয় ঃ ধুমুহাত ক্ষয়ক্ষতি

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে ঃ—

৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) মাৰ্চ্চ মাহৰ ১৮ তাৰিখে হোৱা ধুমুহাত ৰঙিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত গোপালপুৰ, কুমতিবাৰী, ধুহি, বাবংহাটী আদি গাৱঁৰ বহুতো পৰিয়ালে

মৰবাৰী হেৰুৱাৰ উপৰিও তামোল নাৰিকলৰ গছ ভঙাৰ ক্ষতিৰ সন্মুখীন হোৱা সম্পৰ্কে জানেনে ?

খ) যদি জানে, ৰঙিয়া ৰাজহ চক্ৰৰ অন্তৰ্ত কিমান খন গাৱত কিমান পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে ?

গ) ক্ষতিগ্ৰস্ত পৰিয়াল সমূহক সাহায্য দিয়া হৈছেনে ?

শ্ৰীপদম বাহাদুৰ চৌহান ঃ— (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ—

৫। (ক) জানো। কিন্তু গোপালপুৰত কোনো ক্ষয় ক্ষতি হোৱা নাই। নাৰিকল গছ আৰু তামোল গছৰ ও কোনো ক্ষতি হোৱা নাই।

খ) ৰঙিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ২২ খন গাওঁ আৰু ২১২ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে।

গ) ক্ষতিগ্ৰস্থ পৰিয়াল সমূহৰ ক্ষয়ক্ষতিৰ তদন্ত কৰি পুনঃ সংস্থাপনৰ বাবে সাহায্য দিয়া হৈ আছে।

শ্ৰীপূৰ্ণ বড়ো ঃ— সাহায্য দি থকা হৈছে বুলি কৈছে ? ২১১ টা পৰিয়ালক দিয়া হৈছেনে, আৰু কিমানকৈ দিয়া হৈছে ?

শ্ৰীপদম বাহাদুৰ চৌহান (মন্ত্ৰী) ঃ— ইতিমধ্যে ৰঙিয়া মহকুমাৰ কাৰণে চাৰে ৩ লাখ টকা ৰিলিজ কৰি দিয়া হৈছে সাহায্য প্ৰতিটো পৰিয়ালকে সমান ভাৱে দিব নোৱাৰি। যাৰ যিমান ক্ষতি হৈছে সেইটো চাইহে দিয়া হব। এই সম্পৰ্কীয় সকলো তথ্য পাতি ৰঙিয়া মহকুমাৰ এচ ডি অয়ে সংগ্ৰহ কৰি আছে। সেই বিলাক চাই চিতি দিয়া হব।

শ্ৰীপূৰ্ণ বড়ো ঃ— ২২ খন গাৱৰ ২১২ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে

বুলি কৈছে। প্ৰত্তিটো পৰিয়ালক কিমানকৈ সাহায্য দিয়া হৈছে। মই জনাত এই টকাটো ৰঙিয়া ৰাজহচক্ৰৰ কাৰণে দিয়া হোৱা নাই, কমলপুৰ ৰাজহ চক্ৰৰ কাৰণেহে দিয়া হৈছে।

শ্ৰীপদম বাহাদুৰ চৌহান (মন্ত্ৰী):— প্ৰত্তিটো পৰিয়ালক কিমানকৈ সাহার্য্য দিয়া হৈছে সেইটো কব নোৱাৰিম। সাহায্য ৫ হাজাৰ লৈকে দিব পাৰি। কাৰ কিমান ক্ষতি হৈছে সেই বিলাক ৰঙিয়াৰ এচ ডি চিয়ে চাই আছে। এই ২১২ টা পৰিয়ালক চাৰে ৩ লাখ টকাৰ পৰা দিয়া হব।

শ্ৰীপূৰ্ণ বড়ো :— ঘৰ-তুৱাৰৰ লগতে চন্দ্ৰগুৰি উঃ মাঃ বিদ্যালয়কে আদি কৰি কেইবাটাও শিক্ষানুস্থানৰ ক্ষতি হৈছে। এই বিলাকৰ কিবা ব্যৱস্থা কৰা হবনে ?

শ্ৰীপদম বাহাদুৰ চৌহান (মন্ত্ৰী):— আমি জনাত ১১ টা শিক্ষানুস্থান আৰু ১৫ টা মন্দিৰ ক্ষতিগ্ৰস্ত হৈছে। এই সকলো বিবাকৰে কত কিমান ক্ষতি হৈছে তাৰ লিষ্ট কৰি থকা হৈছে ? লিষ্ট হৈ উঠিলেই এই বিলাকতো সাহায্য দিয়া হব।

শ্ৰীহেমেন দাস :— ক্ষতিপূৰণ দিয়াৰ সম্পৰ্কত এই সদনতে বহুত বিলাক আলোচনা বিলোচনা হৈ গৈছে। জলসিঞ্চন বিভাগে যিবিলাক মাটি অধিগ্ৰহণ কৰিছে সেই বিলাকৰ ক্ষতিপূৰণ ৰাজহ বিভাগে দিয়া নাই এনে ধৰণৰ ক্ষতিপূৰণ নোপোৱাৰ কাৰণে সৰভোগৰ এচ ডি অ অফিচৰ সন্মুখত আন্দোলন কৰি আছে। এই সম্পৰ্কত সোনকালে ব্যৱস্থা লবনে ?

শ্ৰীপদম বাহাদুৰ চৌহান (মন্ত্ৰী):— মাটি অধিগ্ৰহণ কৰিলে তাৰ কাৰণে সকলোৱেই ক্ষতিপূৰণ পাবলাগে। ইয়াৰ কাৰণে আন্দোলন কৰকেই

বা নকৰকেই। টকা পইচা যাতে সোনকালে পাই তাৰ কাৰণে ব্যৱস্থা কৰা হব।

শ্রীপূর্ণ বড়ো ঃ— জলসিঞ্চন বিভাগে ডিপ টিওৱ ওৱেলৰ কাৰণে যিবিলাক মাটি অধিগ্রহণ কৰিছিল তাৰ কাৰণে কৃষকে ক্ষতিপূৰণ পোৱা নাই মন্ত্রী মহোদয়ে এই ক্ষতিপূৰণ দিয়াৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্রীপদম বাহাদুৰ চৌহনা ( মন্ত্রী ) ঃ— ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা সোনকালে কৰা হব।

শ্রীদেবেশ চক্রবর্ত্তী ঃ— যোৱা দুই তাৰিখৰ ধুমুহাত লামডিঙৰ যি ক্ষতি হল তাৰ কাৰণে সাহাষ্য দিবনে ?

শ্রীপদম বাহদুৰ চৌহান (মন্ত্রী) ঃ— ইয়াৰ কাৰণে ডি চি সকলক টকা দিয়া হৈছে। তাৰ পৰা তেওঁলোকে সাহাষ্য দিয়াৰ ব্যৱস্থা কৰিব।

Mr. Speaker :— Item No. ?.

Under Rules of Procedure and Conduct of Businees in Assam Legislative Assembly I called a meeting of the Businees Advisory Committee at 12-30 P.M. on 4th April 1985 in my Chamber at Dispur. The Committee after considering the volume of business in hand decided to adjourn the Assembly sine-die on 9th April 1985 after disposal of the business fixed for the day. A copy of the revised calender has already been circulated amongst the Hon'ble Members of the House.

I hope this has the approval of the House.

( VOICE— YES, YES ):

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয় মই বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ 5, নং নিয়ম অনুসৰি 1985 চনৰ 6th March তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "এবছৰে দৰমহা হোৱা নাই" বিষয়টো মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

* শ্ৰীমুকুট শৰ্ম্মা [মন্ত্ৰী] :— মাননীয় অধ্যক্ষ মহোদয় ১৯৮১-৮২ চনত কেন্দ্ৰীয় চৰকাৰৰ হিন্দী শিক্ষা প্ৰচাৰৰ এক আঁচনি অনুসৰী ১৩৩ টা হিন্দী শিক্ষকৰ পদৰ সৃষ্টি কৰা হয়। ইয়াৰে ৬০ টা পদ প্ৰাদেশীকৃত ( Provincialised ) হাইস্কুলৰ বাবে ৭৩ টা পদ প্ৰাদেশীকৃত (Provincialised ) এম, ই, স্কুলৰ বাবে সৃষ্টি কৰা হয়। ইয়াৰ উপৰিও চিনিয়ৰ মাদ্ৰছাৰ বাবে ৬ টা পদ এড্ হক হাইস্কুলৰ বাবে ২৮৪ টা পদ আৰু এড্ হক এম,ই, স্কুল বাবে ১৭৭ টা পদ চলাবলৈ অনুদান দিয়া হয়। উপৰোক্ত ৬০০ পদৰ বাবে হোৱা খৰচ কেন্দ্ৰীয় চৰকাৰৰ আৰু ৰাজ্য চৰকাৰ সমানে সমানে বহন কৰাৰ ব্যৱস্থা কৰা হয়।

১৯৮৩-৮৪ চনৰ বাবে এই আঁচনি অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা মঞ্জুৰী বিচাৰোতে বছৰি কিমান টকাৰ প্ৰয়োজন হয় সেই কথা কেন্দ্ৰীয় চৰকাৰক জনাই থোৱা হৈছিল আৰু ১৯৮৪-৮৫ চনৰ বাবে সেই পৰিমাণৰ কেন্দ্ৰীয় মঞ্জুৰীৰ বাবে অপেক্ষা কৰা হৈছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰে ৫।১।৮৫ তাৰিখৰ চিঠি যোগে ১৯৮৩-৮৪ চনৰ খৰচৰ বিৱৰণ বিচাৰে। প্ৰয়োজনীয় বিৱৰণ ১৫।২।৮৫ তাৰিখে কেন্দ্ৰীয় চৰকালৈ পঠিওৱা হয়।

ইফালে কেন্দ্ৰীয় চৰকাৰৰ পৰা মঞ্জুৰী পোৱাত পলম হোৱা বাবে ৰাজ্য চৰকাৰৰ অংশৰ পৰাই শিক্ষক সকলৰ দৰমহা দিয়াৰ বাবে ব্যৱস্থা লোৱা হয় আৰু যোৱা দ্বিতীয় বছৰৰ ভিতৰতে মঞ্জুৰী দিয়া হয়। শিক্ষক-

সকলে অতি সোনকালে দৰমহা পাব।

। — ৰাজ্য চৰকাৰৰ প্ৰাপ্য কেন্দ্ৰীয় চৰকাৰৰ অংশ পাবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলাই থকা হব।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, এই খিনিতে মই এটা স্পষ্টীকৰণ বিচাৰিছো। শিক্ষামন্ত্ৰী মহোদয়ে কৈছে যে শিক্ষক সকলে যোৱা এটা বছৰে দৰমহা পোৱা নাই। কিন্তু মই জনাত ১২৬ খন এম, ই আৰু হাইস্কুলৰ হিন্দি শিক্ষক সকলে যোৱা ২৫ মাহে দৰমহা পোৱা নাই। তেওঁলোক ১৯৮১ চনৰ পৰা ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে নিয়মিত ভাবে দৰমহা পাই আছিল। কিন্তু ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা আজিলৈকে, এই ২৫ মাহে শিক্ষক সকলক দৰমহা দিয়া হোৱা নাই। এতিয়া কথা হল যিহেতুকে তেওঁলোকক ১৯৮১ চনৰ পৰা দৰমহা দি থকা হৈছিল কিন্তু প্ৰভিচিয়েলাইজ কৰাৰ পিচত তেওঁলোক বাদ পৰিল কেনেকৈ ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয় এই বিষয়টোৰ কাৰণে মোক বেলেগ প্ৰশ্ন দিলে ভাল হয়। যিহেতু এই শিক্ষক সকলৰ দৰমহা শতকৰা ৫০ ভাগ কেন্দ্ৰীয় চৰকাৰে আৰু ৫০ ভাগ ৰাজ্য চৰকাৰে বহন কৰিবলগীয়া হয়, সেয়ে এই গোটেই কথাবোৰ ভালদৰে চাবৰ কাৰণে সময়ৰ প্ৰয়োজন হৈছে। এই গোটেই কথাটো আমি পুনৰ বিবেচনা কৰিব লাগিব।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মই বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৮৫ চনৰ ১ মাৰ্চ্চ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত মুখ্যমন্ত্ৰীৰ অভি-যোগৰ বিৰুদ্ধে ছাত্ৰ সন্থাৰ প্ৰত্যাহ্বান সম্পৰ্কীয় বিষয়টো উপস্থাপন কৰিছো।

অধ্যক্ষ মহোদয়, এই বিষয়টো এনে ধৰণৰ :— যোৱা ফেব্রুৱাৰী মাহৰ ২৬ তাৰিখে গুৱাহাটীৰ এখন সভাত মুখ্যমন্ত্ৰীয়ে কৈছিল যে ছাত্র সন্থাৰ কিছুমান পেট্রোল পাম্পৰ ব্যৱসায়ীৰ পৰা প্ৰায় ৭ লাখ টকাৰ প্ৰেট্ৰোল সংগ্ৰহ কৰিছে আৰু লগতে এটা কথা কৈছিল যে ছাত্র সন্থাৰ নেতৃবৃন্দ নতুন দিল্লীলৈ অহা-যোৱা আৰু থকাৰ খৰচ কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ বহন কৰাৰ পিচতো গুৱাহাটীৰ এজন মানুহৰ পৰা তেওঁলোকে ৫০ হেজাৰ টকা লৈছে। এই ক্ষেত্ৰত ছাত্র সন্থাৰ বিষয় ববীয়াই ৫০ হেজাৰ টকা লোৱা কথাটো মিছা বুলি কৈছে, কিন্তু পেট্রোল পাম্পৰ পৰা টকা বা পেট্রোল নিয়া কথাষাৰ অস্বীকাৰ কৰা নাই। এতিয়া কথা হৈছে এজন মুখ্যমন্ত্ৰীয়ে বাহিৰত যিবোৰ কথা কয় সেইবোৰ তথ্য-পাতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই কয়! তেখেতে সদনৰ বাহিৰত যিবোৰ কথা কৈছে আমি সদনৰ সদস্য সকলে এইবোৰ কথা জনাৰ দৰকাৰ যে প্ৰকৃত ঘটণাটোনো কি? সেই কাৰণেই বিষয়টো বিশেষ ভাবে উত্থাপন কৰিলো।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী):— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬ ফেব্রুৱাৰীৰ সভাত মই দুটা কথা কোৱাটো সচা। এষাৰ কথা কৈছিলো যে ছাত্র সন্থাৰ নেতৃবৃন্দই এজন মানুহৰ পৰা ৫০ হেজাৰ টকা নিছিল আৰু আনটো হল-পেট্ৰোল পাম্পৰ পৰা ৭ লাখ টকাৰ পেট্ৰোল নি বাহিৰত বিক্ৰী কৰা। এই কথাখিনি তেওঁলোকে অস্বীকাৰ কৰা নাই। ২৬ আৰিখৰ দৈনিক অসম কাকত যিটো বাতৰি প্ৰকাশ পাইছিল সেইটো পঢ়ি দিব খুজিছো—" এটা বিবৃতিত সন্থাৰ সভপতি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু সম্পাদক শ্ৰীভৃগু কুমাৰ ফুকনে কয় যে—' ছাত্র সন্থাক ৫০ হেজাৰ টকা যোগান ধৰা ব্যৱসায়ী জনৰ নাম আৰু সেই টকা সংগ্ৰহ কৰা বিষয় ববীয়া সকলৰ নাম ৰাজহুৱা ভাবে ব্যক্ত কৰিবলৈ অবৈধ মুখ্য-মন্ত্ৰী

* Speech not Corrected

মন্ত্ৰজনৰ সাহসৰ কিয় অভাৱ হল—সৰ্ব্বসাধাৰণ ৰাইজে সেইটোহে বুজিব নোৱাৰিলে। অধ্যক্ষ মহোদয়, মই এই নাম কেইটা এই কাৰণেই প্ৰকাশ কৰিব খোজা নাই কিয়নো নাম কেইটা প্ৰকাশ কৰিলে সেই ব্যৱসায়ী কেইজন গুৱাহাটীত থকা বা ব্যৱসায় কৰাটো টান হৈ পৰিব। এতিয়া আমাৰ মাননীয় সদস্য সকলে যিহেতু গোটেই ঘটনাটো জানিবলৈ বিচাৰিছে এই ক্ষেত্ৰত আমাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়া তেখেতৰ কক্ষলৈ আমাৰ বিধান সভাৰ যিকোনো সদস্য বা গন্যমান্য ব্যক্তিকে মাতি নি গোপনে সেই ব্যৱসায়ীজনৰ সাক্ষ্য লব পাৰে। ব্যৱসায়ী জনেও এই ক্ষেত্ৰত সাক্ষ্য দিবলৈ সাজু আছে। কিন্তু ৰাজহুৱা ভাবে তেওঁৰ নামটো প্ৰকাশ কৰিলে তেও বহুতো সমস্যাৰ সন্মুখীন হব। আনহাতে সকলো সময়তে চৰকাৰে তেওক পুলিচৰ পহৰাত ৰখাটোও সম্ভৱ নহব। সেয়ে এই বিষয়েটোত আমাৰ সদস্য শ্ৰীদাস সহ আন কোনোৱে যদি সম্পূৰ্ণকৈ জানিব খোজে তেনেহলে মাননীয় অধ্যক্ষৰ কোঠালৈ গৈ ব্যৱসায়ীজনৰ সাক্ষ্য লব পাৰে।

অধ্যক্ষ মহোদয়, ছাত্ৰ সন্থাৰ নেতা সকলে যিটো পেট্ৰোল কোম্পানীৰ পৰা ৭ লাখ টকাৰ পেট্ৰোল লৈছিল — তেওলোকলৈ দিয়া চিঠি এখন পঢ়ি দিব খুজিছো—

I am from All Assam Students Union. Don't think that you are doing bnsiness in Rajasthan. It is Assam and Assam is for Assamese" . . .

সেয়ে ছাত্ৰ সন্থাৰ কৰ পৰা পেট্ৰোল নিয়া আৰু কাক বিক্ৰী কৰিলে এই আটাইবোৰ কথাৰে সাক্ষ্য দিবলৈ তেওলোকে সাজু আছে। অধ্যক্ষ ডাঙৰীয়া যদি বিচাৰে এই আটাইবোৰ তথ্য মই তেখেতক দিব পাৰো।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, ছাত্ৰ সন্থাৰ নেতাই অসমত বাৰসায় কৰা ব্যৱসায়ীৰ পৰা বলপূৰ্ব্বক বা ভাবুকি দি ৭ লাখ টকাৰ পেট্ৰোল আদায় কৰিলে-এই ক্ষেত্ৰত তেওলোকৰ বিৰুদ্ধে কোনো আইন গত ব্যৱস্থা লব পৰা নেযায় নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এইটো চিন্তা কৰি চাব লাগিব ।

Shri Binoy Kumar Basumatary :—Whether this amount was expended from one or from multiple Sources ?

Shri Hiteswar Saikia ( Chief Minister ) :—It is only from oue source.

শ্ৰীচন্দধৰ কলিতা :—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে কৈছে যে নিৰাপত্তাৰ খাতিৰতে এই ব্যৱসায়ী জনৰ নামটো প্ৰকাশ কৰাত বাধা আছে । অথচ কথাটো ইতিমধ্যে ফাচ হৈ গল । গতিকে এতিয়া নামটো প্ৰকাশ কৰিলেও বোধকৰো একো অসুবিধা নহব । আনহাতে চৰকাৰে এজন মানুহক নিৰা পত্তা দিব নোৱাৰে - এইটো প্ৰশাসনীয় দূৰ্ব্বলতা নহয় জনো ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ ডাঙৰীয়া, মই ইতি-মধ্যে কৈছোৰেই যে সেই ব্যৱসায়ীজনে সাক্ষ্য দিবলৈ সাজু আছে - এই ক্ষেত্ৰত শ্ৰীকলিতাও যদি যায় তেন্তে ব্যৱসায়ীজনৰ সাক্ষ্য লব পাৰে । অধ্যক্ষ ডাঙৰীয়া, এনে নাম প্ৰকাশ নকৰাৰ নজিৰ বিধান সভাত আগতেও বহুবাৰ ঘটিছে । ৰাজহুৱা স্বাৰ্থৰ খাতিৰতে এই ক্ষেত্ৰত নামটো গোপনে ৰখা হৈছে ।

Mr. Speaker :—Now Item No. 5.

Shri Devananda Konwar :—Sir, I big to present the Thirteenth Report of the Committee on public Undertakings.

Mr. Speaker :—Now. 6 ( a ). There is a message from the Governor.

RAJ BHAVAN

Dated Shillong, the 3th of March, 1985.

Under the provision of Article 207 ( 3 ) of the Conftitution of India, I, Bhishma Narain Singh. Governor of Assam, recommend that the Assam Lokayukta and Up-Lokyuktas Bill, 1985 be taken consideration. by the Assam Legislative Assembly.

Sd/—Bhishma Narain Singh,

Governor of Assam.

Shri Hiteswar Saikia ( Chief Minister ) :—Sir, I beg to move that the Assam Lokayukta and Up Lokayukta Bill, 1985 be taken into consideration.

Shri Umaruddin :—Sir, I congratulate the Chief Minister for introducing this Bill but I want to make

some preliminary observations. I have studied this particular matter for the last seven years and I also have gone through the Bill as it has been presented to the House There might have been some loopholes here and there which may be improved upon by thorogh discussions. I would like to request the Chief Minister to consider whether it will be desuable to refer the Bill to the Select Committee by moving an amendent himself. There are precedents that such Bills were referred to the Select Committee for further scrutiny as was done in Andhra Pradesh aud Maharastra There is a provision under Rule 73 of the Roles of Procedure and Conduct of Business in the Assam Legislative Assembly to discuss such bills. Under Rule 73 (1) on the day of which any such motion is made, or on any subsequent day to which the discussion is postpond, the principle of the Bill and its provisions may be discussed generally but the details of the Bill not be discussecd further than is necessary to explain its principle. ( 2 ) At this stage no amendments to the Bill may be moved, but if the member-in-charge moves that the Bill—( a ) be taken into consideratiod any member may move as an amendment that the Bill be referred to a Select, Committee or be circulated for the purpose of eliciting public opnion thereon by a date to be

mentioned in the mhtioned, in the motion provided that if an amendment or a motion for appointment of a Select Committee has been moved under this rule any member may move that the House give instructions to the Select Committee to which the Bill is proposed to be referred to make some particular or additional provision in the Bill and if necessary or convenient to consider and report on amendments which may be proposed to the original Act which the Bill seeks to amend: Now, Sir, I would like to request the Hon. Chief Minister to consider whether he would himself move an amendment to refer the Bill to the Select Committee for a thorough study and report. It is an impotant Bill and feel there is Scope for improvement. Sir, the purpose of the Bill must be fulfilled. I, therefore, think that there should be some detected discussions on this Bill. I would request the Chief Minister to kindly agree to move a motion to refer the Bill to the Select Committee.

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, আজি এই সদনত যিখন লোক আয়ুক্ত আৰু উপ-লোক আয়ুক্ত বিল উত্থাপন কৰা হৈছে সেই খনৰ বিষয়ে মই অলপ কব খুজিছো। এই বিলখনৰ সম্পৰ্কত মোৰ বিশেষ জ্ঞান নাথাকিলেও মই যোৱা গোটেই ৰাতিটো এইখন কেইবাৰো পঢ়িলো। এইখন পঢ়ি মোৰ এটা কথাই ধাৰণা হল যে ইয়াৰ দ্বাৰা

আমাৰ সকলোৱে দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব পৰা থল আছে। কিন্তু এই বিলৰ দ্বাৰা মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ কোনো উপায় নাই। আমাৰ আচল উদ্দেশ্য হৈছে মুখ্যমন্ত্ৰীক বগৰোৱাহে। কিন্তু এই বিলৰ দ্বাৰা যদি আমি মুখ্যমন্ত্ৰীক বগৰাব নোৱাৰো তেনেহলে এই বিল কিমানদূৰ সফল কাম হব সি চিন্তাৰ বিষয়। এই ক্ষেত্ৰত আমি নিজৰ নাম কাটি সতিনীৰ যাত্ৰা ভঙ্গ হোৱাৰ দৰে - আমি সৰু সৰু গাওঁ পঞ্চায়তৰ সভাপতি, সচিব আদি কিছুমান লোকৰ বিৰুদ্ধেহে আমি গোচৰ তৰিব পাৰিম। আনহাতে এই খিনিতে আৰু এটা কথা আহি পৰে প্ৰকৃততে যদি আমি এজন মানুহৰ বিৰুদ্ধে গোচৰ দি গোচৰত জয়লাভ কৰিব নোৱাৰো তেনেহলে গোচৰীয়া পক্ষই ওলোটাই ৬ মাহ কাৰাদণ্ড আৰু ৫ হেজাৰ টকা জৰিমনা ভৰিব লাগিব। এইটো এটা মহা বিড়ম্বনা হব।

( সদনত হাহিঁ )

অধ্যক্ষ মহোদয়, আৰু এখন বিল আনিব খুজিছো। সেইখন হ'ল কৰাপ্চন বিল। সকলোৱে যাতে খোলা খুলি ভাৱে কৰাপ্চন কৰিব পাৰে। তাত কোনো লুকা ভাকু যাতে নহয়। পণ্ডিত নিয়োগ কৰক, তাত যাব যি খুচি ১০ হেজাৰ ২০ হেজাৰ টকা লওঁক। তেতিয়া হলে আমাৰ আৰু এই বিল নেলাগে। এইবিলাক ক্ষেত্ৰত মই চিন্তা কৰিছো যদি আমি দুৰ্নীতি প্ৰকাশ্যে ভাবে খুলি দিও, যাৰ যি খুচি তাকে কৰিব পাৰে। প্ৰত্যেকে যদি প্ৰত্যেককে সমালোচনা কৰিব পাৰে দুৰ্নীতি আধা কমি যাব। সেই কাৰণে বিল সংক্ৰান্তত মই কিছুমান কথা কব খুজিছো। এই বিলখনত বহুত কথা ৰখা হৈছে। বৰ্ত্তমান আমাৰ বিধান সভাৰ সদস্যকো দোষী সাব্যস্ত কৰিব লাগিব। আমাৰ মাননীয় সদস্য শ্ৰীওমৰুদ্দিন এই বিল সংক্ৰান্তত যি কথা কৈছে তাক মই সমৰ্থন কৰিছো। এই বিলখনৰ জৰিয়তে যাতে সকলোকে দোষ দিয়াৰ ব্যৱস্থা কৰিব পাৰে তাৰ

কাৰণে বিলখনত সংশোধন কৰি পুনৰ কমিটিৰ ওচৰৰ দাখিল কৰিব লাগে। এই বিলখনত মুখ্যমন্ত্ৰী মহোদয়ৰ কোনো কথা উল্লেখ নাই। মুখ্যমন্ত্ৰী মহোদয়ে যাতে এই শাস্তিৰ পৰা হাত সাৰিব পাৰে তাৰ কাৰণে বোধহয় কৰা হৈছে। অধ্যক্ষ মহোদয়, এই বিলখনত পঞ্চায়তৰ চেক্ৰেটাৰী সমবায় সমিতিৰ চেক্ৰেটাৰী, সভাপতি আদি কৰি সকলোৰে দৰমহা পায়। সকলো কৰ্ম্মচাৰীৰ বাবে এই বিলখনত বৰ্ত্তমান আছে। কিন্তু নাথাকিল মুখ্য-মন্ত্ৰী মহোদয়। অধ্যক্ষ মহোদয়, আপুনিও নাই। আপুনি থকা হলে ভাল আছিল। এই বিলাক উৎথাপন কৰিলে জেল হব। মই জেললৈ যাম। তেতিয়া ৬ মাহ জেল হব। তেতিয়া ভালৰে কথা হব। জেলত মই ক্লাচ ১ পাম। তাত মাংস দিব, ভাল ভাল বস্তু সকলো দিব। ইয়াত আৰাম আছে। খোৱা বোৱা সকলো পোৱা হয় অৱশ্যে বাহিৰত ওলাৰ নোৱাৰি। কিন্তু জেইলাৰৰ লগত মীলা প্ৰীতি কৰিলে বাহিৰলৈও ওলাবলৈ সুযোগ পোৱা যায়।

মাননীয় অধ্যক্ষ মহোদয় এতিয়া বিলৰ কথা কওঁক। বিলখন চিলেকচন কমিটিত দিব লাগে। যদি বিলৰ কথা নকয় অন্য কথা কয়, তেতিয়া আপোনাক কব নিদিবও পাৰো বিলখনৰ বাহিৰে অন্য কথা নকব।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, আপুনি কবলৈ নিদিলে কেনেকৈ হব। মই বিলখনৰ কথাকে কৈ আছো। মই আমাৰ মাননীয় ওমৰুদ্দিন ডাঙৰীয়াৰ কথা সমৰ্থন কৰি আৰু এই পৰামৰ্শখিনি আগ বঢ়াই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* শ্ৰীহেমেন দাস :— মননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত শ্ৰীওমৰুদ্দিন ডাঙৰিয়াই যি কথা উত্থাপন কৰিছে তাক মই। সমৰ্থন কৰিছো। সাধাৰণতে এই বিল খন সংশোধনীৰ দ্বাৰা চিলেকচন

* Speech not corrected

কমিটিত দিয়াৰ ব্যৱস্থা আছে। কিন্তু ইয়াৰ এটা বিষয় আহিছে যে বিল খনত মুখ্যমন্ত্ৰী মহোদয় বাদ পৰিছে। গতিকে এই বিষয়টোৰ বাবে এই বিল খন চিলেক্‌চন কমিটিত যোৱাবাৰ কোনো প্ৰয়োজন নাই। কিয়নো এইখন বিল ৬ মাহ পিচত এমেণ্ডমেণ্ট কৰিব পাৰি। ৬ মাহ পিচত আকৌ বিধান সভা বহিব। এই বিল খনত যিবিলাক আসোঁৱাহ আছে সেই আসোঁৱাহ বিলাক বিধান সভাত দূৰ কৰিব পৰা যাব। এইবিলাক কথা আহিছে যি:হতু ভাল হৈছে। মোৰো কেচ দিব লগা আছে এই বিধান সভাত মই বক্তৃতা দিছো, মুখ্যমন্ত্ৰীক কৈছো, কিন্তু মন্ত্ৰীয়ে একো নকৰে। এম, এল, এ, বিলাকে ১০ হেজাৰ টকাকৈ ভেটি খাই আছে। এই কেচ বিলাকৰ প্ৰম ণ আছে।

( ভইচঃ এইবিলাক কলে আপুনি জেইললৈ যাব লাগিব )

যি হয় হব, জেইললৈ আমি ভয় নকৰো। এতিয়া বলখন আনিব দিব লাগে। এইখিনি কৈয়ে মই বহিলো।

* শ্ৰীহিতেশ্বৰ শইকিয়াঃ— মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীওমৰুদ্দিনে যি পৰামৰ্শ আগ বঢ়াইছে সেই বিষয়ত মই কওঁ ইয়াৰ দুখন বিল আছে। লোকপাল আৰু লোকায়ুক্ত। লোকপাল বিল খনে কেন্দ্ৰীয় মন্ত্ৰী, মূখ্যমন্ত্ৰী সকলক ঢাকে। বাকী সকলৰ কাৰণে লোকায়ুক্তই ইম্পিমেণ্ট কৰিব লাগে। চিফ্ মিনিষ্টাৰৰ লগতে প্ৰাইম মিনি-ষ্টাৰ আৰু কেতবোৰ বিষয়াক লোকপালে কোভাৰ কৰিছে। ৰাজ্যিক পৰ্য্যায়ত মন্ত্ৰী বিধায়কৰ তলৰ যিমান সদস্য আছে লোকায়ুক্তই কৰিব। সেই সকলৰ কাৰ্য্য লোকায়ুক্তই কৰিব লাগিব। ৰাজ্যপাল, অধ্যক্ষ আৰু বিৰোধী দলৰ সদস্যই লোকায়ুক্তজনক নিয়োগ কৰে। ইতিমধ্যে তিনিখন ৰাজ্যত লোকায়ুক্ত বিল পাচ হৈছে। দাস ডাঙৰীয়াই কৈছে যে বহুত

* Speech not corrected

ক্ষেত্ৰত চৰকাৰ দোষী। তেখেত সকলে কলেও মই কোনো ব্যৱস্থা লোৱা নাই। তেখেতে চিঠি এখন পাইছে বুলি কৈছে। কিন্তু এই কথাটো সত্য নহয়। মোৰ এতিয়া বিশ্বাস, মাননীয় সদস্য সকলৰ বিৰুদ্ধে যিমান বিলাক বদনাম ৰচনা কৰিছে সত্য নহয়। অধ্যক্ষ ডাঙৰীয়া, নিজকে নিকাহ হিচাবে দেখিব লাগিব। সেইকণ বিশ্বাস আমাৰ থাকিব লাগিব। এই বিলখন যদি পুনৰ চিলেক্‌চনৰ কাৰণে ধৰে তেতিয়া ৬ মাহ ৰব লাগিব। এই বিলখনত যদি কিবা আসোঁৱাহ ওলায়, তেতিয়া এই বিলখন পুনৰ সংশোধন কৰিব পাৰিব। এই বিলখন এমেণ্ড কৰিব পাৰিব। এই ক্ষেত্ৰত হাউচৰ সম্পুৰ্ণ কতৃত্ব আছে। ৰিপিত কৰাৰ ক্ষমতা, আইন কৰাৰ ক্ষমতা আছে। সেয়েহে এই বিলখন চিলেক্‌চন কমিটিলৈ আগ নবঢ়াই বিলখন সদনে আজিৰ ভিতৰতে পাছ কৰিব লাগে।

* শ্ৰীহেমেন দাসঃ— মাননীয় অধ্যক্ষ মহোদয়, মই বিলখন সমৰ্থন কৰাৰ এটাই কাৰণ হৈছে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা কথাত স্বীকাৰ কৰিছে। আমাৰ দেশত দুৰ্নীতিৰ বিৰুদ্ধে বিলখন উত্থাপন কৰা হৈছে। এই দুৰ্নীতি চাকৰিয়াল মাজতেই নহয়, আমাৰ বিধায়ক সকলৰ মাজতহে দুৰ্নীতিৰ মাত্ৰা বাঢ়িছে। দুৰ্নীতি নহলে নিশ্চই মানুহে মুখ্যমন্ত্ৰীক বিচাৰি নাহিলহেতেন। এই সমাজৰ মানুহবিলাকৰ কামৰ কাৰণে আহি মন্ত্ৰী, এম, এল, এ, সকলৰ মাজত যিবিলাক অসুবিধা পায়, সেইবিলাক দুৰ কৰিবলৈ চেষ্টা কৰাটো কৰ্ত্তব্য। বিশেষকৈ মই আগতে কৈ আহিছো যে ওপৰ মহলত দুৰ্নীতি আতৰাৰ বিষয়ে বিলখনে সুযোগ প্যাইছে। আজি যিবিলাক সমস্যাৰ সন্মুখীন হোৱা হৈছে, বিষয়ায়েই হওঁক মন্ত্ৰীয়েই হওঁক, বিধায়কেই হওঁক তেওঁলোকৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিবলৈ এই বিলখনত আমি ঠাই পাইছো।

* Speech not Corrected

আমাৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিবলৈ আমি ঠাই পাইছো। আমি বিধান সভাত বক্তৃতা দি আছো, মুখ্য মন্ত্ৰী মহোদয়েও শুনে। তেখেতেও দল ৰক্ষা কৰিব লাগিব। তেওঁৰ দলৰ লোকে দুৰ্নীতি-পৰায়ন বুলি কেনেকৈ কয়? গতিকে মুখ্য মন্ত্ৰী মহোদয়েও তেওঁলোকক বাহিৰ কৰিব নোৱাৰে। আমি কিছুমান ঘটণা যে নুশুনো কিছুমানৰ কিয় শুনো? আজি মুকুট শৰ্ম্মা বা মুখ্যমন্ত্ৰীয়ে পইযা খাইছে বুলি কিয় নুশুনো? মুকুট শৰ্ম্মাইটো বহুতকে হায়াৰ চেকেনণ্ডাৰীৰ শিক্ষকৰ চাকৰী দিলে আমৰ ভূমি বৰ্ম্মণেটো বহুতক ডাক্তৰৰ চাকৰী দিলে। তেওঁলোকে চাকৰী দিওঁতে পইচা খাইছে বুলি কিয় কব পৰা নাই? মুখ্য মন্ত্ৰীয়ে বিডিওৰ চাকৰী বেগুলেচন ৩ (ফ)ত দিয়া বুলি সমালোচনা কৰিছে কিন্তু বিডিওৰ চাকৰী দিয়াটো পইছা খাইছে বুলি কোনেও কোৱা নাই। আজি এমএলএ সকলৰ ক্ষেত্ৰত এইটো কিয় আছে? নাথাকে নাহে। আমি পাইছো বহুতে খাইছে। আজি বিধায়ক সকলে চিকুৰিটি নহোৱাকৈ নিজৰ সমষ্টিত কিয় যাব নোৱাৰে? আজিতো আৰু ছাত্ৰ সন্থাই নামেৰে? তেওঁলোকক চিকুৰিটি নহোৱাকৈ সমষ্টিলৈ পঠি-য়াৰচোন? তেওঁলোক আজি চিকুৰিটি নোহোৱাকৈ সমষ্টিত যাব নোৱাৰে কাৰণ চাকৰী ওলাইছে তাতকৈ বেছিকৈ পইচা খাই থৈছে। তাৰ প্ৰমাণ চাব। চিকুৰিটি নোহোৱাকৈ সমষ্টিত পঠিওৱাক সমাজৰ কাম কৰিবৰ কাৰণে, তেতিয়া আচল কথাটো বুজিব। কথা ক'ত আছে। আজি আপোনালোকে বিধান সভাৰ গেলেৰীলৈ চাইছে নে? ১৯৮৩ চনত গেলেৰী ভৰি আছিল কিন্তু আজি গেলেৰীত দৰ্শক নাই বা কমিছে কিয়? এটা সময়ত আমি গেলেৰী পাচৰ কাৰণে চষ্টা দি তত পোৱা নাছিলো। কিয় আহিব- তেওঁলোকে কয় যে যাক আমি গণতন্ত্ৰ ৰক্ষা কৰিব কাৰণে পঠিয়াইছিলো তেওঁলোকে গণতন্ত্ৰ ৰক্ষা কৰিছে নে? কোনোবা এদলে হয়তো আমাক বৰ্জন কৰিছে। গণতন্ত্ৰ ৰক্ষাৰ কাৰণে আমি আজি কি

কৰিছে ? আজি মানুহ নাহে, বিধান সভাৰ গেলেৰীত দৰ্শক নাহে । যি সকলে আমাক আজি ইয়ালৈ পঠিয়াইছিল তেওঁলোকে আজি চৰম লাজত পৰিছে । সকলো ক্ষেত্ৰতে অৱশ্যে প্ৰমাণ দিয়া সম্ভৱপৰ নহয় কিছুমান প্ৰমাণ কৰিব লাগিব পুলিচৰ দ্বাৰা, লোক আয়ুক্তইও কৰিব নোৱাৰে । চোৰাং চোৰাৰ দ্বাৰা কৰিব লাগিব তেওঁলোকেহে উলিয়াব পাৰিব । ১০ হাজাৰ টকা চেংচন কৰি ৫০০ টকা থাইছে । ৰাজহুৱা সভাত পাঠ কৰি শুনোৱা হৈছে এম এলক ইমান টকা দিয়া হ'ল বুলি। হেড মাষ্টৰ আৰু কেচ বুক আলোচনা কৰিলে বা ইণ্টাৰনেল এডিটৰক আলো-চনা কৰিলে কথাটো ওলাই পৰিব দুৰ্নীতিৰ বিৰুদ্ধে যুজ কৰিবলৈ চৰকাৰৰ দায়ীত্ব আছে, ভিজিলেঞ্চ চেল আছে সেই চেল শক্তিশালি কৰক। আজি এম এল এৰ সকলে পইচাও খাই চাকৰীও নিদিয়ে মোক আহি কয় মই মিছা কথা বুলি কওঁ। এজন অধ্যপক আহিছিল তেওঁ কলে যে এমএলএ তিনিহাজাৰ টকা খালে চাকৰী দিম বুলি কিন্তু আজিলৈ চাকৰী দিয়া নাই- যোৱা বছৰতে টকা ললে। এওঁ আগতেও এমএলএ আছিল। এতিয়া নিৰুপায়ত পৰিছে । মাক গৰাকী এতিয়াও এমএলএৰ ঘৰলৈ আহে কিন্তু ভাত পানী খুৱাই মাকক পঠিয়ায় দিয়ে । এই মানুহবিলাকে আকৌ মোৰ আগত কিয় কয় নাজানো । মোৰ আকৌ মুখখন বেয়া-মই নিজে কওঁ ভেটি থোৱা যিমান বেয়া ভেটি দিয়াও সিমান বেয়া । এতিয়া দেখিছো কিছুমানে চুৰ কৰে কিছুমানে তাৰ কাৰণে নিৰুপায়ত পৰিছে। আমি ইয়াত বহি আইন পাছ কৰিব পাৰো, দেশখন চাব লাগে জনসাধাৰণৰ কথা চিন্তা কৰিব লাগে কিন্তু ক্ৰমে ক্ৰমে আমি তাৰ পৰা আটৰি গৈছো। অন্তত: এই বিলৰ দ্বাৰা এইটো আমি স্বীকৃতি দিছো বা মানি লৈছো যে মন্ত্ৰী বিধায়ক সকলৰ কথাও আমি বিছাৰ কৰিবলগীয়া হৈছে । এই বিলৰ দ্বাৰা এই ঘটনা বিলাকৰ কিছু সত্য-তাকে বুজায় । মুখ্যমন্ত্ৰীয়ে শেষত হলেও এইটো স্বীকাৰ কৰি ললে

যে মন্ত্ৰী বিধায়কৰ মাজত-দূৰ্নীতি আহি পৰিছে। গতিকে যি সকলে দূৰ্নীতিক বাহ বাহ দিছিল তেওঁলোকৰ কাৰণেই আজি এই বিল উত্থাপন কৰা হৈছে। অৱশেষ এই পাছ হোৱাৰ পাছত কি হব তাক আমি জানো। থিয়োৰীতকৈ কিছু হব। সমাজত ভাল মানুহোও নিশ্চয় আছে। থানা আছে কাৰণেই প্ৰেকটিকেলত চুৰ ধৰিছে আৰু হাকিম আছে কাৰণেই বিছাৰও হৈছে। এই-থিনিতে একো নহব বিশ্বাস নকৰিলেও কিছু কাম হব। সকলোৱে যদি কিছু কাম কৰে তেনেহলে ৰাইজৰ নিশ্চয় কাম হব। এই দূৰ্নীতি বিছাৰ কৰিবৰ কাৰণেই মই এই লোক আয়ুক্ত বিলখনক সমৰ্থন জনাইছো। সমৰ্থন কৰাৰ লগে লগে এই বিল কাৰ্য্যকাৰী কৰাৰ ক্ষেত্ৰত আশোৰাহ যথেষ্ট হয়তো ওলাব কিন্তু তাৰ সংশোধনৰ সুযোগও থাকিব।

সেই কাৰণে মই আশা কৰিছো এই বিলখন সদনত সৰ্ব্ব সন্মতি-ক্ৰমে গৃহিত কৰিব। এইথিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Binoy Kumar Basumatari :— Sir, I would also like to support this bill because this has been pending for quite some time and during my tenure in this House, last House as well as in this House, one of my dismal experiences was that Sir, I had brought in recorded evidences many times against certain officials serving under the Govt. But the saddest part of it is that though actions are promised and though the Govt. comes with an assurance that the metter will be investigated but actually we find that no action has been taken against the erring officer. For instance, I would like to refer to an evidence which

I had submitted before this House during this session. On further enquiry, it is found that this person who is serving at Silchar was a Sub-Inspector of Schools in my constituency and who on my previding evidences that he was corrupt was suspended by the Janata Govt. This man has today become the D. I. of Schools in Silchar and in relation to this man we had raised many matters in this House. Even the Hon'ble Members of Central Cabinet, Central Council of Ministers and members of this State Cabinet have also been involved. Therefore ....

Sir, it is not only the elected representatives and Ministers who are corrupt, there are also officers who are corrupt. Sir, I have, with me, an order of giving permits for forest products. This Government has repeatedly denied that the issue of permits for trees has stopped. Sir, here is with me an order No. 2187-88, dated 27. 2. 85 addcressed to the Range officer, Nunoi Range— subject : operation of trees from T. B. land. The order runs as follws :—

" Ref : your No. N/ 7/ ( b )/ 190, dated 26.2.85.

pleased refer to the above letter and allow the following pattaders to operate the following trees on

payment of royalty plus 50M. F. on new rates plus Sale Tax within 28. 2. 85."

Sir, the order is given in a way that the operation is completed within 2 days." the name of the pattaders. and address :— 1. Shri Baldas Baraik, fill-Khairabari — 6 nos. Outenga, Paruli, Simul, 2. Shri Lukas Orang — 8 Nos. Paruli, Simul, 3. Mon Bahadur Gurung — 7 Nos. Paruli, Bhaira Simul, 4. Agam Bahadur — 4 Nos. Paruli, Bohera, 5. Chring Lama — 7 Nos Paruli, Outenga, Jia Jeching Lame — 12 Nos Jia, Paruli, Bhaira, 7. Bani Bahadur Chetri — Vill Nanke Kherkheria — 11 Nos. Paruli, 8. Mand Bahadur Sunar - 6 Nos, Paruli, 9. Jadav Prakas Rana — 8 Nos. Paruli, 10 Nar Bahadur Thapa 14 Nos. Jia and paruli, 11. Pasung Lama — 8 Nos. Paruli, 12. Jai Prakas Lama — 9 Nos. Paruli and Bhoira and 13. Jagat Bahadur — 16 Nos. Paruli, Sida. etc etc."

Sir, if you study the order it will appear fictitious because he has given operation order on T. B. land which is under the Revenue Department. How can a Forest Officer order removal of trees which are under Revenue Deparment. And by this fictitious order the DFO, Rangiya has allowed movment of 400 truck loads, 200in the name of his nephew and 200 trucks

in the name of a particular businesman. Sir, I do not know how this Government can deal with such smart people. He is an officer of the forest Department and he has issued permit on trees under the Revenue Department. This is just to hoodwink whatever procedure is there. If he is caught he will immediately say that he has not given a single permit for forest producee ; the has given order for trees on TB land. ( Chief Minister :— I have not given it ). But it is issued by the Forest Department. There are certain categories of people who will do all things possible under them and they will say that they have done it for their masters. I do not know whether the gentleman has any connection with the Chief Minister who is in-charge of Forest or the Minister of State Mr. Rajkhowa. But he said that he has to please his masters. So Sir, it is good that the officers are also included with. in the parniewb of this Bill. But if you see page 9 of the Bill you will find that the involvement of the officers is slightly doubdiful. In Section 7 (1) (iii) it is stated" any other public servant being public servant of a class or sub-class of public servants notified by the State Government in consultation with the Lokayukta, in this behalf" That means the ranks and class of officers to be included under this enquiry is subject

to the decision of the Lokayukta and if this section which is co-related with section 2 (h) where in it is said " "officer" means a person appointed to a public service or post in connection with the affairs of the State of Assam". It seems to be an all embracing defination. While we refer to sub-section 6 of Sec. 8 it seem that the provision is not very clear. There for, Sir, I hope that the rules to be framed under the Act shall be done in a way removing all these ambiguity. I do not want to lengthen my speech on this issue, but what I want to say is, this bill is very necessary for us, to protect ourselves, and also to protect the responsibility that we all entrusted to perform for the welfare of the State. There-fore, from our side we support the Bill and hope that the House will unanimously adopt it.

*শ্ৰীচন্দ্ৰধৰ কলিতা :-- উপাধ্যক্ষ মহোদয়, লোকায়ুক্ত বিলখন আনিছে এইটো দুৰ্নীতিৰ বিৰুদ্ধে ডাঙৰ পদক্ষেপ। দুৰ্নীতিৰ কাৰণে অসমৰ ৰাইজক বা ভাৰতৰ ৰাইজক সজাগ কৰি দিয়াৰ কোনো প্ৰয়োজন নাই। কিয়নো বাস্তৱ জীৱনত সকলোৱেই ভুক্তভোগী। এতিয়া কথা হ'ল এই বিলখনত দুৰ্নীতিৰ বিৰুদ্ধে পদক্ষেপ লোৱা হৈছে। আমাৰ অসমীয়াত এটা কথা আছে পচা মাছক শাকেৰে ঢাকনি দিয়া। আমি সকলোৱে দুৰ্নীতিৰ ফাক বিলাক বুজিব পাৰিছো। কেৱল এই বিলখন আনি সেই ফাক বিলাকৰ ঢাকনি কৰিব বিচৰা হৈছে। গতিকে পুংখানুপুংখৰূপে এই

* Speech not corrected

বিল খন আলোচনাৰ পিছত পাচ হব তাত আপত্তি নাই। কিন্তু নামটোহে শুৱলা হল কাম বিলাক শুৱলা হয় নে নহয় সেইটোও চাবলগীয়া কথা। কিন্তু যদি ৰেহাইৰ ব্যৱস্থা শাসক দলৰ বা চৰকাৰৰ ইচ্ছা মতে কৰিবলগীয়া হয় তেন্তিয়াহলে বৰ ডাঙৰ দুৰ্ভাগ্যৰ কথা হব। আমি এই বিলৰ মাজত তেনে ধৰণৰ কথাই দেখিবলৈ পাইছো। সকলোৰে বিৰুদ্ধে গোচৰ আনিব পৰাকৈ এই বিলখন এটা ফৰাম কৰা হৈছে কিন্তু মুখ্য-মন্ত্ৰীক ইয়াৰ পৰা বাদ দিয়া বা ৰেহাই দিয়াৰ কথা উঠিছে। কিন্তু আমি ভাবো ইয়াত সকলো বিলাক ইনভল্ভ হব লাগে। ইয়াত কাৰো ৰেহাইৰ কথা থাকিব নালাগে। মাননীয় বিৰোধী দলৰ দলপতিয়ে ইতিমধ্যে এই বিষয়ত কৈছেই। মহকুমা পৰিষদৰ চি-ই-চি আদিৰ ৰেহাই দিয়াৰ কথা কৈছে।

(ভইচঃ নহয় বাদ দিয়াৰ কথা কোৱা নাই)

হয়। বাদ দিব নালাগেবুলিয়েই কৈছে। ৰেহাই দিয়াৰ ক্ষেত্ৰত কোনো ক্লাচ ৰাখিব নালাগে। Expunged under orders from the Union.

Mr. Deputy Speaker— The attention of the hon. member is drawn to rule 279A of the Rules of Procedure and Conduct of Business in the Assan Legislative Assembly which runs "No allegation of a defamatory or incriminatory nature shall be made by a member against any person unless the member has given previous intimation to the Speaker and also to the Minister concerned so that the Minister may be able to make an investigation into the matter for the purpose of a reply":

So under this rule, the hon. member cannot speak all these things. He should speak only on the Bill.

( many hon.members rose to speak )

শ্ৰীচন্দ্ৰধৰ কলিতা :— মই বিল সম্পৰ্কে কবলৈ ঠিয় হৈছো কিয়নো দূৰ্নীতি ৰোধ কৰাৰ কাৰণে বিলখন অনা হৈছে। কিন্তু দূৰ্নীতি কেনে প্ৰকাৰে হৈছে সেইটো চাবলগীয় হৈছে। সেইকাৰণে মই বিলখনৰ কথা আনিছো।

Mr. Deputy Speaker :— Order, Order, I have already expunged a 11 these things and that portion will not be recorded. Now; as per Rule 279 (a) Hon'ble Member Shri Kalita will confine his speech only on the bill and nothing else.

শ্ৰীসাধন ৰঞ্জন চৰকাৰ (মন্ত্ৰী) :— দূৰ্নীতি প্ৰিভেনচনৰ কাৰণে অনাহৈছে।

No, sir, this is not the things. For prevention of corruption this bill is introduced.

শ্ৰীচন্দ্ৰধৰ কলিতা :— লোকাযুক্ত বিলৰ নামত কিছুমান সুৰুঙা আৰু ঠগ প্ৰৱঞ্চনা কৰাৰ কাৰণেহে এই বিলখনৰ সংশোধন আনিব বিচাৰিছো। গতিকে মই পৰামৰ্শ আগবঢ়াইছো যে এই নেচাৰত বিলখন পাছ হব নালাগে ইয়াৰ আৰু মোডিফিকেচন হব লাগে। যিবিলাক ইয়াত ৰেহাই দিয়াৰ কথা কৈছে সেইবিলাক নাকচ কৰি বিলখনৰ সংশোধন আনি পাচ কৰিব লাগে।

* শ্ৰীৰমেশ ফুকন :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে আজি যি খন বিল আনিছে সেই সম্পৰ্কত মই কও যে আজি বিধান-সভাৰ এই দিনটো এটা সোণালী দিন বুলি কব পাৰি। এই লোকা-যুক্ত বিলখন উৎথাপিত হৈছে আৰু বিৰোধীদলৰ সদস্যসকলেও তাক সমৰ্থন কৰিছে। কিন্তু মাননীয় সদস্য কলিতা ডাঙৰীয়াই কবলৈ যাওতে খেলি-মেলি কৰি স্বেচ্চাচাৰী বুলি কবলৈ বিচাৰিছে। আজি আমি শাসনত আছো, কাইলৈ হয়তো তেওঁও শাসনত বহিব পাৰে। তেতিয়াও এই বিলখনেই তেওঁৰে বিৰুদ্ধে অভিযোগ আহিলে ব্যৱহৃত হব। এই বিলখন অনাৰ জৰিয়তে এইটো স্বীকৃতি হোৱা নাই যে সকলো বিধায়কে দূৰ্নীতি কৰিছে। সেইটো কথা নহয়। সমাজত কিছুদিন ধৰি কিছুমান জনৰৱ উঠি আছে যে এইখন চৰকাৰ ৬ মাহৰ ভিতৰতেই ভাঙিব কিন্তু চুপ্ৰিম কোৰ্টে ৰায় দিয়াৰ পিচত এইটো প্ৰকাশিত নহ'ল। আজি অসমৰ চুকে কোণে এই চৰকাৰে দূৰ্নীতি কৰিছে বুলি অভিযোগ উত্থাপন কৰাৰ চেষ্টা চলি আছে। বিধান আজি চৰকাৰে লোকাযুক্ত বিলখন নিজেই উত্থাপিত কৰিছে। অকল বিধায়কৰ কাৰণেই নহয় ইযাত একেবাৰে তলৰ পৰা ওপৰলৈকে নন অফিচিয়েল ইত্যাদি সকলোকে সামৰি লোৱা হৈছে। বিধান সভাৰ বিধায়কৰ পৰা আৰম্ভ কৰি গাওঁ পঞ্চায়ত সদস্য, গাওঁ সভাৰ সভাপতি আদি যদি কোনোবাই দূৰ্নীতি কৰে তাৰ কাৰণে এই আইন খনৰ দ্বাৰা প্ৰমানিত হয় তেতিয়াহলে নিশ্চয় শাস্তি পোৱাৰ ব্যৱস্থা আছে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কৈছে যে কোনো কোনো বিধায়কে দূৰ্নীতি কৰাৰ কাৰণে পুলিচৰ সহায় নোহোৱাকৈ ৰাইজৰ ওচৰলৈ যাব নোৱাৰে অৱশ্যে দুই এজনৰ ক্ষেত্ৰত হব পাৰে কিন্তু বেচিভাগ বিধায়কেই পুলিচৰ এচকোট্ৰ নোহোৱাকৈ ৰাইজৰ ওচৰলৈ গৈছে, গাওঁলৈ গৈছে, সমষ্টিতৈ গৈছে আৰু ৰাইজৰ অভাৱ অভিযোগ,

* Speech not Corrected

সমস্যা আদিৰ বুজ লবলৈ গৈছে আৰু সেই কাৰণেই তেওঁলোকক গামোচা দিছে, ফুলৰ মালা পিন্ধাইছে আনকি গামোচা থবলৈ ঠাই নাইকীয়া হৈছে। যদি ৰাইজৰ সমস্যাৰ কথা বুজ লবলৈ নগলোহেতেন আৰু দুৰ্নীতিযুক্ত হলহেতেন তেতিয়াহলে ৰাইজে এনেদৰে সন্মান নকৰিলেহেতেন। অৱেশ্যে ভাৰতবৰ্ষত কোটিল্যৰ অৰ্থ শাস্ত্ৰৰ দিনৰ পৰা যে দুৰ্নীতি চলি আছিল সেইটো প্ৰমাণিত হৈছে কিয়নো আমি পাঠশালাত পঢ়োতেই অঙ্ক শিকিছিলো - এসেৰ গাখীৰত কিমান পানী মিহলালে কিমান লাভ হব ? এইবিলাক কথা আতৰ কৰিবৰ কাৰণে যি সকলে দায়িত্ব লৈছে বিধান সভাৰ সদস্য হিচাবে, মন্ত্ৰী হিচাবে আৰু এই দায়িত্ব পালনত যদি দূৰ্নীতি প্ৰশ্ৰয় দিয়া হয় তেতিয়াহলে সকলোৱে শাস্তি পাব আৰু সেইকাৰণেই এই লোকায়ুক্ত বিলখন উথাপন কৰাহৈছে। মই আশা ৰাখিছো এইবিলখন পাছ হোৱাৰ পাচত যেতিয়া আয়ুক্ত নিযুক্তি হব মাননীয় সদস্য কলিতা ডাঙৰীয়াই যিবিলাক কাগজপত্ৰ লৈ ইয়াত অভিযোগ উথাপন কৰিছে সেইবিলাক যেন লোকায়ুক্তৰ আগত দাখিল কৰাৰ ক্ষেত্ৰত পিচ হুহুকি নেযায়। মাননীয় মুখ্যমন্ত্ৰী এই বিলখনৰ পৰিসীমাৰ বাহিৰত। আৰু অন্যান্ন ৰাজ্যতো কিছুমান ঠাইত একেই নিয়ম। এইখিনিকে কৈ আজি যিখন লোকায়ুক্ত বিল সদনত উথাপন কৰাহৈছে সেইখন সৰ্ব্বন্তাকাৰণে সমৰ্থন কৰিছো আৰু আশা ৰাখিছো অসম বিধান সভাৰ আজিৰ দিনটো সোনালী আখৰেৰে লিখা থাকিব।

শ্ৰীপূৰ্ণ বড়ো :— এই বিলখনৰ সংক্ৰান্তত মই কেইটামান কথা উল্লেখ কৰিব বিছাৰিছো। দূৰ্নীতি সমাজত ব্যাধি হিচাবে দেখা দিছে। এইকথা আমি জানো যে আচলতে ধনতান্ত্ৰিক ব্যৱস্থাৰ ফলত এইটো উদ্ভৱ হৈছে। আজি যি সকল ব্যক্তিয়ে সমাজত বসবাস কৰিছে সেই সকল ব্যক্তিয়ে নিজৰ জীৱন নিৰ্ব্বাহৰ কথা চিন্ত কৰি, ভবিষ্যতৰ

কথা চিন্তা কৰি আৰু তেওঁলোকৰ লৰাছোৱালী বিলাকৰ কথা ভাবি দূৰ্নীতিৰ আশ্ৰয় লৈছে। কিন্তু এইটো ঠিক আজি যিসকল বিষয়া বা কৰ্ম্মচাৰী আছে তেওঁলোকে যি দৰমহা পায় তাৰেই পৰিয়ালটো চলি যায়। নিত্য ব্যৱহাৰ্য্য বস্তুৰ দাম বঢ়া স্বত্বেও তেওঁলোক কোনো প্ৰকাৰে পৰিয়ালটো চলাই নিব পাৰে কিন্তু লৰাছোৱালীয়ে ভবিষ্যতে ফলত সুখ স্বচ্চন্দৰে চলিব পাৰে তাৰে চিন্তা কৰি দূৰ্নীতিৰ আশ্ৰয় লৈছে আৰু নিজৰ উপাৰ্জনতকৈ বহুত বেচি ধন কালি দূৰ্নীতি কৰি আছে। বিভিন্ন বিভাগত বিষয়া সকলক দায়িত্ব দিয়াহৈছে যাতে আজি কাৰ্য্যকৰী কৰোতে ঠিকমতে ধন খৰচ কৰে। কিন্তু উদাহৰণ স্বৰূপে ভূমি সংৰক্ষণৰ আচনিৰ ক্ষেত্ৰত দূৰ্নীতিপূৰ্ণ কাৰ্য্য দেখা গৈছে। ৰঙিয়া সমষ্টিৰ কেকোহাতীত ভূমি সংৰক্ষণৰ আচনি লোৱাহৈছিল। তাত ৪৫ হাজাৰ টকা খৰচ কৰাৰ ইউটিলাইজেচন চাৰ্টিফিকেট দাখিল কৰিছে কিন্তু প্ৰকৃততে হাজাৰ টকাৰো কাম হোৱা নাই। এইবিষয়ে প্ৰশ্ন উত্তৰ অহা নাই যেনে উত্তৰ দিয়াতো কঠিন হৈছে। বিভন্নি বিভাগে এইদৰে মিচ এপ্ৰোপ্ৰিয়েচন কৰি আছে। এইবিলাক দূৰ্নীতি নহয়নেকি ? আমি খবৰ পোৱামতে পশ্চিমাঙ্গৰ নামত ২৩ জন কৰ্ম্মীয়ে কাম কৰিছিল কিন্তু ২৩ জনৰ ঠাইত ৯০ জন মানুহ হিচাবত দেখুৱাইছে। এই বননীকৰণ কৰা হৈছিল চন্দমাৰী সমাজিক বনানীকৰণ আচিন ! এই কথাবিলাক যি কেইজন মানুহ কাম কৰিছে তেওঁলোকক সুধিলেহে ওলাব। তেওঁলোকৰ নাম হ'ল শ্ৰীযতিন দাস, বি, কলিতা, জিতেন দাস, সূৰ্য্যকান্ত দাস আদি ২৩ জন লোক।

শ্ৰীদীননাথ ৰাজখোৱা ( ৰাঃ মন্ত্ৰী ) :— এই সংক্ৰান্তত মুখ্যমন্ত্ৰী মহোদয় আৰু মই নিজেও আগতেই কৈ গৈছো যে এই বিষয়ে এটা তদন্ত কৰা হব কিন্তু আকৌ এই বিষয়টো কিয় আনাহৈছে মই কব পৰা নাই।

শ্ৰীপূৰ্ণ বড়ো :-- এইটো জোৰদাৰ কৰাৰ কাৰণেহে পুনৰ কোৱা হৈছে।

Shri Golak Rajbanshi, ( Minister ) :— A certain procedure has to be followed in this House. Rule 73 of the Rules of procedure and Conduct of Bisiness in Assam Legislative Assembly says-" On the day on which any such motion is made, or on any subsequent day to which the discussion is postponed, the principle of the Bill and its provisions may be biscussed generally but the details of the Bill shall not be discussed further than is necessary to explain its principle." There should, therefore, be a general discussion only.

শ্ৰীপূৰ্ণ বড়ো :— লোকায়ুক্ত বিলখন পাচ কৰাৰ পাচত এই বিষয়ে তদন্ত কৰা সম্ভব নহব। গতিকে বিষয়টো এতিয়াই তদন্ত কৰি ইয়াৰ তদন্ত শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইখিনি কৈ মই বিলখন সমৰ্থন কৰিছো।

Ma Deputy Speaker :— It is 12. 30 p. m. now. The House is adjourned till 2. 30, p. m.

( The House re-assembled after lunch at 2: 30. PM with Hen' ble Mr Speaker in the Chair )

শ্ৰীমথুৰা ডেকা :— প্ৰথমে প্ৰথমে মই লোকপাল বিলখন আনোতে এটা কথা মনত পৰিছে যে আজি অকল সভা সমিতি পাতিয়ে দূৰ্নীতি নিবাৰণৰ প্ৰস্তাৱ লোৱা নাই আজি বিধান সভাতো দূৰ্নীতি নিবাৰণৰ

প্ৰস্তাৱ ললেহি কিন্তু এই দুৰ্নীতি ক্ৰমান্বয়ে বাঢ়িহে যায়। ইয়াৰ আগতে বহুবাৰ দুৰ্নীতিৰ বিষয়ে আলোচনা হৈছিল অৰু দুই এজন মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছিল কিন্তু সেইবিলাক একো ব্যৱস্থা নহল। প্ৰথমতে বিলখনত এটা কেৰোণ দেখা গৈছে যে বিলখনত বিৰোধীদলৰ দলপতিয়ে ভাগ লব। আমাৰ দলপতি নাই গতিকে আপুনি যাকে ভাল পায় তাকেই লব। গতিকে প্ৰথমতেই দুৰ্নীতি সোমাল। তাৰ পাচত চাওক পাঠশালাত পঢ়িছিলো আৰু লিখিছিলো সদায় সচা কথা কবা কিন্তু আপুনিয়েই কওকচোন দিনটোত কেইবাৰ সচা কথা কয়। আজিৰ দিনত সচা কৈ জীয়াই থকাটো টান হৈ পৰিছে। মিছা কবই লাগিব। এতিয়া দায়টো লাগিল বিধায়ক সকলৰ গাত। সকলো বিধায়কে যে দুৰ্নীতি কৰিছে এইটো মানি লবলৈ মই টান পাইছো। এতিয়া বহু বিধায়কৰ ওপৰত আৰু নামত ৰাম টাঙোন পৰিছে। কিন্তু মই কব খোজো সকলো বিধায়কেই দুৰ্নীতি কৰা নাই কৰবাত দুই এজন থাকিব পাৰে। এতিয়া বিলখন অনাহৈছে দুৰ্নীতি বন্ধ কৰাৰ কাৰণে এই বিল-খনৰ দ্বাৰা কিমানবোৰ কাম হব সেই বিষয়ে মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াৰ সংশোধন আনিছে। কিন্তু আমি ৭ জনে প্ৰস্তাৱ দিলে জানো এইটো গ্ৰহণযোগ্য হব। আমি জানো কিবা প্ৰস্তাৱ দিলে গ্ৰহণ কৰিব। ভাল পৰামৰ্শ দিলে নিশ্চয় মানি লম। এই বিলখনত আসোঁৱা আছে। প্ৰধান কথা হৈছে আমি অভিযোগ দিম আৰু সেইটো কিমান দিনৰ ভিতৰত নিষ্পত্তি হব তাৰ এটা সীমা আৰু নিয়ন্ত্ৰণ থাকিব লাগে। তাৰ পাছত আৰু এটা কথা হৈছে সেইটো হ'ল কোৰ্টত কেচ পৰি থাকিলে সেই কেছ বা মকৰ্দমাৰ বিষয়ে একো আলোচনা কৰিব নোৱাৰি, কলেও আকৌ ব্ৰিচচ্ আৱ প্ৰিভিলেজ ইত্যাদি কথা আহি পৰে। তেনে-কুৱা কিছুমান কথাই আহিব, গতিকে আজি মীমাংসা হোৱাটো দৰকাৰ —কিমান দিনৰ ভিতৰত কেচ বিলাক নিষ্পত্তি হব সেইটো চাব লাগে।

অধ্যক্ষ মহোদয়, এই যুগত এটা প্ৰতিযোগিতা চলিছে। ডেকা লৰাই দৌৰাত প্ৰতিযোগিতা কৰে, ভাল লৰাই প্ৰথম হবৰ কাৰণে প্ৰতি-যোগিতা কৰে। আপোনাৰ আমাৰ মাজত ধন ঘটাৰ প্ৰতিযোগিতা চলিছে। বিল্ডিং বন্ধাৰ প্ৰতিযোগিতা চলিছে। এই প্ৰতিযোগিতাৰ কাৰণে দূৰ্নীতি হৈছে। গাৱঁৰ পৰা লোক দৌৰি আহিছে চহৰলৈ। চহৰত প্ৰথমতে কিবা এটা কৰি থাকে। তাৰ পিচত লাহ বিলাহ বাঢ়ি যায়। পৰ্দা চুচেট কিনা আৰম্ভ হয়। এইটো আপোনাৰ সৃষ্টি। এচেম্বেলী হোষ্টেলৰ চক্ষা দিছে, লুকিং গ্লাছ দিছে, ড্ৰেচিং টেবুল দিছে। ঘৰলৈ গলে আমাকো লাগে। কি কৰিম? পৰিবাৰক সন্তোষ্টি কৰিব লাগিলে কিবা এটা কৰিব লাগিবে কিবা কৰিব লাগিব। চহৰৰ আদব কায়দা পৰিবৰ্ত্তন হৈছে। এখন মটৰ লোৱাৰ পিছত দুখন মটৰ লোৱাৰ কথা ভাবিছে, যি এডোখৰ মাটি লৈছে, তেওঁ দুডোখৰ মাটি লোৱাৰ কথা ভাবিছে। তেনেকৈ দুইতলা ঘৰ বন্ধাৰ প্ৰতিযোগিত চলিছে। এই প্ৰতিযোগিতাত যিসকলে যোগ দিব পৰা নাই, সেইসকল শেষ হৈ গৈছে। সেই সৰ্ব্বহাৰৰ কাৰণে আন্দোলন হব ধৰিছে। এই দূৰ্নীতি নিবাৰণ কৰাৰ কাৰণে চেষ্টা কৰিলেও নহব। আমাৰ এনেকুৱা বহুত আইন আছে। পণ্ডিত জৱাহৰ লাল নেহেৰুৱে কৈছিল যে যিবিলাক দূৰ্নীতিপৰায়ণ লোক, সেইবিলাকক লাইটৰ পোষ্টত গুলী কৰি মাৰিব। কেইজনক গুলী কৰি মাৰিলে? আজি দূৰ্নীতি কমক চাৰি বাঢ়িহে গৈছে। এই বিলখনে দূৰ্নীতিৰ সুযোগ দিব। গাওঁ পঞ্চায়ত সভাপতিৰ ওপৰত সমবায়ৰ চেক্ৰেটাৰীৰ ওপৰত, এম, এল, এৰ ওপৰত কেচ হব। নেভাবিব কোনোৱা বাচিব পাৰিব। সকলোৰে ওপৰত আপিল হব,। কেচ হব। পাচ হাজাৰ টকাৰ জৰিমনা আৰু ছয়মাহৰ জেল এইটো উঠাই দিয়ক। কিবা কাজিয়া লাগিলেই তেওঁৰ বিৰুদ্ধে কেচ দিব। কেছটো প্ৰমাণ কৰোতে বহুত কথাই আহিব। সেই কাৰণে এই বিল-খনৰ সংশোধন বিচাৰিছো। জৰিমনা আৰু জেলৰ কথাটো উঠাই দিয়ক

হাকিমৰ ওচৰত যাব লাগিব আৰু অমুকৰ ওপৰত কেচ দিছো বুলি এফিদেফিট দিব লাগিব। তিনিটা কপি কৰিব লাগিব। উক্ত কেচ কিমান চলিব তাৰ সীমা থাকিব লাগে। উকীলৰ ওচৰলৈ আহিলে কেচ কোনো দিনেই নিস্পত্তি নহব। হাইকোৰ্ট লৰাৰ কোৰ্টত বছৰৰ পিছত বছৰ ধৰি কেচ পৰি থাকিব। গতিকে সীমা নিৰ্দ্ধাৰণ কৰিব লাগিব যে ইমান দিনৰ ভিতৰত কেচ শেষ হব লাগিব। জেল, জৰিমনাৰ কথাটো উঠাই দিলে বৰ সুন্দৰ হব। শ্ৰীহেমেন দাসে কথাটো ঠিকেই কৈছে। আজি গাৱে ভুঞে প্ৰচাৰ চলিছে যে চাকিৰত কিমান টকা খৰছ কৰিলে। তেতিয়া কয় কিবা এটা দিছো। এক পইচা চাকৰিত নভৰা জনেও কয় কিবা কিবি কৰিছো। বিধান সভাত ফৰেষ্টৰ ডি, এফ, অৰ বিষয়ে বহু কথা কৈছো। আকৌ এই ডি, এফ, অই আৰ, এল ই, জি, প্ৰি আৰু এন, আৰ, ই, পি ৰাস্তাত শিল দিয়াৰ ঠিকাৰ কাম লৈছে। যিবিলাক দিছে, সেইবিলাৰ ৰখাই থৈছো।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা অৱশ্যে আজি প্ৰশ্নটো নাহিলে সেইটো হৈছে আমাৰ কুৰিদফিয়া মন্ত্ৰীৰ গ্ৰাম্য উন্নয়নৰ বিষয়ে। "কমলপুৰ চক্ৰৰ বৰদৈ পথীয়াৰ পৰা বৰডেকা পাৰ হৈ দিগুন পাৰলৈ বন্ধা এন, আৰ, ই, পি আঁচনিৰ ১৯৮১-৮২ চনৰ আলিবাটৰ টকা সম্পূৰ্ণ শ্ৰমিক সকলে পাইছেনে? যদি পাইছে কেতিয়া পাইছে আৰু কিমান টকা পাইছে জনাবনে? যদি পোৱা নাই উত্তৰ কামৰূপ সংমণ্ডৰ কাৰ্য্যবাহী অভিযন্তাই জি, এচ, ৮।১৫৯, টিএ।৮৩২৫।৫।৮৪ কেনেকৈ পৰিশোধ কৰা প্ৰমাণ পত্ৰ দাখিল কৰিছে? এইটো হল কথা। মই দি, আৰ, দি, এ অফিচৰ পৰা এই নংটো আনিছো। তাঁৰ এক্সিকিউটিভ ইঞ্জিনীয়াৰে চাৰ্টিফিকেট দিছে। অথচ এতিয়াও ১১ হাজাৰ টকা আদায় হোৱা নাই। এই বাবেই শ্ৰমিক-সকলে আপত্তি কৰি আছে। যদি টকা পোৱা নাই এই টকা কেনেকৈ

চার্টিফিকেট দিছে। এইবিলাক কথা চলিয়েই আছে । এইবিলাক যদি লগে লগে বিভাগে বিচাৰ কৰে তেতিয়া আমাৰ এই লোকায়ুক্ত বিল আনি লোকায়ুক্ত পতাৰ কোনো কথা নাছিল। আজি আমি লোকায়ুক্ত পাতিম আৰু অফিচাৰৰ সৃষ্টি কৰিম। বুঢ়া মানুহক চাকৰি দিছে। সেই সকলৰ ভিতৰত আমাৰ ওমৰুদ্দিন চাহাব অথবা আমাৰ উপেন্দ্ৰ দাসো হব পাৰে। কাৰণ ৬০ বছৰৰ ওপৰ হব লাগিব। আমাৰ মাজৰ পৰা গ'লে ভাল হয়। যাতে আমাৰো কিবা বিচাৰ থাকিলে তেখেতসকলে চাব পাৰে। আমাৰ এটা অফিচ হব তাত লোকআয়ুক্ত থাকিব, উপ লোক আয়ুক্ত থাকিব আৰু কেৰাণী, মহৰি বহুতো থাকিব, আৰু আমাৰ এটা ৰাজহৰ অংশ যাব। আমাৰ ৰাজ্যৰ পৰা দুৰ্নীতি নিবাৰণ কৰিব। আগতেও আমাৰ দুৰ্নীতি নিবাৰণ কৰাৰ এটা বিভাগ আছিল। সেইটো হৈছে। এন্টি কৰাপচন বিভাগ। কিন্তু দেখা যায় যে তাৰ মানুহবিলাকেই বেছি কৰাপটেড্। আজি আমাৰ চৰকাৰে মদ নিবাৰণী অভিযান চলাইলে। এই অভিযানত যি সকল ব্যক্তিয়ে প্ৰচাৰ চলাই সেই সকলেই মদ বেছি ব্যৱসায় কৰে। কেইবছৰমান আগতে যিজন সভাপতি আছিল তেওঁকেই মদৰ বটল লাগে। আজি মদ নিবাৰণী অভিযানৰ সভাপতিয়ে মদ নহলে চলিব নোৱাৰে, এক্সসাইজ বিভাগৰ মানুহ মদ নহলে চলিব নোৱাৰে তেনেহলে কেনেকৈ মদ নিবাৰণী কৰিব ? সেইদৰেই এক্টিকৰোপচনৰ বিভাগৰ ওপৰতো বিশ্বাস কমি গৈছে। তেওঁলোকৰ প্ৰতি সদভাৱ নাইকীয়া হৈছে। তেওঁ-লোকৰ প্ৰত্যেকেই ভাবে যে, তেওঁলোক এজনতকৈ আনজন বেচি চয়তান সেই কাৰণেই আমি এটা কথা কওঁ যে আমি আগতে শিক্ষক সকলৰ গুৰু বুলি কৈছিলো। তেওঁলোকৰ এটা সন্মান আছে। আৰু এই শিক্ষক সকলৰ বিৰোদ্ধেই এটা অভিযান চলোৱা হৈছে যে তেওঁলোক স্কুললৈ নাযায়। এনেয়ে দৰমহা খাই বহি থাকে। ইমান দিনে শিক্ষক সকলক গুৰু বুলি কোৱা হৈছিল আৰু ইলেকচনৰ সময়ত শিক্ষক সকলৰ প্ৰকৃত

শিক্ষক বুলি কোৱা হৈছে। সেইদৰে মাতৃ সকলক লৈ আমি গৰ্ব কৰো তেওঁলোকক লৈ গল্প, উপন্যাস ৰচনা কৰো। মাতৃ সকল পৱিত্ৰ তেওঁ-লোক দেৱীৰ নিচিনা বুলি কোৱা হয় সেইদৰে অৱশ্যে সকলো মাতৃ নহয়। তেওঁতো এই সকলো গুণ থাকিব লাগিব। এই কথা এই বিল-খনৰ সংক্ৰান্ততহে কোৱা হৈছে। যদি লোক আয়ুক্তৰ অফিচৰ মানুহে টকা খায়? যি কাৰণত আজি এই ব্যৱস্থা বিলাক চলি আছে। আজি বহুতো মানুহৰ ঘৰ বাৰী জীৱিকা আদি নাই। 'মোক টকা দিব মই চাকৰি যোগাৰ কৰি দিম সেইবিলাক মানুহে তেনেকৈয়ে চলি আছে কোনো এজন চাকৰি পালে আনে সোধে কিমান দিলা? চাকৰি পোৱা জনে উত্তৰ দি কয় কিবা কিবি দিলো। মন্ত্ৰী এম, এল, এয়ে টকা পাইছেনে নাই সেইটো প্ৰশ্নত নাহে। এইদৰেই আজি ৪২০ ধাৰাত দালাল বিলাকে কাম কৰি আছে। আজিৰ লৰাক চাকৰী লাগে। পিন্ধিবলৈ জোটা, লংপেণ্ট লাগে আৰু চকুত এজোৰা গাগল্‌চ লাগে। যদি আমি আমাৰ লৰা বিলাকক চাকৰি বাকৰি আদি দিব পাৰিলোহেতেন তেতিয়াহলে এইবিলাক কথা নাহিল হয়।

অধ্যক্ষ মহোদয়, আমাৰ লোক আয়ুক্ত বিল গ্ৰহন কৰিব গতিকে কবক। কিন্তু ইয়াৰ ওপৰত নিৰ্ভৰ কৰি চলিব নোৱাৰে কাৰণ ইয়াৰ ওপৰত নিৰ্ভৰ কৰি চলিলে আমাৰ হেমেন দাসৰ দৰে তুটা কেচ হব। আমি কেনে ধৰণে পৰিস্কাৰ হব পাৰো তাৰ চেষ্টা কৰিব লাগে। মুখ্য-মন্ত্ৰী মহোদয়কো কওঁ যে, আমাৰ বাতৰি কাকত বিলাক হাত কৰিব পাৰিলে তেওঁলোকে সুন্দৰ ভাবে প্ৰচাৰ কৰিব চৰকাৰ নিখুট বুলি। আজি যদি কথাবিলাক ওলটাকৈ কোৱা হয় যে, আমাৰ বিধায়কৰ দৰে ভাল মানুহ নাই তেতিয়া আমাৰ গাৱৰ ৰাইজেও এইটো কথা মানি লব এটি সত্য কাহিনী কও শুনক এজন কংগ্ৰেছ দলৰ লোকক চাচপেন্দ

কৰিছিল কংগ্ৰেছীলোক জনে এজন সংবাদ দাতাক লগ ধৰিলে আৰু ৰেষ্টুৰাণথনত সোমাই মদ খাবলৈ ললে তাৰ পিচতে হে এটি নোটৰ বান্দিল দিলে। পিচদিনা কংগ্ৰেছ কৰ্মী জনৰ নিনয়িত হুকুম প্ৰত্যাহাৰ কৰা বুলি বাতৰিত প্ৰকাশ হল। মানুহজনে আকৌ অনাটাৰ কেন্দ্ৰৰ মানুহকো লন্তিলে। তেওঁ আগতে বাতৰি নুশুনে সেইদিনা এই কথা বাতৰি কাকতত ও ওলোৱাৰ পিচত তেওঁ ৰেডিঅৰ বাতৰিৰ বাবে অপেক্ষা কৰি আছিল। পিচত তেওঁৰ নামটো শুনিলে যে, তেওঁৰ ওপৰত যিটো নিলম্বিত কৰণৰ আদেশ আছিল সেইটো উঠাই লোৱা হৈছে। তেওঁ টকা দিছে। এইটো মই নিজেজনা ঘটনা। ইমান হাজাৰ টকা খৰচ কৰিছে বুলি তেওঁ নিজেও স্বীকাৰ কৰিছে। গতিকে দেখা যায় যে, এই কাগজ বিলাকো দুৰ্নীতি মুক্ত নহয়। গতিকে মই মুখ্যমন্ত্ৰীকো কৈছো যে, বাতৰি কাকত বিলাক হাতলৈ আনি তোষামোদ কৰক আৰু লগে লগে এদ্ভাৰটাইজমেণ্ট কৰক যে অসম বিধান সভা নিখুট আৰু স্বৰ্গলৈ যোৱাৰ সোণৰ জখলা আৰম্ভ কৰিছে। এইবিলাক লিখিলে হৈ যাব।

অধ্যক্ষ মহোদয়, কুৰুক্ষেত্ৰৰ যুদ্ধ এটা কথাৰ কাৰণেই শেষ হল। অশ্বথামা পাণ্ডৱ স্কুলত থকাত পাণ্ডৱ পক্ষ হতাশ হল। শ্ৰীকৃষ্ণই পাণ্ডৱ কুলত আহি এওলোক হতাশ হৈ পৰাত শ্ৰীকৃষ্ণই সকলো বুজিলে। এই টোও বুজিলে অশ্বথামা যদি সেনাপতি থাকে তেনেহলে যুদ্ধত জয় হোৱা টান। তেতিয়া শ্ৰীকৃষ্ণ বুদ্ধি সাজি কৌৰৱৰ ৰাজসভাত গৈ উপস্থিত হ'ল। শ্ৰীকৃষ্ণ কৌৰৱৰ ৰাজসভাত উপস্থিত হলত কৌৰৱ ৰাজে সম্ভাষণ জনাই আগমনৰ উদ্দেশ্য সুধিলে শ্ৰীকৃষ্ণই নানা পতন্তৰে বুজাবলৈ লাগিল। এবাৰ এবাৰ কৈ ৰাজসভাত তিনিবাৰে পটন্তৰৰ সহকাৰে কৈ গল মহাৰাজ ধানতে কণ থাকে, পতানত নেথাকে। গতিকে যুদ্ধ পৰিহাৰ কৰক। কোনো সময়তে কৌৰৱ কুল, সন্ততি নাই কলে আমি যুদ্ধ কৰিমেই। শ্ৰীকৃষ্ণক

ৰাজসভাত পৰা বাহিৰলৈ ওলাই আহিল বিদায় লৈ। লগতে ৰাজসভাৰ পৰা বৰণ্য সেনাপতি অশ্বথামাক বাহিৰলৈ মাটি লৈ আহিল। কৌৰৱ পাণ্ডৱৰ যুদ্ধৰ পৰিণতি, কি হব এই বিষয়ে শ্ৰীকৃষ্ণই অশ্বথামাক বুজাই ধানতে কণ থাকে পতানত নেথাকে। এনেভাৱে ৰাজসভাত কোৱাৰ দৰে তিনিবাৰ কৈ অশ্বথামাক বুজালে ধানত হে কণ থাকে পতানত কণ নাথাকে এই কথাটো শ্ৰীকৃষ্ণই তিনিবাৰ ছুৰ্য্যোধনৰ সভাত কৈছিল। শ্ৰীকৃষ্ণই অশ্বথামাক বাহিৰলৈ মাতি আনিও তাকেই তিনিবাৰ কলে। পিচত অশ্বথামাক সভাত গৈ উপস্থিত হোৱাত সুধিলত কলে যে তেওঁক শ্ৰীকৃষ্ণই—ধানতে হে কন থাকে পতানত নাথাকে এই বুলি কৈছে। এতিয়া আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে তেখেতৰ বক্তৃতাত কিবা ভালকৈয়ে কব কাৰণ তেখেতে স্থিৰ ভাৱে লিখি আছে। এই দুৰ্নীতি বহু দিনৰ পৰাই চলি আছে। হিন্দু ধৰ্ম আৰম্ভ হোৱৰ পৰাই দুৰ্নীতি আৰম্ভ হৈছে। গতিকে এই দুৰ্নীতি নিবাৰণ কৰিবলৈ যোৱাটো সহজ কথা নহয়, সেয়ে মাহে ১০ হেজাৰ টকা খৰচ কৰাতকৈ সেই টকাৰে ২০ জন লৰাক চাকৰি দিয়াৰ কথা চিন্তা কৰক।

এতিয়া আমাৰ মূল কথা হল, দুৰ্নীতি কৰোঁতে যি টকা দিয়া হয় সেই টকা কোনো সাক্ষী—বাদী লৈ নিদিয়ে। এসময়ত নোটৰ চহী কৰি দিয়াৰ নিয়ম আছিল, এতিয়া আমি চাওঁ সেই নিয়মো নাই। আজি-কালি একোটা চাকৰিত ১০ হেজাৰ টকা লাগে, ফৰেষ্ট ৰেঞ্জাৰত ৫০ হেজাৰ টকা, অমুকত ৩০ হেজাৰ, তমুকত ২০ হেজাৰ ইত্যাদি। দুৰ্নীতি কোনোবাই কৰক নকৰক সেইটো চাবলৈ আমাৰ সময় নাই, মাত্ৰ আমি পাবলগীয়া খিনি পাই থাকিলেই হয়। কোনোবাই বৌ মাছ খাইছে মোৰ ভাগত পৰা নাই তাত মোৰ আপচোচ নাই। আমাৰ এই বিল দুখনৰ বাবে হোৱা আলোচনা সমালোচনা যাতে খোলা-খোলি ভাবে হয় তাৰ বাবে মই আপোনাৰ যোগেদি মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

* শ্ৰীহিতেশ্বৰ শইকীয়া ঃ— অধ্যক্ষ ডাঙৰীয়া, লোকআয়ুক্ত বিলখনৰ সংক্ৰান্তত মাননীয় বিধায়ক সকলে নানান কথা দাঙি ধৰিছে। শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে এই বিলখনে মন্ত্ৰী বিধায়ক সকলে দুৰ্নীতি কৰা সকলৰ বিৰুদ্ধে গোচৰ কৰিবলৈ সহজ কৰি দিছে। শ্ৰীমথুৰা ডেকা ডাঙৰীয়াই শেষৰ ফালে ঠিকেই কৈছে যে চাকৰি যি সকলে পাই তেওঁলোকে কয় কিবা কিবি দিলোঁ আৰু, যি সকলে নেপায় তেওঁলোকে ৰেটৰ কথা কয়। মই আজিও কওঁযে বিধায়ক সকলে দুৰ্নীতি কৰা নাই। দুৰ্নীতি কৰা বুলি ধৰণেৰে কোৱা হৈছে তাত সত্যতা নাই। মই অস্বীকাৰ নকৰোঁ যে দুই এজনে হয়তো নকৰাকৈ থকা নাই। পৃথিৱীত এনে বহুত দৃষ্টান্ত আছে, আনকি বৃটিছ দীপুঞ্জত, আমেৰিকা আৰু ৰুচ দেশতো দুৰ্নীতিৰ কাৰণেই কেইজনমান বিষয়ক চেক কৰিব লগা হৈছে। এই কথা শ্ৰীদাস ডাঙৰীয়ই কাগজত পঢ়িছে আৰু আমিও পঢ়িছোঁ। আনকি চীন দেশতো এই কথা চিন্তা কৰা হৈছে আৰু কাগজতো প্ৰকাশ পাইছে। শ্ৰীডেকাই কুৰুক্ষেত্ৰৰ যুদ্ধৰ কথা কৈছে। আমি সকলোৱে ৰাম—ৰাৱণৰ যুদ্ধৰ কথা পঢ়িছোঁ, ৰামে বনবাস খাটিছিল আৰু তেতিয়া সীতাক ৰাৱনে হৰণ কৰিছিল। ৰামে সীতাক উদ্ধাৰ কৰি ৰাজ্য লাভ কৰিলে। কিন্তু ৰাইজৰ মাজত প্ৰচাৰ হল যে ৰাৱনে সীতাৰ সতীত্ব নষ্ট কৰিলে। ৰামৰ কিন্তু বিশ্বাস নহল। তথাপি প্ৰজাৰ নামত ভালৰি লগোৱাৰ বাবেই হওঁক, বা লোক চকুৰ পৰা ৰক্ষা পাবৰ কাৰণেই হওক সীতাই অগ্নি পৰীক্ষাত অবতীৰ্ণ হব লগা হল।

মই আমাৰ দাস ডাঙৰীয়াৰ কথাৰ উত্তৰত কওঁ যে মই তেখেতৰ লগত একমত নহওঁ। মন্ত্ৰী আৰু বিধায়ক সকলক দুৰ্নীতিৰ পৰা ৰক্ষা কৰিবৰ কাৰনেই এই বিল খন অনা হৈছে। তেওঁলোকে সীতাৰ দৰেই ইয়াৰ পৱিত্ৰতা ৰক্ষা কৰিব পাৰিব লাগিব। লোক চক্ষুৰ আগত মন্ত্ৰী

* Speech not Corrected

বিধায়ক সকলৰ অপযশ আহি থকাটো ঠিক নহয় । সেয়ে মই এই বিলখন আনিছোঁ । আজি গণতন্ত্ৰক দুৰ্ব্বল কৰি তোলা হৈছে। গনতন্ত্ৰত প্ৰতিক প্ৰশাসক, ন্যায়িক আৰু বিধায়িনী এই তিনিটা হল লাইখুটা। এতিয়া এই তিনিটাৰ ওপৰতে আঘাট পৰিছে । ই গণতন্ত্ৰক বিপন্ন কৰিব । যদি খুটা ভাগি যায় ঘৰ থাকিব নোৱাৰে । আজি দুস্কৃতীকাৰীয়ে প্ৰশাসন, ন্যায়িক আৰু বিধায়িনী আদি সকলোৰে ওপৰত বিৰাট আঘাত হানিছে। ইয়াক ৰক্ষা কৰিব নোৱাৰিলে গণন্ত্ৰক ৰক্ষা কৰিব নোৱাৰিব । সেয়ে ইয়াক ৰক্ষা কৰিবৰ কাৰনেই আমি সীতাৰ দৰেই পৱিত্ৰতা ৰক্ষা কৰিব পাৰিব লাগিব । মই ভাবো মাননীয় সদস্য সকলে ইয়াক নিশ্চয় ৰক্ষা কৰিব । গতিকে মতামত নিমিলিব পাৰে কিন্তু মূলতঃ— আমি আমাৰ ৰাজ্য খনৰ নিক প্ৰশাসন অব্যাহত ৰাখিবৰ কাৰনেই আজি এই বিলখন আনিব লগীয়া হৈছে । নানান ধৰণৰ ব্যৱস্থাও লবলগীয়া হৈছে । মই এই কথা মাননীয় মন্ত্ৰী সকলকো কৈছোঁ ।

অধ্যক্ষ মহোদয়, মই এই বিধানসভাত ১৯৭২ চনৰ পৰাই আছোঁ । এনে ধৰণৰ বহুত চলিছে । মন্ত্ৰী সকলৰ বিষয়েও বহুত কথা ওলাইছে। কিন্তু বহু সময়ত সকলো কথাৰে সত্যতা নাথাকে । কিন্তু এনেধৰণে পৰিবেশন কৰা কাৰণেই মানুহৰ মনত বহুসময়ত সন্দেহৰ ভাৰ আহে । আজি আমাৰ দাস ডাঙৰীয়াইও বহু বাৰ ট্ৰেন্সফাৰ কথা কৈছে । এই কথাটো অৱশ্যে মই সম্পূৰ্ণ বিশাস নকৰোঁ । কাৰণ টেন্সফাৰ পোষ্টিং নিয়মমতেই কৰা হয়। কিন্তু কেতিয়াবা কিছুমান কাৰণত শান্তি-মূলক ব্যৱস্থা হিচাপে অৱশ্য কৰা হয়, আকৌ কেতিয়াবা বিশে ষদায়িত্ব আদি দিও কাবোবাক বদলি কৰিবলগীয়া হয় । এনে ধৰণে কিছুমান কথা হয় । সেই কাৰণেই আমি এটা সিদ্ধান্ত গ্ৰহণ কৰিছোঁ যে চাৰিটা পৰ্য্যায়ত চাৰিখন কমিটী থাকিব। প্ৰথম খনত চীফ চেক্ৰেটাৰী চেয়াৰমেন

হব ।, আৰু লগত ছয় জন সদস্য থাকিব ।

Shri Hiteswar Saikia (Chief Minister):— In Assamese.

1: Chief Secretary — Chairman.
2. Agricultural Production Commissoner — Member.
3: Commissioneir & Secy. Home — Member.
4. Commissioner and Secy. WPT and B. C.-member
5: Secretary, Forests — Member.
6. Secy. Personnel, — member.

এই কমিটী খনে আই, এ, এছ, আই, পি, এছ, আৰু ফৰেষ্ট চাৰ্ভিচৰ আৰু এ, চি, এছৰ চিনিয়ৰ সকলৰ ট্ৰেন্সফাৰ পোষ্টিংৰ কাৰণে নিৰ্দিষ্টভাৱে নিৰ্দেশ বা পৰামৰ্শ আদি দিব । এই কমিটীয়ে বদলি আৰু নিযুক্তি আদি কৰিব ।

দ্বিতীয়খনত—

1: Commissioner P & D — Chairman.
2. Sommr. & Secy. P. W. D. — member.
3: Commr. & Secy. Irrigation — member.
4. Cecretary, Flood Control — member.
5. Commr. and Secy. Health etc. member.

এই বিভাগ বিলাকৰ বদলি আৰু নিযুক্তি আদি কৰিব ।

আকৌ তৃতীয়খন কমিটীত থাকিব—

1 : Agricultural Production Commissioner -- Chairman.

2 : Commr. and Secy. Revenue — member.

3 : Commr. and Secy. Health etc. — member.

4 : Commr. and Secy. Education — member.

5 : Commr. and Secy.; Transpert — member.

6 : Joint Secy. personnel — member Secretary.

এই সকলে জুনিয়ৰ এ, চি, এছ সকলৰ বদলি আৰু নিযুক্তি আদি কৰিব। আৰু এখন কমিটী কৰা হৈছে । এইখনত হেড্‌চ অৱ ডিপাৰ্টমেণ্টৰ যি সকল কৰ্ম্মচাৰী আছে তেওঁলোকৰ বদলি আৰু নিযুক্তি আদি কৰিব। বদলি আৰু নিযুক্তিৰ সম্পৰ্কত কিছুমান গাইড লাইনো কৰা হৈছে । এই গাইড লাইন এনে ধৰণৰ হব ।

( 1 ) Officers and members of should be transferred on completion of 3 years of service in a place or on a table.

( 2 ) If any axceptional case transfer order is made before 3 years, the reasons of such transfer should be recorden in writing. If anybody is allowed to stay beyond 3 years in a particular station or on a table reasons of sush action should be recorded. The normal transfer should be affected in such a manner so that the Childrens' academic year is not wasted, For the purpose of calculating the above period 3 years service rendered in all the departments or branches or cell in different grades should be taken tagether,

এই চাৰিখন কমিটীয়ে বদলি আৰু নিযুক্তি সম্পৰ্কত বৰ্ড বহিব আৰু বিভাগীয় সকলো কাগজ পত্ৰ চাই বদলি আৰু নিযুক্তি আদি দিব। অৱশ্যে চিনিয়ৰ বিষয়া সকলৰ ক্ষেত্ৰত মন্ত্ৰীৰ অনুমোদনৰ বাবে পঠাব । যদি কিবা কাৰণত মন্ত্ৰীয়ে এগ্ৰি নকৰে কি কাৰণত কৰিব নোৱাৰে লিখি দিব। এই বিলাক আমি লোকচক্ষুৰ আগত বাচি থাকিবৰ কাৰণে কৰা হৈছে । প্ৰশাসন, ন্যায়িক আৰু বিধায়িনীৰ ওপৰত যি অপবাদ আনিছে এই বিলাকৰ পৰা ৰক্ষা কৰিবৰ কাৰণেই এই ব্যৱস্থা কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত এই লোক আয়ুক্ত বিলখন অনা হৈছে আৰু মই ভাবো এইখিনি কথাৰে মই মাননীয় বিধায়ক সকলৰ মন জোগাব পাৰিছোঁ। মই মন্ত্ৰী সকল বা বিধায়ক সকলে দুৰ্নীতি কৰিছে বুলি এইখন অনা নাই, সীতাৰ দৰে পৱিত্ৰতা ৰক্ষা কৰিব পাৰিবনে নাই সেই বিষয়েহে আনিছোঁ ।

শ্ৰী চন্দ্ৰধৰ কলিতা :— অধ্যক্ষ মহোদয়, তেখেতে গোটেই কথাটো কোৱা নাই। মই সেই কাৰণেই এটা স্পষ্টীকৰণ বিচাৰিছোঁ। ইয়াত বহুত ডিবেটিং হৈছে সেই কাৰণেই মই কৈছোঁ । লোক আয়ুক্ত বিলখন অনাটো ঠিকেই হৈছে কিন্তু আচলতে মুখ্যমন্ত্ৰীৰ লাভতে হোৱা হলে ভাল আছিল ।

( সদনত হাঁহিৰু গণ্ডগোল, একো শুনা নাযায় ) ।

শ্ৰীহিতেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী সকল আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী সকল লোকপালৰ তলত থাকিব । এথেত সকলৰ ক্ষেত্ৰত যিকোনো সিদ্ধান্ত লবলগীয়া হলে লোকপালে সিদ্ধান্ত লব । কিন্তু তলৰ সকলৰ ক্ষেত্ৰত কিবা সিদ্ধান্ত লবলীয়া হলে লোকআয়ুক্তই লব পাৰিব ।

দ্বিতীয়তে ইয়াত অপজিচন বা ৰোলিং পাৰ্টি বুলি কোনো কথা নাই । লোক আয়ুক্তৰ ক্ষমতা আৰু মৰ্য্দা হাইকৰ্টৰ চিফ জাচটিচৰ সমান। তেখেতে যি সিদ্ধান্ত দিব সেইটো হব বাধ্যতামূলক । মানিবই লাগিব ।

Mr. Speaker :— Now I put the motion before the House that the Assam Lokayukta and Up-Lokayuktas Bill, 1985 be taken into consideration.

The motion is passed.

Now, there is no amendment to Clauses 2 to 7. So, I put Clauses 2 to 7. Clauses 2 to 7 do from part of the Bill.

Clausess 2 to 7 form part of the Bill.

There is an amendment to Cluses 8 of the Bill in the name of Shri Hemen Das. Now, Shri Hemen Das to move.

Shri Hemen Das :— Sir, I beg to move that in Clause 8, in sub-clause (6) in between the figure "(iv)" and word "or" occuring in line third the words "excluding Chief Executive Councillor of Mahukma Parishad, Mayor of a Municipal Corporation, Chief Executive Member of Autonomous District Council" shall be inserted.

Shri Hiteswar Saikia ( Chief Minister ) :— Sir, I accept the amendment.

Mr. Speaker :— Now I put the amendment. In Clause 8, in sub-caluse ( 6 ) in between the figure "( iv )" and word "or" occuring in line third the words" excluding Chief Executive Councillor of Mahukma Parishad, Mayor of a Municipal Corporation, Chief Executive Member of Autonoious District Council" shall be inserted.

The amendment is adopted.

Now I put the Clause 8 as amended before the august House. Clause 8 as amended do form part of the Bill.

Clause 8 as amended from part of the Bill.

There is no amendment to Clauses 9 to 11 of the Bill. So, I put Clauses 9 to 11. Clauses 9 to 11 do form part of the Bill Clause 9 to 11 form part of the Bill.

There are three amendments to Clause 12 of the Bill in the name of Shri Hemen Das. Now Shri Hemen Das to move:

Shri Hemen Das :— Sir, I beg to move that (i) in Clause 12, in sub-clause (1), the words "the public servant and" occuring in line seventh shall be deleted, (ii) sub-clause (4) of Clause 12 shall be substituted by the following :—

"(4) The Competent authority shall intimate within three months of the date of reciept of report, the Lokayukta or, as the case may be, the Up-Lokayukta the action taken on the basis of the report.", and

(iii) in sub-caluse (5), the words "or proposed to be taken" occuring in line second shall be deleted.

মই এই খিনিকে দুটামান কথা কব বিচাৰিছো। ক্লজ ১২ত যিটো প্ৰথমতে সংশোধনী আনিছো ইয়াত লোকআয়ুক্ত বা উপলোকআয়ুক্ত

(recommend to the public servant and the competent authority concerned.

ইয়াত এইটো অপ্ৰয়োজনীয় বুলি ভাবিছে। কাৰণ তেওঁলোকে ৰিকমেণ্ড কৰি পথাব লাগিব কমপিটান্ট অথৰিটি পাবলিক চাৰভেণ্টলৈ পঠোৱাৰ ব্যৱস্থা নাই। চাৰ ক্লজ ৪ ত আছে sub-clause (4) ::::: the competent authority shall examine the report forwarded to it এই কথাটো মানি লোৱাটো হলে কি হব? লোক আয়ুক্তৰ মানে নোহোৱা হব। কমপিটান্ট অথৰিটিয়ে পুনৰ

বিচাৰ কৰা মানে আগৰ বিচাৰত সন্দেহ প্ৰকাশ কৰা হব আৰু এইটোৰ দ্বাৰা অপমানহে কৰা হব । the competent authority shall intimate within three months of the date of receipt of the report, the Lokayutka or, as the case may be, the Up-Lokayukta, the action taken or proposed to be taken on the basis of the report. ৩ মাহৰ পিচলৈ প্ৰপজ টু বি টেকেন এইটোৰ প্ৰকৃততে বিচাৰ কৰা নহব । মই এই কাৰণেই আশাকৰো চৰকাৰে এই সংশোধনী কেইটা মানি লব ।

অধ্যক্ষ মহোদয়, বিলখন যেতিয়া পাছেই কৰিলে গতিকে সেইখন কেতিয়াবা গেজেট নটিফিকেচন কৰি কাৰ্য্য কৰি কৰিব—ভাৈল অপেক্ষা কৰাৰ প্ৰয়োজন নাই । যিখন সদনত এনে এখন বিল আগতেও আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে উথাপন কৰিছিল গতিকে আমি এই বিলখন উথাপন কৰি গ্ৰহণ কৰাৰ পিচদিনাৰ পৰা কাৰ্য্যকৰী হব লাগে । সেয়ে মই এই সংশোধনী অগবঢ়াইছো । আশাকৰো আমাৰ সকলোৱে এইখন গ্ৰহণ কৰিব ।

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ ( মুখ্যমন্ত্ৰী )— অধ্যক্ষ মহোদয়, এইখন গ্ৰহণ কৰা হৈছে ।

MR SPEAKER — I put the amendments before the House that—

(i) In Clause 12, in sub—clause (1). the words "the public servant and" occurring in line seventh shall be deleted.

(ii) sub clause (4) of Clause 12 shall be substi-

tuted by the following :—"(4) The competent autherity shall intimate within three months of the date rpeort of the Lekayukta or, as the case may be, the Up-Lekayukta the action taken on the basis of the Report."

and (iii) in sub-clause (5), the words" or pripesed to be taken" eceiuning in line secend shall he deleted.

(on hearing voices in affirmative)

That metien is pssaed: The amendments are accepted:

Now I put Clause 12 before the House, that Clause 12 as amended dees for part of the Bill.

(on hearing veices in affirmative)

Clause 12 as amended forms part of the Bill.

There is no amendment of Clauses 13 to 22 and the Sehedules of the Bill. So I put that Clauses 13 to 22 ahd the schedules do from part of the Bill.

(on hearing the voices in affirmative)

Clauses 1, to 22 and the Schedules from part of the Bill.

There is amendmant of Caluse 1 of the bill in

the name of Shri Hemen Das. Now Shri Hemen Das to move.

Shri Hemen Das :— Sir, I beg to move that in Clause l, in sub-clause ( 3 ), after the word "force" occurring in line first, the words "at once" shall be inserted and the worde "on such date as the State Government may, by notification in the official Gzsette, appoint" shall be deleted.

অধ্যক্ষ মহোদয়, এই থিনিতে মই মাত্র দুষাৰ কথা কব খুজিছো—এইবিলখনৰ প্ৰতি আমাৰ যি সংশোধন সেইটো গ্ৰহণ হোৱাৰ লগে লগে মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াই কৈছে যে—হেমেন দাস সিফালে গৈছে নেকি ?' । এই ক্ষেত্ৰত বিধায়ক হিচাব মই দুষাৰমান কোৱা উচিত হল ।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মই বহি বহিয়েই কথাষাৰ কৈছিলো। ট্ৰেজাৰী বেঞ্চৰ গাড়ী উৰি যোৱাৰ কথাও মই কৈছিলো—কিন্তু সেইটোটো মানি নললে ।

* শ্ৰীহিতেশ্বৰ শইকীয়া :— অধ্যক্ষ মহোদয় লোকায়ুক্ত বিলখন এখন বিশেষ আইন। এই আইনৰ কাৰণে মই সকলোৰে সহায় সহযোগ বিচাৰিছো। আমি এইটো কৰিবলৈ যাওতে এনেকুৱা নতুন কথা কৰা নাই। আজি কিছুদিনৰ আগতে লোক সভাত এটি ডিফেকচন বিলখনো পাচ হৈ গৈছে। এইখন পাছ কৰিবলৈ যাওতে আমাৰ প্ৰধানমন্ত্ৰীয়ে সকলো বিৰোধী দলৰ লগত আলোচনা কৰিছে আৰু সৰ্ব্বসন্মতিক্ৰমে গ্ৰহণ কৰিছে । এই এটি

* Speech not corrected

ডিফেক্চন বিলখন আমাৰ গণতান্ত্ৰিক ব্যৱস্থাৰ কাৰণে যেনেকৈ অতী জৰুৰী ঠিক তেনেকৈ এই লোকায়ুক্ত বিলখনো আমাৰ অতি জৰুৰী হৈ পৰিছে—কিয়নো ইয়াৰ দ্বাৰা আমি প্ৰশাসনীয় ব্যৱস্থা নিকা কৰাৰ প্ৰমাণ দিব বিচৰা হৈছে। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই কেইটামান সু-পৰামৰ্শ আগবঢ়াইছে, যি কেইটাই এই আইনখন আৰু ইম-প্ৰ'ভ কৰিছে। এই আয়োগৰ আয়ুক্ত জনকেই সম্পূৰ্ণ কৰ্তৃত্ব দিয়া হৈছে। ইয়াত যদি কোনোবা দুৰ্নীতিত লিপ্ত থকা বুলি দোষী সাব্যস্ত কৰা হয় তেনেহলে তেওঁ শাস্তি পাওক—মোৰ তাত কবলগীয়া একো নাই। শ্ৰীডেকা ডাঙৰীয়াই যিষাৰ কথা কৈছে সেইষাৰ বহি বহিয়েই কৈছিল—কিন্তু ডাঙৰকৈ কোৱাৰ কাৰণে শ্ৰীদাসে হয়তো ভাবিলে ঠিয় হৈ কৈছে। গণতান্ত্ৰিক দেশ হিচাবে আমি যি গণতান্ত্ৰীক পদ্ধতিৰে প্ৰশাসন নিকা কৰিবলৈ ওলাইছো তাত সংখ্যাগৰিষ্ঠতা বুলি কোনো কথা নাই। এইটো নেচনেল ইণ্টাৰেষ্ট, চচিয়েল ইণ্টাৰেষ্ট আদিৰ ওপৰতহে নিৰ্ভৰ কৰে। সেই কাৰণেই এই লোকায়ুক্ত বিলখন আগবঢ়োৱা হৈছে আৰু মই ভাবো ইয়াক সকলোকে গ্ৰহণ কৰিব।

MR SPEAKER :— Now I put the amendment to Clause 1 that in Clause I, sub-clause (3), after the word "force" occurring in line first, the words "at once" shall be inserted and the words "on such date as the State Government may by notification in the Official Gazette, appoint" shall be deleted.

(on hearing the veices-yes, yes)

Amendment is adopted.

Now I put before the House that Clause I as amended dees form part of the Bill.

( on hearing the voices yes yes )

Motion in passed. Clause I as amended forms part of the Bill.

Now I put the preamble, enacting formula and the short title of the Bill before the august House. I put that the preamble, enaeting formula and the short title of the Bill do form part of the Bill.

( on hearing the voices-yes yes )

The preamble, enacting formula and the short title of the Bill form part of the Bill.

Now 6 ( c ) to come up.

SHRI HITESWAR SAIKIA :- Sir, I beg to move that the Assam Lokayukta and Up-Lekayuktas Bill, 1985 be passed.

( Shri Hemen Das rose 15 spease )

MR SPEAKER :— No no, Mr Das will sit down please. You see when an Hon. Member speaks, he

must stand and speae and while sitting if he speaks, it is meaningless and it cannot be teken notice of Sitting on his seat if a Member speaks, he is not telling anything for any consideration.

SHRI HEMEN DAS .— There is a dispute here, I dispute the question sir. The question is that when you speak of something basic, some attention is to be given.

My submission is that we are elected by the people to legislate and we everyone of us can contribute something towards a legislation as presented before the House. We are always trying to contribute our best. My friend, Mr. Binoy Kumar Basumatary has also contributed something. He submitted amendments of certain clause in this Bill and he submitted such amendments in many other Bills in this House I had carlier suggested amendments to many Bills in this House also, and some of the amendments were accepted even in the last session of the Assembly in connection with the Labour legislation My suggestion was accepted by the Hon. Labour Minister. Sir, I took pain to study the bills. Sir, I have studied this Bill, How can I contribute if I do not study, and I am glad that just and reasenable amendments are accepted by the

Government in the interest of the public in general and in the interest of the tradition of the House. This is my submission that the general people send us here only to enact legislations and here it is our duty to propose amendments. We are elected and sent here to propose amendments and they in the treasury bench are elected to introductiuce lggislations and pass the Bills. I have propesed the amendment and I heve simply carried out my fundamental duty. sir.

SHRI BINOY KUMAR BASUMATARY ¾— Sir, may I also have a few words or comments on the point as suggested by our friend Mr. Deka. Mr Deka' s remarks remiads as the tradition that has been followed in the parliamentary history. It happens like this. Whenever an amendment is put, the ruling party does not accept it because the amendment so moved consitrued as being motivated or something like exposing the weaknesses of the treasury benches or highlighting semeene' s personal view. Therefore the common tradition that we heve observed is that amendments proposed from the Opposition side are very rarely accepted and in fact in parliment it is never accetped, But in this House sir, when we have been co—operating with the Treasury Benches and we are insignificant in strength

in this side of the House-but the Treasur Benches also have a fundamental duty to see that whenever some weeknesses are pointed out somewhere they should appreciate it.

( voices - no no, that is not the actual position )

Sir, whenever an amendment is accepted there is some reason for which they accepted. Reasonable amendments are accepted and whenever we have pointed out the defects or the loopheles, they are accepted. So we are to point out the shortcomings of the Bill if any and in this House they are accepted. Sir, this is a good sign and it should be lauded and it should be recerded with appreciation. Therefore, Sir, I hope Mr Deka . . . . . .

Cannot avoid his old line or thinking and it is our duty and we would reuest the Treasury Benches that just because we are insignificant and few, they should not deny our right of moving this and because our amendments are accepted, we have no alternative but to congratulate this Government.

Shri Hiteswar Saikia, ( Chief Minister ) :— Now, Sir, I beg to move that the Assam Lokayukta and

Up-Lokayuktas Bill, 1985 be passed.

Mr. Speaker :— Now, I put the motion that the Assam Lokayukta and Up-Lokayukta Bill, 1985 as amended be passed.

The motion is passed and the bill is passed.

Now, Item No. 7 ( a ) :— There is a message from nhe Governor.

"Raj Bhavan, Shillong. April 2, 1985.

Under the provision of Article 207( 3 ) of the Constitution or India, I, Bhisma Narain Singh, Governor of Assam recommend that the Assam Colleges ( taking over of mangement and control ) Bill, 1985 be taken up for consideration by the Assam Legislative Assembly.

Sd/- Bhisma Narain Singh,
Governor of Assam."

Shri Mukut Sarma, (Minister, Education) :— Sir, I, beg move that the Assam Colleges ( Taking over of Management and Control ) Bill, 1985 be taken into consideration.

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মই আমাৰ কলেজ সমূহ চৰকাৰে গ্ৰহণ কৰাৰ বিষয়ে কেইষাৰমান কব বিচাৰিছো। আমাৰ অসমত

যিমান কলেজ আছে সকলোবোৰ চৰকাৰে গ্ৰহণ কৰাটোৱেই যুক্তিযুক্ততা যেন পাও। আমাৰ শিক্ষামন্ত্ৰীয়ে যদি তেওঁৰ নিজা ববীয়াকৈ চাই চাই স্বাৰ্থ পূৰণ কৰাৰ কাৰণেহে কেইখনমান কলেজ চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰে তেনেহলে আমি দুখ পাম। অধ্যক্ষ মহোদয়, আজি কেইদিনমানৰ পৰা চৰকাৰে কলেজ লোৱা সম্পৰ্কে কাগজে-পত্ৰে নানা বাতৰি ওলাই আছে। কিছুমানে কৈছে এনে কৰিলে কলেজৰ অধ্যাপক সকলৰ স্বাধীনতা খৰ্ব কৰা হব। কিছুমানে বেলেগ বেলেগ মন্তব্যও প্ৰকাশ কৰিছে। গতিকে এই আটাইবোৰ লৈ আমাৰ শিক্ষা জগতত এক খেলি-মেলিৰ সৃষ্টি হৈছে। মই সিদিনা প্ৰশ্নোত্তৰ প্ৰসঙ্গত এটি কথা কৈছিলো তেতিয়া শিক্ষামন্ত্ৰী উপস্থিত নাছিল। আমাৰ হাইস্কুলৰ পৰা হায়াৰ চেকেণ্ডাৰী কৰা হল। কিন্তু পঞ্চমৰ পৰা দ্বাদশলৈ হায়াৰচেকেণ্ডেৰীত থাকিল। মোৰ বোধেৰে এম, ই শাখাটোত পঞ্চমৰ পৰা অষ্টমলৈ সুকীয়াকৈ ৰাখিলে ভাল হয়। কিন্তু এইটো একেলগে থাকিল। ইয়াৰ কণ্ট্ৰোল কোনে কি ধৰণে কৰিব? এতিয়া হায়াৰচেকেণ্ডাৰীত যিজন শিক্ষাধীকাৰ হব তেৱেঁই ৫ম ৰ পৰা ৮মলৈ কেৰিকুলাম কেনেকৈ কৰিব? কেনেকৈ চলাব? এই ক্ষেত্ৰত আমাৰ কিছুমান অভিজ্ঞতা হৈছে সেয়ে এই খেলিমেলিবোৰ আতৰ কৰিব লাগে। আৰু সেয়ে মাইনৰ স্কুলৰ পৰা স্বদেশলৈকে সুকীয়া ব্যৱস্থা হব লাগে। আজি এলিমেণ্টেৰী বোৰ্ডে পৰিচালনা কৰিব এম ইৰ শাখা। হাযাৰ-চেকেণ্ডাৰী ডাইৰেক্টৰে চাব হায়াৰ চেকেণ্ডাৰী। সেয়ে পঞ্চমৰ পৰা অষ্টমলৈ এটা সুকীয়া ব্যৱস্থা হব লাগে। এখন কলেজত দুটি ভাগ হ'ল, এটি পিউ শাখা আনটো স্নাতক শাখা। এখন কলেজত দুটি ভাগ। দুয়োটা ভাগৰ পৰিচালনা এজন অধ্যক্ষই কৰিবনে দুজন সুকীয়া হব এনেবোৰ সমস্যাৰ আমি সন্মুখীন হম। এক হল বিশ্ববিদ্যালয় আৰু এক হল ডাইৰেক্টৰ। সেয়ে আমি এই ক্ষেত্ৰত বৰ খৰধৰ নকৰি ধীৰে সুস্থিৰে সকলো ফালৰ পৰা চিন্তা কৰিহে খোজ দিয়া উচিত—যাতে আৰু অধিক

খেলি-মেলিৰ সৃষ্টি নহয়।

অধ্যক্ষ মহোদয়, এই ক্ষেত্রত চৰকাৰে কলেজৰ অধ্যাপক সকলৰ বয়স ৫৮ বছৰ নির্দ্ধাৰণ কৰিছে। তেওঁলোকে পেন্সন পাব ৫৮ বছৰত। যি সকলে ৫৮ বছৰত পেন্সনত যাব নিবিচাৰে, তেওঁলোকে দৰ্খাস্ত কৰিলে তেওঁলোকৰ বাবে ৬০ বছৰ নিয়ম আছে। তেওঁলোকে ৬০ বছৰত পেন্সন পাব। এতিয়া এইজন পেন্সনাৰৰ বয়স কোন তাৰিখৰ পৰা ধাৰ্য্য হব। সোমোৱা তাৰিখৰ পৰা নে চৰকাৰে গ্ৰহণ কৰা তাৰিখৰ পৰা। এইটো ঠিকভাবে মীমাংসা নহলে অফিচত গন্দগোল চলিব। এই গন্দগোলত শিক্ষা বিভাগৰ শিক্ষক সকলে টান পাব। বিভাগে ৰাজ্যখনৰ পৰিচালনা সম্বন্ধে শিক্ষা বিভাগৰ সকলো শিক্ষকক, সকলো অধ্যাপকক যদি এক মতে কৰবলৈ ধৰে চৰকাৰৰ নীতিক যদি সমালোচনা কৰিবলৈ লাগে তেতিয়া বেয়া হব। সাধাৰণতে শিক্ষক সকলৰ কথা সকলোৱে শুনে। তেওঁলোকে বেয়া বুলি কলে বেয়া হৈ উঠিব চৰকাৰখনে বেয়া হব। ইতিমধ্যে কলেজৰ অধ্যাপক সকলক ১৯৮০ চনৰ পৰা যি বিলাক এইদেড কলেজৰ শিক্ষক তেওঁলোকক গ্ৰেচুউটি দিয়া নাই, ঘৰভাৰা দিয়া নাই, মেডিকেল বানচ দিয়া নাই। এই বিলাক এইদেড কলেজ হিচাবে চৰকাৰে গ্ৰহণ কৰাৰ লগে লগে মীমাংসা হব লাগিছিল। এই পুৰণা কথা বিলাক মিমাংশা হব লাগিছিল। যি সকলে ১৯৫৮ বছৰত, ১৯৬০ বছৰত ৰিটায়াৰদ হব পেন্সনৰ বেলিকা এটি খেলি মেলি লাগিব আহিব পাৰে। প্ৰফেচাৰ সকলৰ দৰমহাৰ কাৰণে অৱসৰৰ তাৰিখলৈ খেলি মেলি আহিব। ৫ পৃষ্ঠাত আছে যে অধ্যাপক সকলৰ ওজৰ আপত্তি সমূহ, যদি চৰকাৰে অন্যায় আচৰণ কৰে তেতিয়া ৰাজ্যিক চৰকাৰে বিচাৰ কৰিব। তেওঁলোকক আইনৰ আশ্ৰয় লবৰ কাৰণে কোনো ব্যৱস্থা দিয়া হব কোনো জনে যদি উপযুক্ত বিচাৰ নেপাই তেতিয়া আদলতলৈ যোৱাৰ ব্যৱস্থা ৰাখিব লাগে।

সেইটো হব লাগে । এইখন দেশত গনতন্ত্র আছে। এইখিনি মূল কথা।

এই শিক্ষা বিভাগ হৈছে দেশৰ, ৰাজ্যৰ মেৰুদণ্ড। এই শিক্ষক সকলক লৈ ৰাজ্যৰ ভাল বেয়া উন্নয়নৰ দিশ সমূহ নিজৰ কৰিব লগা হয়। কিছুমান শিক্ষক গাৱঁতে থাকে। এই শিক্ষকসকলে গাওঁত প্ৰচাৰ মাধ্য-মৰ সহায়ক। শিক্ষক সকলৰ জীৱন যাত্ৰা, সকলো সা-সুবিধা ঠিক মতে দিব নোৱাৰিলে শিক্ষক সকলে বে-লাইনী যাব । তেতিয়া চৰকাৰৰ কাৰ্য্যসূচী ৰূপায়ণৰ সম্ভাৱনা নাই । এই আন্দোলনত সকলো শিক্ষকে আমি আন্দোলন কি ইয়াৰ ভবিষ্যত কি আন্দোলন কৰিলে কি হব, কি নহব প্ৰকাশ্যেভাৱে আন্দোলনত যোগদান কৰা বুলি নকও। গাৱে গাৱে গৈ মেল মিটিং কৰি বুজাব লাগিব। চৰকাৰে কলেজ সমূহ হাতলৈ আনি অধ্যাপক সকলক জধে মধে কণ্ট্ৰোল কৰিব নোৱাৰে। অধ্যাপক সকলে দেশ পৰিচালনা কৰাৰ মাধ্যম তেওলোকে দোত সুপৰিবেশ গঢ় দিব পাৰে। তেওঁলোকে বহুত নীতি পৰিচালনা কৰিব পাৰে ৰূপায়ন কৰিব পাৰে। কোনো এটি বিষয় ৰূপায়ন কৰিবলৈ হলে সকলো দি সুচিন্তিত ভাবে পৰ্য্যালোচনা কৰি ৰখা ভাল । সেই বাবে মঞ্জুৰী পোৱা কলেজ সমূহ সকলোকে লব লাগে। যদি কলেজ বিলাকক পূৰ্ণ মঞ্জুৰী নিদিয়ে তেতিয়া খেলি মেলি হব। চৰকাৰে আজি গুৱাহাটীৰ কেথনমান কলেজ লোৱা নাই। জানিব পৰা মতে কিছুমান কলেজ চৰকাৰীকৰণ কৰিছে ইয়াৰ ভিতৰত নতুন কলেজো লৈছে। মুখ্যমন্ত্ৰী মহোদয়ক মই দৃষ্টি আকৰ্ষণ কৰিছো সেইটো যাতে নহয় । এম, ই, স্কুল বিলাক স্বকীয়াভাবে গঢ়ি তুলিব লাগিব । হাইস্কুলবিলাকক ন ৰূপ দিব লাগিব । এই শিক্ষা বিভাগত শিক্ষামন্ত্ৰী এজন, কিন্তু ডাইৰেক্টৰ হল চাৰিজন । শিক্ষকৰ পৰি-স্থিতি শিক্ষা মন্ত্ৰীয়ে কব নোৱাৰে । ভাল ধৰণে বিভাগ চলি আছে নে নাই তেওঁ নেজানে। পাঠ্য পুঠি নিগমৰ পৰা যি সমূহ পাঠ্যপুথি ছপা

কৰিব লাগিছিত সেই সমূহ সময় মতে ছপা নোহোৱাত ছাত্ৰৰ মাজত অসন্তুষ্টি দেখা গৈছে। ছাত্ৰ সকলে কিতাপৰ অভাবত পঢ়াত ক্ষতি হৈছে। কিতাপ সমুহ সময় মতে উলিয়াবৰ ব্যৱস্থা কৰিব লাগে। সেইটো নকৰি যেতিয়া আমাৰ চৰকাৰে উধাই মুধাই বিল পাছ কৰি থাকে, চৰকাৰে সকলো কামতে আগ বাঢ়ি যোৱা দেখুৱাব যদি তেনেকুৱা কৰি থাকে দেশখনৰ অন্যায় হব। আমি চাব লাগিব যাতে দেশখনৰ কোনো ভাবে মঙ্গল হয়। স্কুলৰ শিক্ষকক, হাইস্কুলৰ শিক্ষকক অধ্যাপক সকলক দেশাত্মবোধৰে গঢ় দিয়াব লাগিব। শিক্ষক সকল স্কুলত যোৱা ঠিকমতে নপঢ়ুৱাই তাৰ কাৰণে স্কুলৰ এচ, আই, ক দোষাৰোপ কৰিলেই নহব। আজি ব্লকে ব্লকে অফিচ খুলিছে, তাত অফিচাৰ নিযুক্তি দিছে। অফিচাৰ নিযুক্তি কৰিলেই ঠিকমতে পৰিদৰ্শন হব বুলি ভাবে নেকি ? আমাৰ কৰ্ম্মচাৰী যথেষ্ট, হল, স্কুল সহায়ক পৰিদৰ্শক যথেষ্ট হল, কিন্তু এই সহায়ক পৰিদৰ্শকে কি কৰিব। স্কুল পৰিদৰ্শন কৰিবলৈ নেযায় ঘৰতে থাকি স্কুলৰ পৰিদশন টোকা লিখে তেওঁলোকে নেচায়। এই শিক্ষক সকল যাতে ভাল হয়, সমাজৰ লোক সকল যাতে সুপথি আগবাঢ়ে তাৰ কাৰণে চাব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয় :— এতিয়া বিলৰ ওপৰত কওঁক। ইয়াত কলেজৰ কথা নহয়।

শ্ৰীমথুৰা ডেকা :— উপাধ্যক্ষ মহোদয়, মই বিলৰ ওপৰতেই কৈ আছো। হাইস্কুল এৰি কলেজ হব নোৱাৰে। সেই কাৰণে কৈছো প্ৰাইমাৰী স্কুল বিলাকো যাতে ঠিকমতে হয়। চৰকাৰে শিক্ষক নকলৰ চাকৰি ললে, কিন্তু ঘৰ বিলাক হলে নললে। এতিয়া আমি এন, আৰ, ই, পি, ৰ দ্বাৰা স্কুলবিলাক ভাল কৰিব লগা হৈছে। হাইস্কুল বিলাক ভাঙি যাব ধৰিছে। আজি ৫০ বছৰ ৬০ বছৰ হল চৰকাৰে সহায় নি দিয়ে

স্কুল সমূহ চৰকাৰে লোৱা নাই যদিও চাকৰি সমূহ লোৱাৰ পিচৰ পৰাই ৰাইজে স্কুলৰ প্ৰতি পিঠি দিলে। ৰাইজে স্কুলবিলাক এতিয়া ভাল নকৰে। এই অৱস্থাত হাইস্কুবিলাক চলেনে? হয়। চৰকাৰী ভাবে প্ৰতিশ্ৰুতি দিছে কলেজ সমূহৰ বিল্ডিং বিলাকো লম বুলি।

( ভইচ ঃ এইটো আইনমতে আছে। )

উপাধ্যক্ষ মহোদয়, আইনত আছে আমি জানো কিন্তু কথা হল কৰিব নোৱাৰে বা নকৰে। আপুনি আজি জানে প্ৰাইমাৰী স্কুল বিলাকৰ অৱস্থা। হাইস্কুল বিলাক চৰকাৰীকৰণ কৰা হল। ঘৰ বাৰী বিলাক নললে। কননিলিজেন্সি বুলি পইচা দিয়ে চক মাটি কিনিবলৈ। পইচাৰ অভাৱত আজি ঘৰ বিলাকত জৰাজীৰ্ণ অৱস্থা। ঘৰ বিলাক উঁৱলি যাব ধৰিছে। অন্য ঠাইৰ কথা নাযানো। নগাওঁৰ কথা বেলেগ। শিক্ষা মন্ত্ৰীৰ দেশ। নগাওঁ থনত দেৱকান্ত বৰুৱাৰ কাতিৰাম বড়াৰ দিনৰে পৰা শিক্ষামন্ত্ৰী আছে। গতিকে স্কুল কলেজ সুঠাম হৈ উঠিব পাৰে। কিন্তু কামৰূপ বা কমলপুৰ অঞ্চলত স্কুল কলেজৰ অৱস্থা অতিকৈ বেয়া। কলেজ চৰকাৰীকৰণৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি দিছে যে তেওঁলোকৰ সকলো দায়িত্ব চৰকাৰে লব কিন্তু কলেজৰ যি সকল অধ্যাপক আছে সেই সকলৰ ঘৰভাড়া ডিয়াৰনেচ এলাউন্স আজিকোপতি দিয়া নাই। তাকো চৰকাৰে দিম বুলি প্ৰতিশ্ৰুতি দিছিল। অৱশ্যে কলেজৰ কৰ্ম্মচাৰী সকলক দিছে। এই দিশটো চৰকাৰে চাইছেনে। এতিয়া আকৌ চৰকাৰী কৰণৰ কাৰণে বিল আনিছে। একোখন কলেজত তেৰ লাখ টকাকৈ খৰচ হব বুলি কৈছে তাত কিন্তু ঘৰ সজা মেৰামতি ধৰা নাই। এনেয়ে আমাৰ ঘাটি বাজেট। তাতে আকৌ কলেজৰ বিল্ডিং বিলাক কৰিব কেনেকৈ। অৱশ্যে যদি বিত্ত মন্ত্ৰী মহোদয়ে ধাৰ কৰি আনি দিয়ে তেতিয়া বেলেগ কথা। কলেজ ভাল হব কেনেকৈ। বহুত হাইস্কুল হায়াৰ চেকেণ্ডাৰি

কৰা হল কিন্তু হায়াৰ চেকেণ্ডাৰিৰ ক্লাছ আৰম্ভ কৰিছে ঘৰটোৰ পাচ ফালে চালি দি। সেইবিলাক এতিয়া কোনে ভাল কৰিব? সেইবিলাকতো চৰকাৰৰ দায়িত্ব। কলেজ চৰকাৰীকৰণ কৰাত আমাৰ আপত্তি নাই। কিন্তু গোটেইখিনি কৰক। প্ৰাইমাৰী স্কুল, হাইস্কুল আগতে চৰকাৰীকৰণ কৰিলে। মই আগতেও কৈছিলো যে একোখন ঠাইত কেন্দ্ৰকৰি আশী নবৈ জন শিক্ষক থাকিব পৰাকৈ শিক্ষকসকল ঘৰতুৱাৰ কৰি দিয়ক। গাৱেঁ ভূঞে তেনে ঘৰ কৰিব পাৰিলে ভাল হব। তেতিয়া শিক্ষকসকলে চৈধ্য পোন্ধৰ মাইল দূৰৰ পৰা অহা যোৱা কৰিব বিড়ত থাকিব। গাও অঞ্চল বোৰত যেতিয়া তেতিয়া দূৰ দূৰনীৰ শিক্ষক সকল থাকিবলৈ লব তেতিয়া গাৱৰ ৰাইজৰ সকল শাক চৰণী গাখীৰ বণী বিক্ৰী ঘৰ আহি সামান্য হলেও পাব, গাৱৰ ৰাইজৰ সামান্য হলেও আৰ্থিক দিশত লাভবান হব। আনহাতে গাৱৰ লৰা ছোৱালী সমূহৰ শিক্ষাৰ মানদন্দ বাঢ়িব। শিক্ষক সকলে নজৰদিব থিতিঙালি কৰি ঘুৰি ফুৰিব নোৱাৰিব। এই বিলৰ ওপৰত ঘৰভাড়া আকৌ সুকীয়া বুলি কোৱা হৈছে। এতিয়া আকৌ চৰকাৰীকৰণ কৰিলে শিক্ষকসকলক ঘৰ বন্ধাৰ কাৰণে ধনো দিব লাগিব। এই কথা চৰকাৰে চিন্তা কৰিছে নে নাই? অৱশ্যে আমি এনেকৈ গৈ আছো গৈ থাকিম। আমি নিজেই দেখিছো প্ৰাইমাৰী শিক্ষকৰ অৱস্থা। দৰমহা পাতি শিক্ষকক ঠিকেই দিছে। কিন্তু ছাত্ৰ ছাত্ৰী বহিবলৈ এখন বেঞ্চ নাই। এতিয়া আকৌ কুৰিদফীয়া আচনিৰ যোগেদি অনুসূচীত জাতি আৰু জনজাতি ছাত্ৰ সকলক ফটাছিটা পোছাক দিয়াত চৰকাৰ ওস্তাদ হৈ পৰিছে।

উপাধ্যক্ষ মহোদয়, সেই কাপোৰ বিলাক ফটাছিটা। এই স্কুল বিলাকত কিছুমান চিলেট দিয়াৰ ব্যৱস্থা কৰিছে। সেই বিলাক ভাঙ্গ লগা। কাঠ বিলাক বেয়া। ওপৰত অলপ ৰং লগাই দিছে। বেছিদিন নিটিকে। কাপোৰ যিবিলাক দিছে কেইদিন পিন্ধিব পাৰিব কোৱা টান।

উপাধ্যক্ষ :— আপুনি এই বিলখনৰ ওপৰত কিবা যদি সংশোধনী বা পৰামৰ্শ আছে সেই বিষয়েহে কওক।

শ্ৰীমথুৰা ডেকা :— উপাধ্যক্ষ মহোদয়, সেই বিষয়লৈ মই আহি আছো। প্ৰথমতে পাঠশালা স্কুল তাৰ পিচত হাইস্কুল আৰু তাৰ পিচতহে কলেজ আহিব।

উপাধ্যক্ষ :— নহয় আপুনি বিল খনৰ ওপৰত কওক।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয় কলেজ চৰকাৰীকৰণ কৰাত আমাৰ আপত্তি নাই। অসমৰ সকলো কলেজকে লওক। তাকে নকৰি চৰকাৰৰ সুবিধামতে অ'ত ত'ত কলেজ লবলৈ হলে আমাৰ আপত্তি আছে। ১৯৮০ চনৰ পৰা শিক্ষকসকলক তেখেতসকলৰ প্ৰাপ্য ঘৰভাড়া দিব পৰা নাই। সেই বিলাকৰো অসুবিধা দূৰ কৰক। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Binoy Kumar Basumatary — Sir, this bill has an object and as recorded in the Bill its object are quite clear. In the second para of the Statement of Objects and Reason of the Bill it states '....... it also appears that most of these colleges suffer from lack of proper and basic facilities like building, enquipment, hostel accommodation etc whice are vital for maintaining proper academic standard in the Colleges ... Now, Sir, this Bill has been brought before the House with a view to maintaining proper academic standard in the collges. What are the proper academic standards

in the Colleges:? I have in this Session itself said in several occasions that the Colleges in Assam have failed to produce adequate number of quality students resulting in that the Universities have also failed in their turn to produce Lecturers in English, Assamese, Methamatics and the Subject's like Histoay and Economices. Why that is so ? Because the standard in the Colleges has deteriorated: The standard required by the UGC is not fulfilled by the students of this State. Now, it is good that the Govt. has realised the situation and decided to look into the academic standard of the Colleges. Sir, I am told by my parents that their contemporaries when they were studying in the Colleges the standard of English was so high that even now a Matriculate of those days can teach an M.A. in English of today. That is because the standards of education in those days were forcefully implemented. Now what is happening in Colleges now. Of course I know a little about the Colleges. Say for instance, Cotton College. What are the Lecturers doing? How many classes do they take in a day I think.... in Cotton Colleges some Lecturers and profearors take only two or three classes in a week. of course, sir I am subject to correct in But I am told that some Lecturers

and Professors take only one class a week whereas in other spheres of educational activies like our Primary and High Schools our teacheers are to take classes for hours together. Of course, some of the teachers are not very good and I agree with it. But it is a fact that they spend a lot of time and give a lot of attention in teaching students. But in Colleges, Lecturers and Professors have a lot of demands and they have amongst themselves made out so-many rules that they do not require to take more than two classes in a week. Sir, I do not understand wherefrom they have made out those rules and under what social obligations they have decided to takeon or two classes in obay or a week. Sir, if a proper survey is taken from the Govt. Colleges, then you will see these Professors and Lecturers have ample time and most of these Professors are following the colonial system of education. Sir, they should not be allowed to follow the colonial system of education. Of course, there are only 3 Govt. Collegesone is Cotton College at Gauhati and the other one are at Diphu and Haflong Proper survey will revesl this fact. This is a wastgge of public money and there are other problems of the colleges in underdeveloped areas. I am citing an instance here about Kokrajhar College where Professors and not Lecturers are not only getting their salaries

not in time but even their provident bund moneys are not deposited to the Govt. Account. This is the charge brought to my notice. Theh, sir. there are colleges where we know Principals take scholarships of the students and do not make the payment to the students. I am told that such a thing has happened in Silepacer College. I have also mentioned certain matters of the colleges of my constituency in this House earlier. In Udalguri College, even we have received complaints that the Principal in-cherge gives proxy in two colleges simultaneously. I am told that the vice Principal of Tangla College is also giving proxy as Principal in Udalguri College: Then, sir, there are other isuses; for instance, the issue of the medium of instruction etc., in Pandu College and Kokrajhar College and the cases which are filed in the Supreme Court has also not been disposed of, and no directive has been issued. These are pending as yet. Sir, now we find that Govt. is very keen to improve the acdemic standard of the College. while looking aftar the acedemic standsrd Govt. should not only think of the material improvement of the Colleges. They should not only think for the construction of double-storied buildings but they should give more emphasis on the academic imporovement of the colleges. Sir, by saying this I would like to mean

that Govt. should give emphais for improving the qualities of professors and lecturers and they shold be inculcated with the sense of dedication as was with the teachers of our ancient times. Then, sir, I would like to mention a few woods about the developed world : The developed world has gone far ahead. The other day I read a magazine where I find the system of mathematics has been revolutionsid by the use of computors. In fact the system of mathematics is completely changed and if I am asked to solve a problem of mathematics then I will not be able to follow the same procedure which is followed now-a-days by our students. Similariy, in all spheres the system of education is completely changed because of the use of computers in developed countries. Computer has become one of the main implements of education. If we are to improve the standard of the Colleges of the State, then it is necessary that we should fall in line with other developed countries for automation and computerisation in College edmcation. Sir, I do not want to take more time of the House. But I would like to mention an important point about the backward and uuderdeveloped areas in the State. Sir, the other day the Leader of the House has mentioned in this House that in selecting colleges underdeveloped areas should get pre-

ference, He has stated that in certain developed areas, for example in his own constituency and Subdivision, there are 16 colleges. Though the total poputation of the area may be within 6 to 8 lakhs of people ; the number of colleges are 16 whereas in my own area there are 9 lekhs of people but the number of colleges is negligible. In my own area only 5 colleges are thers Similarly, in, almost all the underdeveloped areas like Dhemaji, Jonai etc., you will find only one or tow colleges there. Therefore, sir, my submission is that while selecting colleges underdeveloped areas are to be given preferrence to that os the developed areas of the State. Then, Sir, there are colleges which at first started with Arts subjects but we not in a position to open the Science Section as yet. Therefore, sir, when new Colleges will be started, they should be encouraged to starte the Science section for the benefits of the students. In most of the underdeveloped areas, we find there is no Science section in the colleges. There are the disparities ..... that exists in the State and, therefore, while the Govt. have a good intention of improving the College education of the State. I would implore that this Government should do Justice as they have laid down in the obj ctive of the Bill Secondly, it is the matter of discipline in the Colleges that should be maintained. During the

last 5 years, we have seen a deterioration in the moral, ethical and disciplinary trend amongst the students in the Colleges of the state. Today, the College students are in the vanguard of the political agitotion and many families have come to me and say that theis sons and daughters-college students-do not obey their parents, not to speak of their lecturers. If you want to leave a legacy of fairness and disciplined nation, the College education mus be foreefully guided by the Government. In fact, even if I do not support the socialistic, system I would like to say that in Russi and other Socialistic countries, the discipline is so strongly enforced amongst the students that many times, they are guarded by the Policemen so that the students cannot cross the line of discipline from one side to the other. This action will go agaimst some of the finer instincts of life. In Assam, there is a proverb that only a tender bamboo can be bended and the older bamboo cannot be eually bended. So also I wish to remember this today, that to save a man's future, the college education is the most important one. I would, therefore, request the Govt to take proper steps so that the discipline is enforced amongst the students. Thank yon, Sir.

শ্ৰীৰমেশ ফুকন :— মাননীয় উপাধ্যক্ষ মহোদয়, আজি মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে সদনত উত্থাপন কৰা ১৮৫ চনৰ কলেজ সমূহ

পৰিচালনা আৰু নিয়ন্ত্ৰণৰ বিধেয়ক খন এনে এটা অৱস্থাত আনিছে যিটো অৱস্থাত আজি অসমৰ শিক্ষা জগতখন প্ৰায় অস্থিৰতা, অনিশ্চয়তা আৰু বিশৃঙ্খল হৈ আছে সেই অৱস্থাৰ পৰা শৈশিক পৰিবেশটো ঘুৰাই আনি উত্তম পৰিবেশত আনিবলৈ যদি চেষ্টা কৰিছে তাৰ কাৰণে আদৰণি জনাইছো। মই বিধেয়ক খনৰ ধাৰা বিলাক পঢ়ি চাই বুজিলো যে ইয়াৰ দ্বাৰা কলেজৰ যি সকল শিক্ষক বা কৰ্ম্মচাৰী তেখেত সকলক চৰকাৰী কৰণ কৰাৰ পাচত তেখেত সকলৰ দৰমহা বা অন্যান্য সা-সুবিধা সমূহৰ ৰক্ষণা-বক্ষণৰ সম্পূৰ্ণ ব্যৱস্থা হৈছে আৰু তেওঁলোকে চাকৰিৰ পৰা অবসৰ লোৱাৰ পাচত পেন্সন অৰু গেচুইটিৰ ব্যৱস্থা হৈছে আৰু কলেজ সমূহৰ বিল্ডিং ইত্যাদি পি, ডব্লিউডি এ নিৰ্ম্মাণ কৰাৰ দায়িত্ব গ্ৰহণ কৰিছে। শিক্ষক কৰ্ম্মচাৰী সকলক চৰকাৰী বিষয়া সকলে পোৱাৰ নিচিনাকৈ সকলো বিলাক সা-সুবিধা পোৱাৰ ব্যৱস্থা আছে আৰু দিবলৈ আগবাঢ়িছে। তথাপিতো মই আচৰিত হৈছো ইমান খিনি আশা আকাঙ্খা শিক্ষক সকলৰ পূৰণ কৰাৰ পাচতো এই বিধেয়ক খন পশ্চাদঘাটি বুলি কিয় অভিহিত কৰিছে? অথচ এই বিধেয়কৰ দ্বাৰাই শিক্ষক সকলক সকলো খিনি দিবলৈ চৰকাৰ আগবাঢ়ি আহিছে। কিন্তু ইয়াৰ বিৰোধীতা কৰাৰ কাৰণ কি? মই ভাবো যোৱা বছৰ চলি অহা ৰাজ্যখনৰ সামাজিক বিশৃঙলতাৰ কাৰণে যি সকল দায়ি সেই সকলৰ স্বাৰ্থত আঘাট পৰিব বুলিয়ে এই বিৰোধীতা কৰাৰ কাৰণ। তাৰ পাচত কলেজৰ স্কলাৰশ্বিপ ইত্যাদি লৈ ডি, পি, আই অফিচৰ আৰু অন্যান্য কলেজৰ কিছুমান ব্যক্তিয়ে দূৰ্নীতি চলাই আছে আৰু এওলোকৰ যোগাযোগতেই কিছুমান দূৰ্নীতি চলি আছে, অৱশ্যে এতিয়া কমিছে। সেই সকল লোকৰ স্বাৰ্থত আঘাট পৰিব বুলিয়েই এই বিৰোধীতা তাৰ পাচত এনেকুৱা কিছুমান শিক্ষক আছে তেওঁলোকে কলেজৰ নামত শিক্ষকতা কৰি আছে কিন্তু প্ৰেছ, টেক্সি ইত্যাদিৰ ব্যৱসায়

চলাই আছে। সেই সকল এতিয়া আন্দোলনৰ ডাঙৰ নেতা হৈও পৰিছে। তেওঁলোকে কলেজৰ লৰা বিলাকক উচতাই কলেজৰ প্ৰশ্ন কাকত মেগাজিন ইত্যাদি নিজৰ প্ৰেছত ছপা কৰিবলৈ বাধ্য কৰায়। এনেধৰণৰ আৰু কিছুমান শিক্ষক আছে, এজন শিক্ষকে গোটেই বছৰটোৰ ভিতৰত মাত্ৰ ৩৹ দিনও ক্লাচ কৰা নাই। তেওঁৰ অৱস্থা দিনক দিনে ইমান উন্নত হৈছে আৰু উপাৰ্জ্জণ ইমান বেচি হৈছে অনুমান হয় তেওঁৰ ঘৰত যেন টকা বনোৱা মেচিনহে আছে। এনেধৰণে কিছুমানৰ স্বাৰ্থত আঘাট হব বুলিয়েই এই বিধেয়কৰ বিৰোধীতা কৰা হৈছে। কিয়নো তেওঁলোকে এতিয়া নিয়মীয়াকৈ কলেজলৈ আহিব লাগিব, চৰকাৰী চাকৰিৰ বাধ্য বাধকতাৰ মাজত থাকিব লাগিব। এনেবিলাক কথাত তেওঁলোকৰ স্বাৰ্থতা আঘাট পৰিব বুলিয়েই বিৰোধীতা কৰিছে। এই বুলি সকলো কলেজই তেনেকুৱা নহয়। মোৰ সমষ্টিটো ২ খন কলেজ আছে আৰু সেই দুখন কলেজৰ মই সভাপতিও। তেখেতসকলে অনুৰোধ কৰিছিল সেই কলেজ কেইখন প্ৰভিনচিয়েলাইজ কৰিব লাগে। শিক্ষা মন্ত্ৰী মহোদয়ক মই কৈছিলো কিন্তু তেখেতে জিলা আৰু মহকুমাৰ সদৰ স্থানৰ কথাহে ভাবিছে। এই দুখনক বৰ্ত্তমান নকৰে বহু শিক্ষক আহিছে কিন্তু তেওঁলোকে চৰকাৰী কৰণত সমৰ্থন আছে বুলি কৈছে। A. C. T. A. ৰ সভাত তেনে শিক্ষক প্ৰতিনিধিয়ে কিবা কব থাকিলওঁ আৰু কব খুজিলেও কবলৈনিদি বহুৱাই থৈ দিয়ে। এনেকুৱা কিছুমান শিক্ষক তেওঁলোকে ইউনিটৰ পৰা পঠিয়াই দিয়ে যি সকলৰ আন্দোলনত সমৰ্থন আছে। এ, চি, টি, এ অৰ্থনৈতিক দাবি কৰিব পাৰে কিন্তু তেওঁলোকে বিধান সভা ভাঙি দিব লাগে ইত্যাদি বিলাক প্ৰস্তাব লোৱাতো শিক্ষাৰ লগত সম্পৰ্ক নাই। তেওঁলোকে দৰমহা বৃদ্ধিৰ কাৰণে আন্দোলন কৰিলে আৰু ছাত্ৰ সকলৰ পৰীক্ষা বৰ্জন কৰিবলৈ আহ্বান জনালে। ফলত ছাত্ৰ সকলৰ এবছৰ ক্ষতি হৈ গ'ল কিন্তু পাচত শিক্ষক

সকলে তেওঁলোকৰ সুবিধা খিনি পালে যদিও ছাত্র সকলৰ যে এটা অমূল্য বছৰ ক্ষতি হৈ গ'ল সেইটো তেওঁলোকে খবৰ নললে। এই বিধেয়ক খনৰ জৰিয়তে এইবিলাক কথাও চাব লাগিব। কলেজৰ শিক্ষক সকলে ছাত্র সকলক অস্ত্র হিচাবে ব্যৱহাৰ কৰিছে। এইখিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰিছো কলেজ বিলাকত জি, পি, এফ, এল, আই, চি আদিৰ টকা আত্মসাৎ কৰাৰ যথেষ্ট অভিযোগ আছে। বহু ঠাইত জি, পি, এফৰ, এল, আই, চি আদিৰ পইচা খাই পেলাইছে। চৰকাৰীকৰণ কৰিলে শিক্ষক সকলে এই বিলাকৰ পৰা ৰক্ষণা-বেক্ষণ পাব। মই মন্ত্রীমহোদয়ৰ এটা বিষয়ৰ প্রতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। প্রি ডিগ্রি ক্লাচৰ যি সকল শিক্ষক আছে যি সকলে ইউনিভাৰচিটি নৰ্মচত দৰমহা পাব লাগে কিন্তু নাপায় সেইবিষয়ে বহুবাৰ উল্লেখ কৰাহৈছে। এই বিলখন প্রয়োগ কৰাৰ পাচত ইউনিভাৰচিটিৰ নৰ্মচ মতে যাতে দৰমহা পায় তাৰে কাৰণে ব্যৱস্থা লব লাগে। প্রি ডিগ্রি ক্লাচৰ কাৰণে নতুনকৈ স্কমী কৰি হলেও দিব লাগে কিয়নো ইতি-মধ্যে বহুবাৰ অভিযোগ কৰা হৈছে, এইটো দেৰী হৈ গৈছে। শিক্ষা মন্ত্রী আজি প্রতিশ্রুটি দিলে অসমৰ কলেজ সমূহৰ শিক্ষক সকলে এই বিল খন নিশ্চয় সমৰ্থন জনাব। এইখিনি পৰামৰ্শকে আগবঢ়াই আজি এই বিধান সভাত যি খন বিধেয়ক আনিছে সেইখন মই সমৰ্থন জনাইছো।

* শ্রীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মই এই বিধায়ক খনৰ বিৰোধিতা নকৰো কাৰণ কলেজ সমূহত কি চলি আছে সেইটো নিচ চকুৰেই দেখিছো। বেছিভাগ কলেজতেই আজি এনে কিছুমান দুৰ্দ্ধশা ঘটি আছে। সকলো শিক্ষকে কলেজ চলায় বুলি কব নোৱাৰো। তেনেস্থলত আমি আমাৰ দেশৰ ভবিষ্যতটো কেইজনমানৰ খেয়াল খুচিৰ ওপৰত এৰি দিয়া উচিত নহব। এইটো অৱশ্যে শিক্ষা নীতিৰ অভাৱতে হৈছে। আজি ৩০ বছৰে জাতীয় শিক্ষানীতি আমি দেখা পোৱা নাই। আমাৰ প্রধান

* Speech not corrected

মন্ত্ৰীয়ে ভাল্লে কেইবাৰো জাতীয় শিক্ষানীতি ঘোষণা কৰা হব বুলি কৈছিল কিন্তু আজিলৈকে ঘোষণা কৰা হোৱা নাই। এইটো অতি দুৰ্ভাগ্যৰ কথা। এখন দেশ আছে, এটা জাতি আছে কিন্তু সেই জাতিৰ বিকাশৰ প্ৰধান চৰ্ত শিক্ষাৰ সেই শিক্ষাৰ আজিও সু-নিৰ্দ্দিষ্ট নীতি হোৱা নাই। এনেকুৱা মানুহৰ হাতত দেশৰ ভবিষ্যত দিয়াটো উচিত হোৱা নাই। আজি আমি দেখিবলৈ পাইছো যে, এই বিলখনৰ মাধ্যমেদি সকলো কলেজকে লোৱা ভাল হয়। যদি নলয় তেতিয়া দুমুখীয়া নীতি হব আৰু তেতিয়া এফালে থাকিব চৰকাৰী কলেজ আৰু আনফালে থাকিব বে-চৰকাৰী কলেজ। তেতিয়া নানা ধৰণৰ খেলিমেলিৰ সৃষ্টি হব। গতিকে এখন ৰাজ্যৰ এটা নীতি এটা ব্যৱস্থাৰে পৰিচালিত হব লাগে। স্কুলীয় শিক্ষা ব্যৱস্থা প্ৰভি-নচিয়লাইজ কৰি মুলত এটা নীতিৰ ভিতৰলৈ আহিছে। কলেজীয়া শিক্ষা আমাৰ প্ৰথম পদক্ষেপতেই আছে। এইটো আমক স্পষ্টকৈ কব লাগে যে, আমাৰ অন্তঃত সকলোবোৰ কলেজতে আমাৰ ৰাজ্যখনৰ এটা নীতিত শিক্ষক নিয়োগ, একেটা নীততে শিক্ষা দান ব্যৱস্থা কৰিব লাগে। আমাৰ পাঠ্যক্ৰম একেই। আজি চৰকাৰৰ পৰা টকা পইচা কলেজ বিলাকে নিয়ে কিন্তু কলেজৰ অধ্যক্ষ এজনক চৰকাৰে একো কৰিব নোৱাৰে। লাখ লাখ টকা আজি মাৰিছে। আজি ছাত্ৰই ডিব্ৰুগড়, দৰং আদি কলেজৰ চৰকাৰী বৃত্তি পোৱা নাই। কলেজ বিলাকে যি অদিট কৰিছে সেই বিলাকো পাবলিচ কৰা নাই। সেই ৰিৰ্পোট শিক্ষা মন্ত্ৰীয়ে আনিলে দেখা পাব যে, কেনেকৈ কলেজ বিলাকে বৃত্তিৰ টকা আত্মসাত্ কৰিছে। মোৰ সমষ্টিৰ কলেজৰ কথা যোৱা বছৰেই প্ৰশ্ন আমি ঠিক ঠাক কৰিলো। কিন্তু এখনহে কৰিলো, বাকী বিলাকৰ কি অৱস্থা হব? আমাৰ মাননীয় সদস্য বিনয় বসুমতাৰী ডাঙৰীয়াই কোকৰাঝাৰ কলেজৰ প্ৰভিদেন্দ ফান্দৰ কথা কৈছে। কোকৰাঝাৰ কলেজৰ প্ৰভিদেন্দ ফান্দৰ শিক্ষক সকলৰ টকা আজিও জমা দিয়া হোৱা নাই। টকা কলৈ গল? আজি তেনে কলেজৰে

অধ্যক্ষ অসম লোক সেৱা আয়োগৰ মেম্বাৰ। লাখ লাখ টকাৰ হিচাব দিব নোৱাৰে অথচ লোক সেৱা আয়োগৰ মেম্বাৰ হৈ আছে। মৌলে কোকৰাঝাৰ কলেজৰ শিক্ষক এজনে এখন চিঠি দিছে যে,

I have learn that very shortly the Government of Assam would take over the administration of aided colleges and though this wouid be done in phased manner, a Bill for the Government take over/provincialisat- tion of some aided colleges would be introduced shortly. If this information is correct it would do great good to the aided colleges and bring a great relief to them. এইখন এজন শিক্ষকৰ চিঠি। এনেধৰণৰ শিক্ষক অসমৰ প্ৰায় সকলোবোৰ কলেজতে আছে। তেওঁলোকে আজি লাঞ্চনা ভোগ কৰি আছে। প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে। গৰ্ভানিং বদিৰো কিছু নীতি নিয়ম আছে। অন্দোলনৰ সময়ত বৰপেটাত দুজন শিক্ষকক ক্লাচ কৰিবলৈ দিয়া নাছিল। ১৯৭৯ - ১৯৮০ চনত ঘৰত থাকিবলৈ দিয়া নাছিল। অৱশেষত বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী শিক্ষা মন্ত্ৰী হৈ থকাত তেওঁলোকক জইন কৰিবলৈ দিলে। গৰ্ভানিং বদিয়ে টকা নিদিয়ে, চৰকাৰে কৈছে টকা দিব লাগে। গৰ্ভানিং বদিয়ে নিদিয়ে। কেইদিমানৰ আগতে শিক্ষক কেইজনক কমিচনাৰৰ পৰা কঢ়া অৰ্দাৰ দিয়াৰ বাবে ৩১ মাৰ্চৰ আগতে দৰমহা পালে। এনেকৈয়ে চৰকাৰৰ পৰা টকা নিব অথছ চৰকাৰ নামানে। দুজন শিক্ষকক টকা দিলে কিন্তু এজনক এতিয়াও টকা দিয়া নাই। যি জন অহা নাছিল সেইজন শিক্ষকক টকা দিয়া হোৱা নাই। চৰকাৰৰ কথা বুলি নাভাবে। মই শিক্ষাৰ বিষয়ে আলোচনা কৰোতে বদৰপুৰৰ কথা কৈছিলো। কেইজনমান শিক্ষকক চাকৰিৰ পৰা টাৰমিনেট কৰিছে, দিচমিচ

কৰিছে এইবিলাক তুৰ্নীতি চলি আছে। চৰকাৰী কিছুমান নিয়ম কানুনৰ মাজেদি কাম কৰিব লাগে। অজি গৰ্ভানিং বদিয়ে কাম গাৰ বলেৰে কৰিছে। কোনো ক্ষেত্ৰত কয় যে চি, পি, এমৰ মানুহ। যিসকল বিধান সভাৰ বিধায়ক হৈ আছে আৰু গৈ কলেজত কামৰ যোগদান কৰিলে সেই সকলক একো নকয়। সেইকাৰণেই আজি শিক্ষক সকলে নিৰ্য্যাতন ভোগ কৰি থাকিবলগা হৈছে। তেওঁলোকৰ এজনে ফোন কৰি কৈছিল যে, এইটো চিলেক্ট কমিটিত দিব লাগে আজি দেখা গৈছে যে, গণতান্ত্ৰিক ৰাজ্যত কিছুমান মানুহক ৰাজনৈতিক অধিকাৰ দিয়া হৈছে আৰু কিছুমানক দিয়া হোৱা নাই। হাইস্কুল শিক্ষকৰ সেই ৰাইট নাই। অফিচাৰ, কৰ্ম্ম-চাৰী সকলোৰে গণতান্ত্ৰিক অধিকাৰ থাকিব লাগে। আজি হাইস্কুলৰ শিক্ষক সকলে কি মহাপাপ কৰিলে যে, ৰাজনৈতিক অধিকাৰৰ পৰা বঞ্চিত হৈ আছে আৰু কলেজ সমুহ এই অধিকাৰ পাইছে। এইটো মই সমৰ্থন কৰিব নোৱাৰিলো। আমি এটা প্ৰশ্ন বাৰে বাৰে কৈ আহিছো যে, আমাৰ এটা জাতীয় শিক্ষা নীতিৰ প্ৰয়োজন। আজি আমি কলেজৰ শিক্ষাৰ কি ফল পাইছো ?

যোৱা বছৰ কি হল? বি এ, বি এচ চি আৰু প্ৰি ইউৰ ৰিজাল্ট-শতকৰা ২১ আৰু ২৩। অৰ্থাত এশ জনৰ ভিতৰত ২১ আৰু ২৩ জনে পাচ কৰিছে। তাৰ মানে এইবিলাক আমাৰ লৰা বধ কৰা অনুষ্ঠান হৈছে। এইবিলাক দেখি শুনি আমি বহি থাকিব নোৱাৰোঁ, চৰকাৰো বহি থাকিব নোৱাৰে। এশ জনৰ ভিতৰত ২১ জনে পাছ কৰিব আৰু ৭৯ জনে ফেল কৰিব, এইটো এটা দৃষ্টান্ত হব নোৱাৰে, কিন্তু এইটো হৈয়েই আছে। আমাৰ বসুমটাৰী ডাঙৰীয়াই কৈছে হায়াৰ চেকেন্দাৰী স্কুল খুলিছে ইংৰাজীৰ শিক্ষক নাই, অংকৰ শিক্ষক, অৰ্থনীতি, ৰাজনীতি বিজ্ঞানৰ শিক্ষক নাই। কলেজবিলাকত আজি এটা সমস্যাই দেখা দিছে,

সেইটো হৈছে ইউ জি চি নৰ্মচ থকা শিক্ষক কমকৈ পোৱা হয় । এইটো কিয় হৈছে ? ভাল ছাত্ৰ কিয় নোলায় ? শিক্ষক যিযুক্তিৰ কথা আমি আগতেই কৈছোঁ এ, পি এচ চিয়ে মেধা ছাত্ৰ ছাত্ৰী নিৰ্বাচিত নকৰে কিয় । লৰাই ভালকৈ পঢ়ি লাভ নাই, খাটিৰ-বাতিৰত নিযুক্তি চলে । উদাহৰণ দিওঁ-এ, ডি পি কলেজত প্ৰথম শ্ৰেণী পোৱা এজনী ছোৱালীয়ে নিযুক্তি নেপালে, দ্বিতীয় শ্ৰেণী পোৱা এজনে নিযুক্তি পালে। ইয়াৰ ফলত ভাল লৰা-ছোৱালীৰ আগ্ৰহ কমি গৈছে। আজি এই কেইটা বিষয়ত নজৰ দিব লগা হৈছে। আমি খবৰ পাইছোঁ ব্ৰহ্মপুত্ৰ উপেত্যকাৰ কোনো এখন কলেজত অসমীয়া নিসিদ্ধ, পুণৰ অনুসন্ধান কৰি মই আকৌ মন্ত্ৰী মহোদয়ক জনাম । এইটো বৰ তুভাগ্যজনক কথা নিয়োগৰ ক্ষেত্ৰত যেন চৰকাৰৰ কৰিব লগা একো নাই, গভানিং বডিয়ে যি খিয়াল — খুচি মতে কাম কৰিছে আজিৰ এই বিলে সেইটো বন্ধ কৰিব পাৰে । সেই কাৰণে মই এই বিলখনৰ বিৰোধীতা কৰিব খোজা নাই । কিন্তু এটা কথা চাব লাগিব সকলোবিলাক লায়েবিলিটি যেন শিক্ষক সকলৰ দৰমহা, প্ৰভিদেণ্ট ফাণ্ডৰ টকা সকলোবিলাক চৰকাৰে লব লাগিব । চিনিয়ৰিটিক সন্মান দিয়া উচিত আৰু লগে লগে যোগ্যতাও থাকিব লাগিব। এখন কলেজত যোগ্যতা থকা মানুহ থকা সত্তেও প্ৰিভিয়াচ পাছ এজনক নিযুক্তি দিছে । কাৰণ যোগ্য জনক দিলে অন্য সম্প্ৰদায়লৈ গুচি যায় । তেনেকৈয়ে এইবিলাক প্ৰাদশীকৰণ কৰাত আমাৰ আপত্তি নাই, কিন্তু সদনত বিৰোধিতা কৰা নাই, কিন্তু বাতৰি কাকতত হৈছে । কেইজনমান কলেজ শিক্ষকক মই লগ পাইছোঁ তেওঁলোকে বিৰোধীতা কৰা নাই, বৰং কৈছে পলম নকৰি সোনকালে কৰক, সকলোবিলাক প্ৰাদেশীকৰণ কলেজতে আপোনালোকে আইন কৰক ।

দ্বিতীয়তে, আমাৰ গোটেই ৰাজ্যখনতে কলেজীয়া শিক্ষকৰ শিক্ষাৰ

এটা নীতি হব । ই এটা ভাল কথা হৈছে । স্কুলটোক অভাৰ কৰাৰ সময়ত ঘৰ সজাৰ দায়িত্ব লোৱাৰ কথাটো নাছিল । এতিয়া সেইটো হোৱাত ভাল ।

শ্ৰীকীৰ্তি দত্ত :- অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে অসমৰ কলেজ পৰিচালনাৰ নিয়ন্ত্ৰণ চৰকাৰৰ হাতলৈ অনাৰ যি খন বিল সেইখন মই আন্তৰিকতাৰে সমৰ্থন জনইছোঁ। এই কাৰণে সমৰ্থন জনাইছোঁ যে আজিলৈকে অসমৰ থকা প্ৰায় ১৩৯ খন কলেজ চৰকাৰীকৰণ কৰাৰ পিচত শিক্ষক আৰু কলেজ কৰ্মচাৰী সকলৰ যি দুৰ্গতি হৈছে পূৰ্ব্বতে ভোগ কৰিছিল তাৰ পৰা তেখেত সকল মুক্ত হব । তেখেত সকলে চৰকাৰৰ যি থিনি প্ৰাপ্য যেনে হাউচৰেণ্ট, মেডিকেল, ডিয়েৰনেচ এলাউন্স আদি সকলো সুবিধাৰ পৰা আজিলৈ বঞ্চিত হৈ আছে । তাৰোপৰি চৰকাৰৰ হাতলৈ অনাৰ পিচৰ পৰা তেখেত সকলে ৫৮ বছৰ বয়সতে চাকৰিৰ পৰা অব্যাহতি পাব । সেইকাৰণে মই আনন্দিত হৈছোঁ আৰু এই বিলখনক মই সৰ্বান্ত কৰণেৰে সমৰ্থন জনাইছোঁ ।

অকল শিক্ষক সকলৰ চাকৰি ক্ষেত্ৰতে নহয়, তেওঁলোকক দিব লগীয়া সুবিধাৰ ক্ষেত্ৰতো এই বিলখন সহায়ক হব। ছাত্ৰ-ছাত্ৰী সকলেও অধ্যয়ণৰ যি পৰিবেশ পাব লাগে সেইখিনি পাব । আনহাতেদি কলেজবিলাক ৰাজনীতি মুক্ত হব । যদিও বাতৰি কাকতত সদৌ অসম কলেজ শিক্ষক সন্থাই বিৰোধীতা কৰিছে আৰু ইয়াক এখন পঞ্চাদঘাটী বিল বুলি অভিহিত কৰিছে। তথাপি আমি যি জানিছোঁ যি বুজিছো মুষ্টিমেয়ই হওক বা যিয়েই হওক কেইজনমান কলেজ শিক্ষকৰ বাহিৰে বাকী সংহসংখ্যক কলেজৰে ইয়াত সমৰ্থন আছে । শিৱসাগৰৰ ১৬ খন কলেজৰ শিক্ষক সকল মোৰ ওচৰলৈ আহিছে, আগতে মই নিজেও কলেজত শিক্ষকতা কৰিছিলো বাবেই মোৰ ওচৰলৈ আহিছে আৰু তেওঁলোকে চৰকাৰৰ

লগত যোগাযোগ কৰিব পৰা এটা সংগঠন বিচাৰিছে। এই বিলখনে সংগঠন নকৰিলেও তেওঁলোকৰ প্ৰাপ্য থিনি পোৱাৰ সুবিধা কৰি দিব। সেয়ে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। এটা কথা মই মাত্ৰ তেখেতৰ পৰা জানিব বিচাৰিছোঁ যে কলেজৰ চাকৰিয়ালৰ ক্ষেত্ৰত তেখেতে যিটো কৈছে যে চতুৰ্থ শ্ৰেণীৰ চাকৰীয়াল সকলৰ ক্ষেত্ৰত ৬০ বছৰ বয়সৰ কথা কৈছে। কিন্তু চৰকাৰী কৰ্ম্মচাৰী সকলৰ ৫৮ বছৰতেই শেষ বছৰ হব। আৰু পেন্সন আদিও সেইমতে পাব। বাকী কলেজ শিক্ষক সকলেও অপচন্ লব পাৰিব কিন্তু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ ক্ষেত্ৰত সেইটো নাই। কলেজৰ শিক্ষকেই হওক বা অন্য চাকৰিয়ালেই হওক ৰিটায়াৰমেণ্টৰ সময়টো একে হব লাগে বুলি মোৰ ধাৰণা। এইটো কিয় হৈছে মই বুজা নাই। মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে নিশ্চয় ইয়াৰ এটা স্পষ্টীকৰণ দিব।

আমাৰ আন দুই এজন সদস্যইও কৈছে মইও কওঁ মাটি মঞ্জুৰী প্ৰাপ্ত কলেজ পৰিচালনাৰ কথা, আৰু কলেজৰ বহুতো অধ্যক্ষই জনে এল, আই, চি, বা চেলাৰী স্মল চেভিংচ বা স্কালাৰশ্বিপৰ টকা আত্মসাত কৰাৰ কথাটো। মই নিজেও এই চাকৰি কৰি আহিছোঁ। গতিকে এই বিষয়ত মই একমত নহও। কলেজৰ শিক্ষক সকলে কেতিয়াবা ৩—৪ মাহ দৰমহা নাপায়। এইডেড্ কলেজ বিলাকত ৩০০ ৰ পৰা ৫০০ মান লৰাই এড-মিচন লয় কিন্তু এনুৰেলৰ সময়লৈ বহুতে এৰি দিয়ে আৰু কিছুমানে টেষ্টপৰীক্ষাৰ সময়তে এৰি দিয়ে। গতিকে ফীজ নিদিয়ে। ইফালে চৰকাৰী মাটি মঞ্জুৰী কলেজ বিলাকৰ ফীজৰ ওপৰতে নিৰ্ভৰ কৰি চলিব লাগে। সেই কাৰণে এল, আই চি, লৰাচিপ আদি ৰেগুলাৰ ২/৩ বছৰ পিচুৱাই যায়গৈ কিন্তু পিচত হলেও এই টকাটো মেক্-আপ হয়গৈ বুলি তাৰ ধাৰণা। দুই এখন কলেজত কিবা হব পাৰে কিন্তু বাকী সকলো

কলেজতে সেইটো নহয়। এইডেড কলেজত চাৰি পাচ মাহলৈকে দৰমহা। নোপোৱাকৈ থাকে, এতিয়া চৰকাৰী কৰাৰ পাচত সকলো সা সুবিধা পাব এই বিলখনৰ যোগেদি সেয়ে মই আন্তৰিক ভাৱে বিলখন সমৰ্থন কৰিছোঁ আৰু শিক্ষা মন্ত্ৰী মহোদয়ক ধন্যবাদ দি মোৰ বক্তৃতাৰ সামৰনী মাৰিছোঁ।

শ্ৰীচন্দ্ৰধৰ কলিতা :— অধ্যক্ষ মহোদয়, কলেজ বিলাক চৰকাৰীকৰণ কৰা বা পোষ্ট বিলাক লোৱাৰ ক্ষেত্ৰত এটা কথা চিন্তা কৰিবলগীয়া আছে। আমি পূৰ্ব্বৰ পৰা কিছু উদাহৰন লব লাগিব। ইতিমধ্যে স্কুল বিলাক, হাইস্কুল বিলাকত পোষ্ট বিলাক চৰকাৰীকৰণ কৰিলে। অন্য একো দায়িত্ব চৰকাৰে লোৱা নাই কিন্তু পোষ্টবিলাক চৰকাৰীকৰণ কৰিছে। এই সদনতে বহু আলোচনাও হৈ গৈছে যে এতিয়া স্কুল বিলাকত ৰাজনীতি কৰাত বাধাপ্ৰাপ্ত হব গতিকেই স্কুল বিলাকৰ কাম-কাজত বিশেষভাৱে মনোনিয়োগ কৰিব পাৰিব। মই এটা কথা কব খুজিছোঁ যে এলপি বা অন্য স্কুলৰ কিছুমান শিক্ষকক দেখিছোঁ মন্ত্ৰী আদি আহিলে তেওঁলোকে সেই এলেকাত মিটিং আদি এৰেঞ্জ কৰি দিয়ে। গতিকে স্কুলৰ কামত মন বিশেষ নিদিয়ে। উদাহৰন বা অন্য প্ৰকাৰে প্ৰমান কৰি দিব পাৰিম। এই বিলাকৰ পৰা এইটোৱেই প্ৰমানিত হৈছে যে স্কুলত অনিয়মীয়া হলেও তেওঁলোক কোনোফালে বাধাপ্ৰাপ্ত নহয়। তেওঁলোকক নিয়মীয়া বা বাধ্য কৰিবলগীয়া হলে আমি কিবা এটা কৰিব লাগিব। আমাৰ মন্ত্ৰী যদি বিশুদ্ধ হয় তেতিয়া হলে তেওঁলোকক বদলি আদিও নিয়মমতে কৰিব পৰা যাব। সময় হাতত নাই নহলে মই পুংখানুপুংখভাৱে প্ৰমান কৰি দেখুৱাব পাৰিলোহেতেন। আজি আমি কলেজ শিক্ষক বিলাকক এটা বুদ্ধিজীৱি শ্ৰেণীৰ ভিতৰত ধৰি লৈছোঁ। এই বুদ্ধিজীৱি শ্ৰেণীয়ে ৰাজনীতিৰ ক্ষেত্ৰত নানান ভাৱে মতামত আদি দিয়ে।

সেয়ে চৰকাৰৰ সমালেচনা কৰাৰ অধিকাৰ নাথাকে। আৰু তেনে ধৰনে অন্যান্য শ্ৰেণীৰ মানুহক জীৱন নিৰ্ব্বাহৰ পৰিপ্ৰেক্ষিতত মানুহ বিলাকক নানা ধৰণে বাধাগ্ৰস্ত কৰা হয়। তেনে হলে আচলতে গনতন্ত্ৰ অক্ষুন্ন নাথাকে। আজি আমাৰ লক্ষ্য কৰিবলগীয়া কথা হল মুক্ত চিন্তা চৰ্চ্চা। এইটো শাসক দলৰ পৰা বাধাগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে। অন্য প্ৰকাৰে যি বিলাক সা সুবিধাৰ কথা বহুতো সুযোগ হৈছে। এখন কলেজ চৰকাৰীকৰন নোহোৱাকৈ যেনেকৈ হাইস্কুল, এম ই স্কুলৰ ক্ষেত্ৰত শিক্ষকৰ পদবা চৰকাৰী কৰন নকৰিলেও চৰকাৰে সা সুবিধাবোৰ দিব পাৰে। ঠিক তেনেকৈ শিক্ষাৰ গোটেই পৰিবেশ উন্নত কৰিবৰ কাৰনে বহুতো সুবিধা আছে। নিযুক্তিৰ ক্ষেত্ৰত কোৱা হৈছে যে এই বিলাক পক্ষপাতি হৈ থকাৰ ফলত শিক্ষাৰ মানদণ্ড বজাই ৰাখিব পৰা নাই। শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত খোকোজা আছে। এই বিষয়ত সদনৰ মজিয়াত আলোচনা আদি হৈছেই। মন্ত্ৰীয়েও আপত্তি কৰা নাই। এ, পি, এচ, চি য়ে পক্ষপাতি পৰাৰ কথা সদনত কোৱা হৈছে। অধ্যক্ষ মহোদয়, নিযুক্তিৰ ক্ষেত্ৰত আচলতে লোকেল গইনিং বডি থাকে। শিক্ষকসকলৰ লগত মেম্বাৰ থাকে আৰু তেওঁলোক কেতিয়াবা ছাত্ৰ ছাত্ৰীৰ নিজৰ মানুহো হয়। এই দৰেই নিযুক্তিৰ ক্ষেত্ৰত গইনিং বডি নিজৰ খেয়াল খুচীমতে চলিবলৈ বাধ্য হয়।

গতিকে সময় কম বুলি কৈছে যেতিয়া মই চমুকৈ কম। মই সকলো ফালৰ পৰা বিবেচনা কৰি ক্লজ বই ক্লজ এইটোৰ বিৰোধীতা কৰি শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে মতামত ডাঙি ধৰিলো।

শ্ৰী পূৰ্ণ বৰো :— মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ পৰা এইটো ধাৰণা হৈছে যে কিছুসংখ্যক কলেজ চৰকাৰীকৰণ কৰা হব।

* Speech not corrected

কিছুমান কলেজ ১০ বছৰ আগতে ডেফিচিট হৈছে আৰু কিছুমান কলেজ দুই বছৰৰ আগৰ ডেফিচিত হৈছে। কিছুসংখ্যাক কলেজ চৰকাৰীকৰণ কৰা হলে ইয়াত বৈষম্য হৈ যাব। সাধাৰণতে দেখা যায় যে চৰকাৰী কলেজৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণ বেচি। কটন কলেজ চৰকাৰী হোৱাৰ কাৰণে তাত ছাত্ৰ-ছাত্ৰীৰ অধিক আকৰ্ষণ আমি দেখি আহিছো। সেইদৰে যি বিলাক কলেজ চৰকাৰীকৰণ কৰা হব সেই বিলাকৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আকৰ্ষণ বাঢ়ি যাব আৰু যি বিলাক মাৰ্টি মঞ্জুৰী প্ৰাপ্ত কলেজ থাকিব সেই বিলাকৰ প্ৰতি ছাত্ৰ আকৰ্ষণ কমি যাব ফলত উপেক্ষিত হব। গতিকে মই কব বিছাৰিছো যে যদি কলেজ চৰকাৰী কৰণ কৰিব বিচাৰিছে তেন্তে সকলো বিলাক কলেজকে চৰকাৰী কৰিব লাগে। অৱশ্যে এইটো সঞ্চালক কলেজ চৰকাৰীকৰণ বিলৰ দ্বাৰা শিক্ষাৰ ক্ষেত্ৰত একো পৰিবৰ্ত্তণ সাধন নহয়।

ইউ জি চি স্কেল কলেজৰ শিক্ষক সকলক দিয়া হল, ডেমনষ্ট্ৰেটৰ সকলক দিয়া হল কিন্তু লাইব্ৰেৰী চাইন্সত বেচেলৰ ডিগ্ৰী লোৱা লাইব্ৰেৰিয়ান সকলক এই স্কেল দিয়া নহল। অসমৰ ৫৬ খন কলেজৰ লাইব্ৰেৰিয়ানক ইউ জি চি স্কেল দিয়া হোৱা নাই। এখেত সকলকো দিব লাগে। আৰু এতিয়া কথা হৈছে যে চৰকাৰীকৰণ হলেও স্কেলৰ ক্ষেত্ৰত সামঞ্জস্য আহিব। যি বিলাক ডেফিচিত হৈ থাকিব সেই বিলাকত বৈষম্য হৈ যাব। গতিকে কৰিলে সকলো বিলাককে কৰিব লাগ।

* Shri Debesh Chakraborty :— Mr. Speaker, Sir, I welcome this Bill. I welcome this Bill because it is very much timely, most deserving and most wanted and it is a bold step on the part of the Government to come

forward with such a Bill. Why it is timely and most deserving, I will come to them later on. Sir, what has impressed me very is the nature of the Bill. This Bill is a very simple one, short and meaningful and it indicates that the department has a pious intention and keeping that in view, the depratment has with great care has drafted this Bill with a wider motive to thange the entire environment of the education system and its sphere in the State. Sir, why it is timely, let us deal with it and let us deal with the positive said of the Bill. Mr. Speaker, Sir, as you are aware, the entire world is now faced with a crisis in formulating a proper policy for education. The entire workd is running fast towards advanced technogy, science, literature and towards everything and the national policy also is that we cannot look behind. Our national policy is to bring a change in the education system for the betterment of the stud. ents and the colleges. Out Central Government has also given much importance to the educational system. Sir, we have seen that our Prime Minister, for the first time, has appointed a Cabinet Minister with mush more power to formulate a national policy for the entie country. So, we must get outselves adept in close uniformity of the Police and implment this also. It is very

essential because we introduced 10 pus 2 plus 3 stages of education. Therefore, very soon it will be introduced in the colleges. We have already two stages in P. U. and therefore something has to be done for the P. U.- it is to be decided if P. U. has to remain isolated and separated. In that case only degree will remain. It will not be better for the management of the colleges or the governing body to cater to the needs of the students which are necessary for the improvtment of the standard and to impart a very good education. Therefore, this Bill is very essential and timely and definite we all welcome this Bill. Sir, there many more things which I wanted to say but I restrict my self due to limitation of time. I wish to say only a few more words. I would like to draw the attention of the Hon. Minister and to say that while implementing this Bill he will be liberally and in the spirit of the Bill. The department has regularised the services of the teachers from the date from which the Government has taken over the higher education. I hope that those teachers will be also get the benefit of pension and gratuity under the relevant rules, particularly those teachers who have already attained the age of superannuation. Therefore, for the greater interest of the State and in view of constituional obligation, all the benefit should be given to teachers

and staff. I would also like to draw the attention of the Hon. Minister and request him to consider liberally the cases of those teachers who have not been brought under the UGC norm. It is good that Government along with taking over of the colleges have accepted the liabilities and I hope it will look after the welfare of the staff. Then Sir, the option system. That is another point which comes to my mind. It is definitely to be considered those who want to remain in the previous condition, they will give the option. What will be their condition because somebody may demand that all the amenities, all the facilities we have been enjoying proor to taking over of the colleges should be allowed to the teachers. I think the Hon. Minister will definitely consider this. Then sir there is the deterioration in the educational atmosphere teachers are not properly doing their duties. It is definitely something to be seriously considered also. Sir, ther was a report lodged with the Department that one teacher is not taking classes and for 3 / 4 months he remained absent from the college and that action should be taken against him, but sir, the answer we get from the Department was not a congenial one the our college Any way, I welcome this Bill, because it is of topmost imporatance and we must not

delay its passage. With this words, I conclude my speech sir.

* শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমেই সদনৰ সদস্য সকলক ধন্যবাদ জ্ঞাপন কৰিছো কিয়নো তেখেত সকলে একমুখে এই বিলখনত সমৰ্থন জনাইছে। মাত্ৰ আমাৰ বিধায়ক শ্ৰীচন্দ্ৰধৰ কলিতাই এটা কথা উত্থাপন কৰিছে যে এই ক্ষেত্ৰত আমি অলপ লাহে লাহে যাব লাগে। অৱশ্যে তেখেতে বিৰোধিতা কৰা নাই। আজি আমাৰ এই বিলখন অনাৰ উদ্দেশ্য হৈছে আমাৰ মাননীয় সদস্য শ্ৰী বসুমতাৰী ডাঙৰীয়া কোৱাৰ দৰে অসমত উচ্চ শিক্ষাৰ মানদণ্ড গঢ়ি তুলিবৰ কাৰণে আৰু উচ্চ শিক্ষাৰ সমতা ৰাখিবৰ কাৰণে আজি চৰকাৰে অসমৰ ডেফিচিট কলেজ সমূহ চৰকাৰীকৰণ কৰিবলৈ হাতত লৈছে। আমাৰ চৰকাৰে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ওপৰত অধিক গুৰুত্ব দিছে আৰু সেই কাৰণে আপোনালোকে জানে যে ইতিমধ্যে এই চৰকাৰে ক্ষমতা বিকেন্দ্ৰীকৰণৰ কাৰণে কেইবাখনো নতুন জিলা আৰু মহকুমা গঠন কৰিছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে ১৯০১ চনত স্থাপন হোৱা কটন কলেজখনেই কেইবছৰমান আগলৈকে একমাত্ৰ চৰকাৰীকলেজ আছিল। এই কলেজখনৰ শিক্ষাৰ মানদণ্ডলৈ চাই অসমৰ চাৰিওফালৰ পৰা লৰা-ছোৱালী ইয়ালৈ উচ্চ শিক্ষা লবলৈ আহে। কিন্তু এই কলেজত নাম ভৰ্ত্তি লৈ যি হেতা-ওপৰা লাগে ভাবিলে আচৰিত হব লাগে। যোৱা কেইবছৰমান দেখা গৈছে যে যিজন ছাত্ৰই শতকৰা ৭৭ ভাগ নম্বৰ পায় তেওহে ইয়াত নাম লগাব পাৰে। তাৰ তলৰ সকলে নেপায়। সেই কাৰণে আমি এটা কথা অনুভৱ কৰিছো যে আমাৰ প্ৰতিখন জিলা আৰু মহকুমাত যদি কিছু সংখক কলেজ চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰো তেনেহলে আমাৰ বহুতো লৰা-ছোৱালী উপকৃত হব। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস আৰু শ্ৰীবসুমতাৰী ডাঙৰীয়াই

* Speech not Corrected

কৈছে যে চৰকাৰীকৰণ কৰিবলৈ যাওতে যাতে কেইখনমান কলেজকে লোৱা নহয়। এই ক্ষেত্ৰত আমাৰ উদ্দেশ্য হৈছে অসমত বৰ্ত্তমান থকা ১১৯ খন ডেফিচিট কলেজৰ আটাই কেইখনকে পৰ্য্যায়ক্ৰমে চৰকাৰীকৰণ কৰা। আৰু এইটো কৰিবলৈ যাওতে মাননীয় সদস্য সকলৰ পৰামৰ্শলৈ চকু দিয়া হব।

উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই এই কলেজৰ নিয়োগ সম্পৰ্কে কিছু কথা কৈছে। এইখিনিতে মই এটা কথা কব খোজো যে আমাৰ বৰ্ত্তমান যি তিনিখন চৰকাৰী কলেজ আছে তাত এ, পি, এচ, চিৰ যোগেদিহে নিয়োগ কৰা হয়। আৰু এই এ, পি, এচ, চিয়েই অসমৰ সকলো বিভাগৰ গেজেটেড বিষয়া বাচনি কৰে। আৰু এই চৰকাৰী নিয়ম মতে আমি নতুনকৈ লবখোজা কলেজ সমূহৰ নিয়োগ অসম লোক সেৱা আয়োগেই কৰিব। মাননীয় সদস্য শ্ৰীকীৰ্ত্তি দত্ত ডাঙৰীয়াই পেন্সন সম্পৰ্কে কিছু কথা কৈছে। এই ক্ষেত্ৰত কব খোজো যে আমাৰ অন্যান্য বিভাগৰ চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ অবসৰৰ বয়স ৬০ বছৰ আৰু অন্যান্য শ্ৰেণীৰ ৫৮ বছৰ। সেয়ে কলেজৰ ক্ষেত্ৰটো চতুৰ্থ শ্ৰেণীৰ কাৰণে ৬০ বছৰ কৰা হৈছে আৰু অধ্যাপক সকলৰ কাৰণে ৫৮ বছৰ কৰা হৈছে। উপাধ্যক্ষ মহোদয়, শ্ৰীহেমেন দাস, শ্ৰীৰমেশ ফুকন আদি মাননীয় সদস্য সকলে কৈছে যে এই বিলখন আমাৰ সকলো সদস্যৰে পূৰ্ণ সমৰ্থন আছে। কিন্তু বাহিৰৰ দুই-এখন বাতৰি কাকতে আৰু কেইজনমান শিক্ষকে ইয়াৰ বিৰোধিতা কৰিছে যোৱা কালি এ, চি, টি, এৰ সাধাৰণ সম্পাদকে এই বিলখন ক'লা আইন বুলি ব্যাখ্যা কৰিছে। আজি শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে তেখেতলৈ কোকৰাঝাৰৰ পৰা এজন অধ্যাপকে চিঠি লিখি এই বিলখন সমৰ্থন কৰাৰ কথা উল্লেখ কৰিছে। এইদৰে আমি বিভিন্ন অঞ্চলৰ বহুতো কলেজ ইউনিট আৰু শিক্ষকৰ পৰা এই বিলখনৰ কাৰণে প্ৰসংশা পাইছো। তেওঁলোকৰ বহুতেই কৈছে যে চৰকাৰৰ

এই সিদ্ধান্তই অসমত এটা সোণালী ৰেখা আঁকি দিব। আজি আমাৰ মাননীয় সদস্য শ্ৰীৰমেশ ফুকনে কোৱাৰ দৰে মযো এযাৰ কথা কও যে আমাৰ বহুতো শিক্ষকে কলেজৰ শিক্ষাত মনোনিবেশ নকৰে। আন কেইবাজনো সদস্যই কলে শিক্ষক সকলে বিশেষ সুবিধা ভোগ কৰি আহিছে বুলি উল্লেখ কৰিছে। কিয়নো আমি হাইস্কুল আৰু এল,পি স্কুল সমূহ যেতিয়াৰ পৰা চৰকাৰীকৰণ কৰিলো তেতিয়াৰ পৰা সেই শিক্ষক সকলে যদি নিৰ্ব্বাচনত নামে তেনেহলে চাকৰি ইস্তফা দিব লাগিব। কিন্তু কলেজৰ শিক্ষক সকলে ৫ বছৰ কাৰণে লিয়েন লৈ নিৰ্ব্বাচনত নামি পুনৰ কলেজলৈ ঘূৰি গৈ শিক্ষকতা কৰিবলৈ পাৰিছিল। কিন্তু আমি এতিয়া কলেজ চৰকাৰীকৰণ কৰাৰ ফলত তেওলোকে নিৰ্ব্বাচনত নামিলে চাকৰি ইস্তাফা দিহে নামিব পাৰিব। ইযাকে কৰিবলৈ যোৱাৰ কাৰণে এচাম কলেজ শিক্ষকে তেওলোকৰ ৰাজনৈতিক স্বাৰ্থ খৰ্ব্ব কৰা বুলি অভিযোগ তুলিছ। উপাধ্যক্ষ মহোদয়, আমাৰ অসমীয়াত এষাৰ কথা আছে পঢ়াই, পঢ়ে, ৰোৱে পান - এই তিনিয়ে নিচিন্তে' আন ঠিক তেনে এটা ঘটনা মই মোৰ জিলা নগাওঁতেই দেখিছো। তাৰ এজন কলেজৰ শিক্ষকৰ দুখন টেক্সি আছে। তেও প্ৰায়েই জয় স্থাপ হোটেলৰ সন্মুখত ৰৈ থকা টেক্সি ড্ৰাইভাৰ সকলৰ লগত কথা পাতি কাৰীক কে। তেওৰ উদ্দেশ্য হল - তেওৰ টেক্সি দুখন কলৈ গৈছে, কেতিয়া গৈছে বা কোনে নিছে - এইবোৰ অনুসন্ধান কৰা এইটো সহজেই অনুমেয় যে তেও কলেজত শিক্ষাদানত কিমান মনোনিবেশ কৰে। আৰু এনে বহুত ঘটনা আছে।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ ডেফিচিট কলেজ বোৰৰ শিক্ষাৰ যি মানদণ্ড - সেইটো এটা চিন্তাৰ বিষয় হৈ পৰিছে। আজি এই কলেজবোৰত বিশেষকৈ লেংগুৱেজৰ যি শিক্ষা সি একেবাৰে নিম্নগামী। আজি আমাৰ কলেজ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বিশেষকৈ

লেংগুৱেজত নিযুক্তি পাবলৈ হলে শকতকৰা ৫২'০৫ ভাগ নম্বৰ পাব লাগে - কিন্তু আমাৰ শিক্ষাৰ মানদণ্ড ইমানেই বেয়া হৈছে যে এইখিনি নম্বৰ পোৱা লৰা-ছোৱালীও পাবলৈ টান যাব ফলত এই নৰ্মচটো আমি শতকৰা ৫০ ভাগলৈ নমাবলগীয়া হৈছে। আৰু ইয়াৰ কাৰণে এই নৰ্মচৰ শিক্ষক সকলৰ কাৰণে এটা বেলেগ দৰমহাও দিবলগা হৈছে। উপাধ্যক্ষ মহোদয়, অসমত অসমীয়া ভাষাৰ কাৰণে বহুতো শ্বহীদ হল— অথচ আজি আমাৰ অসমীয়া লৰাই এই অসমীয়া বিষয়টোতে শতকৰা ৫২ ভাগ নম্বৰ নেপায়। গতিকে শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ কাৰণেই আমি এই কলেজ সমূহ চৰকাৰীকৰণ কৰিবলগা হৈছে — ইয়াত কোনো ৰানৈতিক উদ্দেশ্য নাই।

উপাধ্যক্ষ মহোদয়, নগাও চহৰত যি তিনিখন কলেজ আছে তাৰে দুখনৰ পৰিচালনা সভাপতি হৈছে উপাযুক্ত জন। আৰু নগাওৰ ছোৱালী কলেজৰ পৰিচালনা সভাপতিজন হল এজন জনতা পাৰ্টিৰ মানুহ — শ্ৰীলক্ষেশ্বৰ হাজৰীকা। মই ইচ্ছা কৰা হলে উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এই ছোৱালী কলেজখনৰ পৰিচালনা সভাপতিজনক মই আতৰ কৰিব পাৰিলোহেতেন। কিন্তু কৰা নাই। কিয়নো তেখেত এজন সত্ মানুহ। কিন্তু উপাধ্যক্ষ মহোদয়, মই এই খিনিতে এটা কথা ন-দি কব পাৰো যে অসমত যেতিয়া জনতা চৰকাৰ হৈছিল তেতিয়া সেই চৰকাৰে অসমৰ বহুতো কলেজত পৰিচালনা সভাপতি কৰি তেওলোকৰ নিজা দলৰ লোক পাতিছিল। গতিকে ইয়াৰ পৰাই এইটো সহজে অনুমেয় যে আচলতে কলেজক লৈ ৰাজনীতি কৰিছিল। উপাধ্যক্ষ মহোদয়, এ, চি, টি এ নিজে এটা অ-ৰাজনৈতিক সম্থা বুলি দাবী কৰে। অথচ অলপতে নলবাৰীত তেওলোকৰ যি থন অধিবেশন পাতিছিল তাত তেওলোকে প্ৰথমেই যিটো প্ৰস্তাৱ গ্ৰহণ কৰিছিল সেইটো আছিল — 'এইখন অবৈধ

চৰকাৰ, ইয়াক সোনকালে ভঙ্গ কৰিব লাগে ’ ইয়েই প্ৰমাণ কৰিলে যে আচলতে এই সন্থাটো অ-ৰাজনৈতিক নহয়। উপাধ্যক্ষ মহোদয়, মই আৰু আলোচনা দীঘলীয়া নকৰো— আমাৰ সমাজত এচাম লোক আছে, যি আনে যি কামেই নকৰক তাৰ সদায় বিৰোধিতা কৰে। ইয়াৰ আগতেও আমাৰ যিখন লোকায়ুক্ত বিল উত্থাপন কৰা হৈছিল তাকো এচামে বিৰোধিতা কৰিছিল। উপাধ্যক্ষ মাহোদয়, আমাৰ এই নিৰ্ব্বাচন হোৱাৰ আগতে দিল্লীত গণসংগ্ৰাম পাৰিষদৰ এজন নেতাই হুমকি দিছিল যে যদি অসমত নিৰ্ব্বাচন হয় তেন্তে ই তেজেৰে ৰাঙলী নিৰ্ব্বাচন হব। সচা এই নিৰ্ব্বাচন তেজেৰে ৰাঙলী হল। ইয়াৰ ওপৰত অন্দোলনৰ নেতা সকলে হাইকোৰ্ট কৰিলে, তাৰ পিচত চুপ্ৰিম কোৰ্ট কৰিলে। কিন্তু সকলোৱে অসমৰ নিৰ্ব্বাচন বৈধ বুলি ৰাই দিলে। এতিয়া তেওলোকে আমাৰ এম,এল,এ সকল দুৰ্নীতি পৰায়ন বুলি কবলৈ ধৰিলে। অলপতে আমি অসমৰ বোলছবিৰ সোণালী জয়ন্তী পাতিছিলো — ৰূপ কোৱৰ জ্যোতি প্ৰসাদৰ প্ৰথম অসমীয়া কথাছবি ‘জয়মতীৰ’ ৫০ বছৰ হোৱা উপলক্ষে। তেতিয়া অন্দোলনৰ নেতা সকলে — বন্ধ ঘোষণা কৰিলে। উপাধ্যক্ষ মহোদয়, আমি যদি তাকে নকৰিলোহেতেন তেনেহলে তেওলোকে কলেহেতেন যে এই চৰকাৰে অসমীয়া কলা কৃষ্টিলৈ পিঠি দিলে বুলি। সেয়ে আমাৰ সমাজত এনেকুৱা এচাম মানুহ সদায় আছে। এই খিনিতে মোৰ এটা সাধু কথালৈ মনত পৰিছে — প্ৰজা চচিয়েলিষ্ট পাৰ্টিৰ সভাপতি — পণ্ডিত গঙ্গা চৰণ সিং মহোদয়ে কৈছিল — যে এজন মানুহ আছিল, তেও সদায় আনে যি কাম কৰে তাৰ বিৰোধিতা কৰিছিল। এইদৰে বিৰোধিতা কৰা ফলত এবাৰ স্বৰ্গৰ পৰা ইন্দ্ৰই তেওক মাটি পঠালে। ইন্দ্ৰৰ কথামতে তেও গৈ স্বৰ্গ পালেগৈ তেতিয়া বাটৰ পৰাই মান-সন্মানেৰে আদৰি নিয়া হল। স্বৰ্গত তেওক মহা

সুখেৰে সৈতে কেদিনমান ৰাখি এদিন মহা পয়োভৰেৰে তেওঁক বিদায় দিলে। স্বৰ্গৰ পৰা বিদায় দিয়াৰ সময়ত ইন্দ্ৰই তেওঁক সুধিলে আপুনি স্বৰ্গত থাকি কেনে পালে একো নকলে কিয় ? তেতিয়া লোকজনে কলে যে ইয়াত থাকি খুব ভাল লাগিল। কিন্তু ইমান ভাল, ভাল নহয়। গতিকেই দেখা গল যে তেওঁৰ নীতিয়েই হৈছে সকলোকে বিৰোধিতা কৰা ঠিক তেনেদৰেই আমাৰ সমাজতো এচাম লোক আছে আমি যিমান ভাল কামেই নকৰো কিয় তেওঁলোকে বিৰোধিতা কৰিবই। গতিকে এই বিলখন সম্পৰ্কত মই আৰু বহলাই কবলৈ নেযাও। আমাৰ সকলো সদস্যই ইয়াক সমৰ্থন কৰিব বুলি আশা ৰাখি মই সামৰণি মাৰিলো।

শ্ৰীৰমেশ ফুকন :— মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টি-কৰণ আছে। মই মন্ত্ৰী মহোদয়ক এটা কথা উল্লেখ কৰিছিলো যে একেজন মানুহে দুখন কলেজত সভাপতি হিচাবে থাকিলে কিছু অসুবিধা ভোগ কৰিব লগা হয়। এই বিষটো মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিব লাগে।

শ্ৰীমুকুট শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মই প্ৰতিশ্ৰুতি দিব খোজা নাই। তাত চৰকাৰী কলেজৰ শিক্ষা হব। বাকী কেইটাৰ পাচত চিন্তা কৰিম।

Mr. Speaker :— Now I put the motion before the House that the Assam Colleges (Taking over of Management and Control) Bill, 1985 be taken into consideration.

The motion is passed.

Now item 7 (b). There is an amendment to clsuse 2 of the Bill in the name of Shri Binoy Kumar Basumatary.

Shri Basumatary to move it.

Shri Binoy Kumar Basumatary :— Sir, I beg to move that the following proviso shall be added to the item (i) to Clause 2 :—

"provided that single Colleges located in newly created District and Sud-Divisional headquarter towns be treated at par, though these Colleges do not fully conform to this standard":

Sir, roughly I find that we have now 8 new District and Sub-division viz : Udalguri, Gossaigaon, Charaideo, Hatsingimari, Sadiya, Biswanath, Hojai, Jonai etc. Sir if deficit colleges taken are then these undeveloped areas will be out left. Therefore, for some of colleges in the newly created District and Sub-divisional towns which are not dificit, provision should be relaxed and they should be taken up and Government should take over these colleges. This is the amendment. I hope this will be accepted.

শ্ৰীমুকুল শৰ্ম্মা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই আগতে কৈছো, আমি যি কলেজবিলাক লওঁ অসম কলেজ শিক্ষক সন্থাৰ অন্তৰ্ভুক্ত হয়। আৰু যিবিলাক কলেজ লোৱা হব পৰ্য্যায় ক্ৰম লম।

Shri Binoy Kumar Basumatari :— I am not sat-

isfied. I am not wnthdrawing amendment.

Mr. Speaker Then I put amendment that the following shall be added to the item ( i ) to Clause 2 :

Provided that single Colleges located in newly created District and Sub-Divisional headquarter towns be treated at par, though these colleges do not fully conform to this standard.

The amendment is lost.

Now I put .clause 2. Clause 2 does form part of the Bill. Clause forms part of the Bill.

There is no amendment to Clauses 3-8 of the Bill; So I put clauses 3 to 8. Clauses 3 to 8 do form part of the Bill. Clauses 3 to 8 form part of the Bill.

There is an amendment to the preamble of the Bill in the name of Shri Binoy Kuma Basumatary. Mr. Basumatary to move it.

Shri Binoy Kumar Basumatary :— Sir, I beg to move that a new proviso namely" Provided that this

provision may be relaxed in case of Colleges located in newloy created District and Sub-diuisional headquarter towns and which have been established recntly" shall be in-serted to the Preamble to the Bill before the enacting formula.

Sir, my purpose is the same. I want to highlight that the new District and Sub-divisional headquarters are mostly in Tribal areas and if this is not amended at the inception and at the beginning of the effect of the Bill itself, certainly it will do a lot of injustice to the undeveloped tribal areas. I was, therefore, traying to impress upon the Government that, to lift up the down troddan people, Rules and Acts should be rilaxed and for this purpose I move this amendment,

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, মই আগতে কথাটো কৈছো। কলেজবিলাক চাম। এই সকলো ট্ৰাইবেল ছাব প্লেন এৰিয়াতে পায়। গতিকে মই ভাবো যে এইটো প্ৰিএমবুল ইলল্লিমেচন্ ইনটাৰেষ্ট কৰিলে হব।

Mr. Speaker :— Are you withdrawing ?

Shri Binoy Kumar Basumatari :— I am not wit-

hdrawing Sir.

Mr: Speaker :— I put the amendment that a new proviso namely "Provided that this provision may be velaxed in case of Colleges located in newly created District and Sub-divisional headquarter towns and which have been established recently" shall be inserted to the preamble to the Bill before the enacting formula.

The amendment is lost.

Now I put the preamble. Preamble does form part of the Bill. Preamble forms part of the Bill.

( Taking over of Management and Contror ) Bill, 1985)

Now I put clause 1, enating formula and short title of the Bill. Clause 1, enacting formula and title of the Bill do form part of the Bill. Clause 1, enacting formul and Short title of the Bill form part of of Bill.

Now item No. 7 ( c ):

Shri Mukut Sarma, ( Minister ) :— I beg to move

that Assam Colleges ( taking over of management and control ) Bill, 1985 be passed

Mr. Speaker :— I put the motion that the Assam Colleges ( Taking over of Management and control ) Bill, 1985 be passed

The motion is adopted and the Bill is passed. Now, I have some announcements.

I hereby inform the House that I received a letter from the Hon. member Shri B. R. Nag, M. L. A requesting me to grant leave of absence from the Budget Session of Assam Legislative Assembly from 6th to 29th March, 1985 as he has been sponsored by the Indian National Trade Union Congress to attend a study programme for Labour Leaders in U. S. A.

I have also received a letter from the Hon. Member Shri Dambarudhar Brahma, M. L. A: requesting me to grant leave of absence from the Budget Session of the Assam Assembly as he has been undrgoing medical treatment in the Christian Medical College, Vellore.

I hope this has the approval of the House.

( voices -yes, yes )

I hereby inform the House I received a letter from the Hon. Member Shri Kaizasong representing 19 Diphu ( ST ) Constituency that he has been admitted to the Indiab National Congness ( I ) on 12th January, 1985.

Accordingly, the present party position is as foll-ows :—

NAME OF PARTY

| | | | |
|---|---|---|---|
| 1. | Indian National Congress ( I ) | — | 100 |
| 2. | C. P. I. ( M ) | — | 2 |
| 3. | Indian Congress ( Socialist ) | — | 1 |
| 4. | Plains Tribals Council of Assam | — | 1 |
| 5. | Communit Party of India | — | 1 |
| 6. | Independents | — | 4 |
| 7. | Vacant | — | 17 |
| | | | 126 |

Now, the House stands adjourned till 10.00 a. m. tomorrow, the 9th April, 1985.

## ADJOURNMENT:

The House then rose at 5-30 P. M. and stood adjourned till 10 A. M. on Tuesday the 9th April, 1985.

D.ted Dispur, Dr. P. N. Hazarika

The 8th April, 1985 Secretary.

Assam Legislative Assembly.